11|3|91

P

# Assam Legislative Assembly Debates

## OFFICIAL REPORT

THIRD SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE EIGHTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## AUGUST SESSION

### VOLUME III

### No. 2

The 5th August, 1986

सत्यमेव जयते

1990

PRINTED AT THE PAPLOO PRINTERS
JORHAT

# Assam Legislative Assembly Debates

## OFFICIAL REPORT

THIRD SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE EIGHTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## AUGUST SESSION

**VOLUME III**

**No. 2**

The 5th August, 1986

सत्यमेव जयते

1990

PRINTED AT THE PAPLOO PRINTERS
JORHAT

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1986

## (AUGUST SESSION)

**Vol. III**

**No. 2**

**The 5th August, 1986**

## CONTENTS


| | | Pa |
|---|---|---|
| 1. | Questions ... ... ... | 6 – |
| 2. | No Confidence Motion ... .... | 35 – |
| 3. | Calling Attention Notice .... ... | 36 – |
| 4. | Matter Under Rule 301 .. ... | 40 – |
| 5. | Private Members Resolution ... — | 43 – |
| 6. | Adjournment .... .... ... | |


—x—

# Assam
# Legislative Assembly Debates

## OFFICIAL REPORT

### AUGUST SESSION

Vol—III

No.—2

The 5th August, 1986.

**Proceedings of The Third Session of the Assam Legislative Assembly assembled after the Eighth General Elections under the Sovereign Democratic Republican Constitution of India**

The House met in the Assembly Chamber, Dispur Guwahati on Tuesday, the 5th August, 1986 with the Hon'ble Speaker in the Chair, 18 (Eighteen) Ministers, 13 (Thirteen) Ministers of State, and 88 (Eightyeight) Members present.

STARRED

QUESTIONS AND ANSWERS

(To which oral replies were given)

**Re : Eviction in V, G, R and P. G. R**

Shri Silvius Condpan asked :

*21. Will the Minister, Revenue be pleased to state—

(a) Is it a fact that Government has decided to evict all persons occupying V. G. R., P. G. R. and Khas Lands in different parts of the State ?

(b) If, so, what will be the fact of those persons who were allotted lands in such Government lands under minimum needs programme and under requirement of Rehabilitation due to erosion or other natural calamities on emergency basis ?

Shri Thaneswar Boro (Minister, Revenue) replied :

21. (a)—Government will evict only the encroachers as per provision laid down under Assam Land and Revenue Regulation.

(b)—Allottees under MNP Scheme and other Rehabilitation schemes will not be evicted.

Shri Silvius Condpan : Mr. Speaker Sir, may I know from the Hon'ble Minister that alternative arrangement has been made for this so called encroachers in the V. G. R., P. G. R. and Govt, land ?

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, বেদখলকাৰী সকলৰ কাৰণে কোনো ধৰণৰ অলটাৰ নেটিভ ব্যৱস্থা নাই।

As per Rule 18 of the Settlement Rules of A. L. R. R. 1886 unauthorised encroachment on Govt. land and reserve land may be evicted, The encroachment on Govt. land is increasing at an alarming rate and it is apprehended that if encroachments are not removed, there will be no vacant Govt land in the near future for utilisation in any development programme of the State.

It is, therefore, considered necessary to evict all unathorised encroachers from Govt. Khas land, V.G,R., P.G.R. Tribal Belts, road-side reservation and lands reserved for public purposes. In case of Tribal Belts/Blocks encroachments may be evicted under the provision of Chapter-x (Sec-165).

Shri Silvius Condpan : Sir, the Minister has rightly answered, but my question is whether they are encroachers or they are bonafide citizen of our country ? It is the responsibility of the State to rehabilitate them. I want to know from the Hon'ble Minister what steps Govt. have taken for their rehabilitation.

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, যদি তেওঁলোক প্ৰকৃততে মাটিহীন হয়, আৰু তেওঁলোকে যদি মাটিৰ কাৰণে চৰকাৰৰ ওচৰত দৰ্খাস্ত দিয়ে তেনেহলে চিন্তা কৰা হব কিন্তু বে-দখলকাৰীৰ কথা এতিয়াও বিবেচনা কৰা হোৱা নাই।

Shri Charan Narzary : Sir, my question is whether the Govt. is aware of the fact that eviction notices have been served on the landless tribals who have occupied for their

residential purposes the Sarkari Khas lands within the Tribal belts and blocks in various districts ? If the Govt. is aware of this fact, whether it is justified ? If it is not justified, whether the Govt. have issued any specific instruction or directive to the local authorities to stop serving such eviction notices on the landless local tribals.

শ্ৰীথানেশ্বৰ বড়ো, (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, মই মাননীয় সদস্যগৰাকীৰ প্ৰশ্নৰ উত্তৰ দিব বিচাৰিছো যে, ট্ৰাইবেল বেল্ট আৰু ব্লকত যিবিলাক আন অৰ্থৰাইজ ভাবে বে-দখলকাৰী আছে তেওঁলোকক উচ্ছেদ কৰাৰ নটিচ আজিয়েই নহয় আগৰ চৰকাৰৰ দিনতো কৰা হৈছিল। তেনেকুৱা লোকৰ ওপৰত উচ্ছেদৰ নটিচ কৰা কথাটো জানো। কিন্তু সদ্যহতে উচ্ছেদ কাৰ্য্য বন্ধ আছে আৰু মাটিহীন জেনুইন লোকৰ তালিকা দিয়া হৈছে। যদি মাটিহীন মানুহ হয় তেনেহ্লে চৰকাৰৰ ওচৰত আবেদন কৰিব লাগে। কিন্তু চৰকাৰৰ দৃষ্টিগোচৰ নকৰাকৈ নিজাকৈ বে-দখল কৰিলে চৰকাৰৰ বিবেচনা কৰাত অসুবিধা হয়।

Shri Charan Narzary : Sir, it is not a fact that those who are landless tribals have not applied to the local authorties for their settlement ; but inspite of their application through the local authorities, they are threatened with eviction, but the landless tribals are eligible to possess land within the tribal belts and blocks which are meant for them. In that perspective, I want to ask the Minister will it not be wise on the part of the Government to issue specific instruction to the local authorities to stop serving eviction notices on such people.

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যদি তেনে কোনো স্পেচিফিক কেচ চৰকাৰৰ দৃষ্টি গোচৰ কৰে তেতিয়া বিবেচনা কৰিব পৰা হব আৰু তেনেকুৱা যদি মাটিহীন মানুহ আমাৰ নটিচলৈ আহে তেনেহলে সেইটো বিবেচনা কৰিব পৰা হব। এই সম্পৰ্কত অনুসন্ধান চলাম।

শ্ৰীজয়নাথ শৰ্ম্মা : অধ্যক্ষ মহোদয়, এই বে-দখলকাৰী সকলক উৰ্চ্ছেদ কৰাৰ আগতে তেওঁলোকক চৰকাৰে আইনগত ভাবে দোষনীয় বুলি ভাবেনে ? আৰু ভি, জি, আৰ আৰু পি, জি, আৰ বিলাকত যে দিনে দিনে বৰ্দ্ধিত হাৰত বে-দখল কাৰ্য্য চলিছে তাৰ কাৰণে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছেনে ? এই বে-দখল কৰা লোকসকল ভাৰতীয় নে অভাৰতীয় ? যদি বিদেশী মানুহ আছে সেইসকলৰ ওপৰত চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী) : অধক্ষ মহোদয়, মাননীয় সদস্য গৰাকীক মই জনাব বিচাৰিছো যে, যি সকল লোকে ভি, জি, আৰ আৰু পি, জি, আৰ বা চৰকাৰী খাচ মাটিত বে-দখল কৰি আছে বে-আইনী ভাৱে তেওঁলোক দোষনীয়। এতিয়া কথা হল যে, যিবিলাক মাটি বে-দখল কৰিছে তাত থলুৱা মানুহ আছে আৰু বিদেশী মানুহো থাকিব পাৰে। কিন্তু এতিয়া বিদেশী চিনাক্তকৰণৰ প্ৰচেচৰ যোগেদি যদি ৰাজহ বিভাগক জনোৱা হয়, তেতিয়া হলে ৰাজহ বিভাগৰ পৰা স্পেচিফিকেলী চাইচিতি দিব। যিবিলাকে ভি, জি, আৰ আৰু পি, জি, আৰত বে-দখল কৰিছে, সেই সকলক উচ্ছেদ কৰাৰ ব্যৱস্থা আছে।

শ্ৰীজয়নাথ শৰ্ম্মা : অধ্যক্ষ মহোদয়, ভি. জি, আৰ আৰু পি, জি, আৰ বিলাক ৰক্ষণাবেক্ষন কৰাৰ বাবে আৰু বৰ্দ্ধিত হাৰত যাতে বে-দখলকাৰী বাঢ়িব নোৱাৰে তাৰ কাৰণে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে ? আৰু যদি দোষণীয় হয় তেনেহলে দোষীক শাস্তি দিয়াৰ বাবে চৰকাৰে কি ব্যৱস্থা লৈছে ?

আমাৰ যি বিলাক ভি জি আৰ বা পি জি আৰ আছে সেই বিলাক ৰক্ষনা বেক্ষন দিয়াৰ কাৰণে কি ব্যৱস্থা চৰকাৰে লৈছে। আৰু যি সকলে আইন ভংগ কৰিছে সেই দোষী সকলক ধৰি শাস্তি দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীথানেশ্বৰ বড়ো : আমাৰ যিবিলাক ভি জি আৰ বা পি জি আৰ বা খালি মাটি আছে সেই বিলাক ৰক্ষা কৰাৰ কাৰণে ব্যৱস্থা আছে। কাৰণ এইবিলাক ৰক্ষা কৰিব নোৱাৰিলে ভৱিষ্যতে কোনো খালি মাটি নাথাকিব আৰু ৰাজহুৱা উদ্দেশ্যত যিবিলাক মাটিৰ প্ৰয়োজন হব সেই বিলাক মাটি পোৱা নাযাব।

শ্ৰীমুক্তাৰ হুচেইন : মন্ত্ৰী মহোদয়ে জনাইছে যে যিসকলে বেদখল কৰিছে সেই সকলে মাটিৰ কাৰণে আবেদন কৰিব লাগে। মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ

কৰি কব বিচাৰিছো যে যিবিলাকে গৰাখহনীয়াত মাটি হেৰুৱাইছে তেওঁলোকক চৰকাৰে পুনৰ সংস্থাপন কৰিব লাগে। গতিকে তেনেকুৱা লোকক পুনৰ সংস্থাপন কৰাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীথানেশ্বৰ বড়োঃ এইটো বেলেগ প্ৰশ্ন হব। তথাপি কৈছো যে সেই ঠাইত খালি মাটি থাকিলে তেওঁলোকক তাতেই পুনৰ সংস্থাপন কৰাৰ ব্যৱস্থা কৰা হব।

শ্ৰীহেমেন দাসঃ মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে এতিয়ালৈকে কিমান মানুহক উচ্ছেদ কৰা হৈছে, আৰু এই উচ্ছেদ কৰা লোক সকলৰ কিমান শতাংশক সেই ঠাইতে আছে আৰু কিমান শতাংশ সেই ঠাই এৰি গুছি গৈছে ?

শ্ৰীজয়নাথ শৰ্ম্মাঃ এতিয়ালৈকে বুলি কওঁতে কেতিয়াৰ পৰা ধৰিছে ? স্বাধীনতাৰ আগৰ পৰানে 'স্বাধীনতাৰ পিছৰপৰা ?

শ্ৰীথানেশ্বৰ বড়োঃ প্ৰশ্নটো বেলেগ ধৰণেৰে কৰা হলে ভাল আছিল, কাৰণ প্ৰশ্নটো স্পষ্ট নহব। 'এতিয়ালৈকে' বুলি কলে তাৰিখ বা চন আদি ধৰা অসুবিধা হয়। তেখেতে যেনে ধৰণেৰে প্ৰশ্ন কৰিছে সেইমতে এতিয়া উত্তৰ দিব পৰা অৱস্থাত নাই।

শ্ৰীহেমেন দাসঃ দৰং, নগাওঁ আৰু গোৱালপাৰা এই তিনিখন জিলাত এই চৰকাৰ অহাৰ দিনৰ পৰা কিমান মানুহক উচ্ছেদ কৰা হৈছে আৰু সেই সকলৰ কিমান শতাংশ সেই ঠাইতে আছে আৰু কিমান শতাংশ সেই ঠাই এৰি গৈছে ?

শ্ৰীথানেশ্বৰ বড়োঃ মই এই সংক্ৰান্তত জনাব বিচাৰিছো যে এই সংক্ৰান্তত পিচত এটা প্ৰশ্ন আছে। তেতিয়া মই এইটোৰ উত্তৰ দিম।

শ্ৰীগোলোক ৰাজবংশীঃ 'বি' প্ৰশ্নোত্তৰত কোৱা হৈছে যে এম এন পি আঁচনিত মাটি দিয়া লোকক উৰ্চ্ছেদ কৰা নহয়। কিন্তু আমি কাগজে পত্ৰে পাইছো যে এনে ধৰণেৰে মাটি দিয়া লোককো উচ্ছেদ কৰা হৈছে। এইটো কথা চৰকাৰে জানেনে ?

শ্ৰীথানেশ্বৰ বড়োঃ মাননীয় সদস্যৰ প্ৰশ্নটো স্পষ্ট নহয়। তথাপি কওঁ যে এনে ধৰণেৰে মাটি দিয়া লোকক উচ্ছেদ কৰা নহয়।

শ্ৰীজয়নাথ শৰ্ম্মাঃ মংগলদৈত অভাৰতীয় লোকক এম এন পি আচনিত মাটি দিছে। এই সম্পৰ্কত কি ব্যৱস্থা লোৱা হব ?

শ্ৰীথানেশ্বৰ বড়ো ঃ এই সম্পৰ্কত স্পষ্ট নটিচ পালে পৰীক্ষা কৰি চোৱা হব। তথাপি নীতি মতে বিদেশী লোকৰ নাম বাদ দিয়া হব !

শ্ৰীজয়নাথ শৰ্ম্মা ঃ এম এন পিত বিদেশী লোকক মাটি দিছে। এইটো স্পষ্টকৈ কব নোৱাৰিলেও নীতি মতে কি কৰে সেইটো কব লাগে। অভাৰতীয় যিসকল লোকক এম এন পিত মাটি দিছে সেই সকলৰ ক্ষেত্ৰত কি কৰিব সেইটো জানিব বিচাৰিছো।

শ্ৰীথানেশ্বৰ বড়ো ঃ তেখেতৰ পৰামৰ্শ মতেই আমি অনুসন্ধান কৰি চাম আৰু আইনমতে ব্যৱস্থা লম।

Dewan Jainal Abedin : Sir, I would like to know from the Hon'ble Minister whether the Government has got any plan or commitment to provide land to all the landless citizens of the State and my second question is whether in conducting evictions the Government is deliberately following a policy of discrimination on the basis of caste, commnity or language ?

শ্ৰীথানেশ্বৰ বড়ো : মাটি দিয়াৰ সম্পৰ্কত জাতি বা ভাষা বিবেচনা কৰা নহয়। মুঠতে ভাৰতীয় নাগৰিক হব লাগিব।

শ্ৰীঅতুল বৰা (মন্ত্ৰী) ঃ ৫ টাতকৈ বেচি প্ৰশ্ন কৰিব পাৰেনে ?

মাননীয় অধ্যক্ষ : বিষয়টো গুৰুত্বপূৰ্ণ বাবে বেচিৰ সুবিধা দিয়া হৈছে।

Dewan Jainal Abenin : Have you any plan to provide land to all the landless ?

শ্ৰীথানেশ্বৰ বৰো: চৰকাৰে এই ক্ষেত্ৰত চেষ্টা কৰিব। কিন্তু অসমত যিমান বিলাক মাটিহীন মানুহ আছে সেই গোটেই বিলাকক মাটি দিব পৰাটো টান। এইটো অকল অসমতেই নহয় কতো তেনে দৰে সকলোকে মাটি দিব পৰা নাই। কলিকতাত হাজাৰ হাজাৰ মানুহ ফুট পাথত আছে। তেওঁলোককো মাটি দিব পৰা নাই।

Mr. Speaker : The matter has been elaborately discussed. Now next question.

## বি ঃ আমোদ কৰ ৰেহাই

শ্ৰীফণীভূষণ চৌধুৰীয়ে সুধিছে :

*২২। মাননীয় বিত্ত মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে -

(ক) কিছুদিন আগতে অসমৰ ভ্ৰাম্যমান থিয়েটাৰ প্ৰযোজক সন্থাই আমোদ কৰ ৰেহাইৰ বাবে আবেদন জনাই মুখ্যমন্ত্ৰীৰ ওচৰত স্মাৰক পত্ৰ দিছে নেকি ?

(খ) যদি দিছে, এতিয়ালৈকে এই সংক্ৰান্তত কি ব্যৱস্থা হাতত লৈছে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

২২। (ক)—হয়।

(খ)—বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছে।

## বিঃ বিদ্যুতৰ নাটনি

শ্ৰীগোপীনাথ দাসে সুধিছে ঃ

*২৩। মাননীয় বিদ্যুৎ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) বৰ্ত্তমান অসমৰ প্ৰায়বোৰ অঞ্চলত বিদ্যুতৰ নাটনি হোৱাৰ কথাটো চৰকাৰে জানেনে ?

(খ) যদি জানে, ইয়াৰ প্ৰতিকাৰৰ বাবে কি কি ব্যৱস্থা হাতত লৈছে জনাবনে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (বিদ্যুৎ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে .

২৩। (ক)- হয়।

(খ)—জৰুৰীকালিন ব্যৱস্থা লৈ নামৰূপ তাপ বিদ্যুৎ কেন্দ্ৰৰ তিনিটা গোট মেৰামতি কৰাত অসমৰ বৈদ্যুতিক নাটনি কিছু পৰিমাণে দুৰ হৈছে। বঙাইগাওঁ গোট দুটাৰ মেৰামতিৰ কাম দ্ৰূত গতিত চলি আছে। তাৰোপৰি জুলাই মাহৰ শেষ ভাগত নতুনকৈ বঙাইগাৱৰ গোট এটা আৰু মধ্য আগষ্টত লাকুৱাৰ আন এটা নতুন গোট চলাবলৈ ব্যৱস্থা লোৱা হৈছে। ইয়াৰ লগে লগে অসমৰ বৈদ্যুতিক উৎপাদন যথেষ্ট উন্নত হব।

শ্ৰীগোপীনাথ দাস ঃ অসমৰ বিদ্যুতৰ নাটনি কিমান দিনৰ ভিতৰত নাইকীয়া হব ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা, (বিদ্যুৎ বিভাগৰ মন্ত্ৰী): এক কথাত এইটোৰ উত্তৰ দিব পৰা নহয়। তথাপি মই কৈছো যে বিদ্যুতৰ নাটনি খৰটকীয়া ভাবে নাইকীয়া কৰিবৰ কাৰণে চেষ্টা চলাই অহা হৈছে। মই নিজে কেইবাটাও প্ৰজেক্টলৈ গৈ চাই আহিছো আৰু ইয়াৰ উপৰিও একে মাহৰ ভিতৰতে মই তিনি বাৰ কেন্দ্ৰীয় চৰকাৰৰ শক্তি বিভাগৰ মন্ত্ৰীক লগ ধৰি এই সম্পৰ্কত আলোচনা কৰিছো। বংগাইগাওঁ প্ৰজেক্টৰ ৩টা ইউনিটৰ ভিতৰত এটাৰ পৰা শক্তি পাইছো। তেনে ধৰণেৰে চন্দ্ৰপুৰৰ পৰা ৩ মেগাৱত, লাকোৱাৰ পৰা ৩০ মেগাৱত আৰু নামৰূপৰ পৰা ১১১ মেগাৱত শক্তি পাইছো। আমাক মুঠতে ৪০৯ মেগাৱাত লাগে। তাৰে আমি ২৪১.৩৫ মেগাৱত পাইছো। আমি আশা কৰিছো যে ১৯৮৭ চনৰ মাৰ্চ মাহৰ পৰা আমি গোটেই অসমতেই নিয়মীয়া ভাবে বিজুলি যোগান ধৰিব পাৰিম।

শ্ৰীশান্তিৰঞ্জন দাসগুপ্ত: মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জনাবনে যে, ৪০৯ মেগাৱাট বিদ্যুত শক্তি উৎপাদন হ'লেই অসমৰ বিদ্যুত নাটনি দূৰ হৈ যাব ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (বিদ্যুত্ বিভাগৰ মন্ত্ৰী): অধ্যক্ষ মহোদয়, মই মাননীয় সদস্য গৰাকীৰ প্ৰশ্নৰ উত্তৰত কব খুজিছো যে, অসমৰ বিদ্যুত্ শক্তিৰ নাটনি সম্পূৰ্ণ দূৰ নহলেও কিছু লাঘব হব বুলি আশা কৰিব পাৰি। যিহেতুকে কলকাৰখানা আদি চলাবৰ কাৰণে বিদ্যুতৰ প্ৰয়োজন সেই গতিকে কলকাৰখানা বৃদ্ধিৰ লগে লগে বিদ্যুত্ শক্তিৰো অধিক পৰিমানে প্ৰয়োজন হব আৰু এই সকলো বোৰ কথা আমি ভালদৰে চিন্তা কৰিব লাগিব।

Shri Charan Narzary : Sir, it was published in the News Paper some time back that the supply of electricity will be stabilised by the month of June, which came in the Press and now Hon'ble Minister is saying that it is likely to be stabilised some time in the early part of 1987. How is this ? Hon'ble Minister has said just now that out of the three units at the Bongaigaon Thermal Power Station only one unit is functioning. What are the reasons for which the other two units are not functioning ? Will the Govern-

ment enquire into this matter because there are serious complaints that there are lots of anomalies or irregularities in the Thermal Power Station of Bongaigaon ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, মই মাননীয় সদস্য গৰাকীক ধন্যবাদ জনাইছো। এই ক্ষেত্ৰত মই নিজেই সকলো বোৰ কথা বুজিবৰ বাবে যত্ন কৰি আছো। যিহেতুকে আপোনালোকে জানে যে বঙ্গাইগাওঁ তাপ বিদ্যুত্ প্ৰকল্পটো ভেল এজেনচিয়ে চলাইছে, গতিকে মেচিন বেয়া হলে তেওঁলোকে ভাল কৰিব লাগে। আমাৰ ইঞ্জিনিয়াৰে ভাল কৰিবলৈ হলে অসুবিধা হয়। যিহে-তুকে এই মেচিন বোৰ ভেলৰ অধীনত চলি আছে গতিকে তেওঁলোকে নিশ্চয় মেচিনবোৰ ভাল কৰি দিব লাগে। কিন্তু সময় মতে কাম বোৰ হোৱা নাই। অৱশ্যে মেচিন বেয়া হলে ভাল কৰিবলৈ যঠেষ্ট সময়ৰ প্ৰয়োজন হয়। বৰ্ত্তমান তিনিটা মেচিন বেয়া হৈ আছে। ইতিমধ্যে মুখ্যমন্ত্ৰী আৰু মই নিজে কেন্দ্ৰীয় শক্তি মন্ত্ৰীৰ লগত আলোচনা কৰি তেল এক্সপাৰ্ট সকলক কাম কৰিবলৈ আহিবলৈ বিহিত ব্যৱস্থা লবলৈ দাবী জনাইছো। অসমত যাতে বিদ্যুত্ শক্তিৰ নাটনিৰ সৃষ্টি কৰা নহয় তাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰক বিহিত ব্যৱস্থা লবলৈ কেন্দ্ৰীয় শক্তি মন্ত্ৰীক দাবী জনাইছো ইতিমধ্যে কেন্দ্ৰীয় বিদ্যুত অথৰিটিৰ বিশেষজ্ঞ আহি আছে আৰু ভেলৰ ২২জন মানুহে কাম কৰি আছে। জুন মাহৰ যিটো এচু-ৰেঞ্চৰ কথা কোৱা হৈছে, সেইটো আচলতে টেকনিকেল ডিফেক্ট বুলি কব পাৰি। গতিকে এই পৰিপেক্ষিতত বিদ্যুত ব্যৱস্থাৰ উন্নতি হব বুলি মই কৈছো আৰু আশা কৰিছো।

Shri Charan Narzary ; Whether the Government is aware of the fact that damaged machineries have been brought from the place outside India and installed there? This is the reason for which the units are not working properly, and there was some under-hand financial dealing.

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এই মেচিন বিলাকৰ ক্ষেত্ৰত মই কব খুজিছো যে: যিহেতুকে এই মেচিন বিলাক বাহিৰৰ পৰা আনিছে গতিকে

সেই মেচিন বিলাক আমাৰ ইঞ্জিয়াৰ বিলাকে ভাল কৰিব নোৱাৰে কাৰণ সেই বিলাক আমাৰ ইঞ্জিনিয়াৰে তৈয়াৰ কৰা নাই। কিন্তু বেয়া হৈছে যেতিয়া মেচিন বিলাক ভাল কৰিব লাগিব। এই মেচিন কোনে কিনিছে তাৰ বাবে মই দায়বদ্ধ নহয়।

Shri Charan Narzary : Whether it is also a fact that one expert engineer was deputed by the Central Government to take over the administration of the BTPS and the gentleman also came there to take over the administration but after seeing the deplorable condition of the project he returned back.

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (বিদ্যুৎ বিভাগৰ মন্ত্ৰী) : অধ্যক্ষ মহোদয়, ইতিমধ্যে বিশেষজ্ঞসকল আহিছে আৰু কাম কৰি আছে। কেন্দ্ৰীয় চৰকাৰৰ শক্তি মন্ত্ৰীৰ লগত এই বিষয়ে আমি পৰামৰ্শ কৰিছো।

শ্ৰীজয়নাল আবেদিন : অধ্যক্ষ মহোদয়, এইটো এটা গুৰুত্বপূৰ্ণ অভিযোগ। চৰকাৰৰ বহুত টকা খৰচ কৰি বিদেশৰ পৰা মেচিন আনি বঙাইগাওঁ বিদ্যুত প্ৰকল্পত বেয়া হৈ পৰি আছে অচল অৱস্থাত। ইয়াৰ এটা অনুসন্ধান কৰি সত্যসত্যতাৰ উত্ঘাটন কৰিবৰ কাৰণে চৰকাৰে ব্যৱস্থা কৰিব নে? ইয়াৰ লগতে আৰু এটা কথা কওঁ যে, বৰ্ত্তমান অৱস্থাত যি দুটা ইউনিটৰ কাম কৰি থকা নাই সেইটো কেতিয়া সম্পূৰ্ণ হব বুলি ভাবে? আৰু লগতে যোগীঘোপা, পঞ্চৰতন বাটেৰে গোৱালপাৰাৰ দক্ষিন লৈ বিদ্যুত প্ৰকল্পৰ ব্যৱস্থা হৈ আছে সেইটো কেতিয়া সম্পূৰ্ণ হব বুলি চৰকাৰে ভাবে?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এই মেচিন বিলাকৰ বিষয়ে তদন্ত কৰিবলৈ কোৱা হৈছে। এই মেচিন বিলাক প্ৰথমৰ পৰাই বেয়া হৈ পৰি আছে আপোনালোকে নিজে জানে যে এই মেচিন বিলাক আমি কিনা নাছিলো। এতিয়া বেয়া হৈ আছে আৰু আমি ভাল কৰিবলৈ যত্ন কৰি আছো। এই ক্ষেত্ৰত জনাওঁ যে, ভাৰত হেভি ইলেকট্ৰিকেলৰ সকলো সদস্যকে মাতি আনিছো আৰু কেন্দ্ৰীয় চৰকাৰৰ মন্ত্ৰীৰ লগতো আলোচনা কৰিছো। আৰু এই বিষয়ে

ব্যৱস্থা লবলৈ কৈছো। যি হেতুকে এই সদনত আমাক উদ্দেশ্য কৰি কোৱা হৈছে, মই মন্ত্রী হিচাবে মাননীয় সদস্য গৰাকীক কব খোজো যে এই ক্ষেত্রত আমাৰ ফালৰ পৰা তদন্ত কৰা হব।

দেৱান জয়নাল আবেদীন: যোগীঘোপা পঞ্চৰত্ন ঘাটেৰে পাৰ কৰি কেতিয়া দক্ষিণ পাৰলৈ গোৱালপাৰা জিলাত বিদ্যুত যোগান ধৰিব পৰা হব সেইটো জনালে ভাল হয়।

শ্রীললিত চন্দ্র ৰাজখোৱা (বিদ্যুৎ বিভাগৰ মন্ত্রী): এই কমেশিনাৰি বিলাক কেতিয়াৈ ভাল হব সেইটো মই কব নোবাৰো। ভাল কৰিবৰ কাৰণে যিমান খিনি যত্ন কৰিব লাগে সেইটো কৰা হৈছে। ওৱানিংপৰ্য্যন্ত দিয়া হৈছে। তাৰ উপৰিও অসম আন্ধাৰত থাকিব নোৱাৰে বুলি কেন্দ্রীয় শক্তি দপ্তৰৰ মন্ত্রীৰ ওচৰত কৈছো আৰু সেইটোৰ ওপৰত ব্যৱস্থা লবলৈও কৈছো। ভেল কোম্পানীৰ পৰা দিয়া মেচিন বেয়া হৈছিল সেই বিলাক বেয়া হৈছে আৰু এতিয়া ভাল কৰিব লাগে। এতিয়া মানুহ পঠিয়াইছে মই নিজে বিশেষজ্ঞ নহওঁ কিন্তু বিশেষজ্ঞ লোক আহিছে যিমান সোনকালে পৰা হয় ভাল কৰিব।

দেৱান জয়নাল আবেদীন: এইটো কেতিয়াকৈ হব দক্ষিণ পাৰলৈ নিব পৰা?

শ্রীললিত চন্দ্র ৰাজখোৱা (বিদ্যুত বিভাগৰ মন্ত্রী): এইটো বেলেগ প্রশ্ন লাগিছিল কিন্তু মই মনত ৰাখিছো যিমান সোনকালে ভাল হয় কৰা হব।

শ্রীঅমৃতলাল বসুমতাৰী: মাননীয় অধ্যক্ষ মহোদয়, মন্ত্রী ডাঙৰীয়াই চেয়াৰম্যানক চাৰিবাৰ ধৰি সংশোধন কৰা নাই।

শ্রীললিত চন্দ্র ৰাজখোৱা (বিদ্যুত বিভাগৰ মন্ত্রী): ধন্যবাদ, এইটো কৰা হোৱা নাই।

## Re: Population Patten on Recruitment

Shri Maziruddin Ahmed asked:

*24. Will the Chief Minister be pleased to state—

(a) Whether the Government while recruiting persons in Government jobs and other Public Undertakings follow the principle of reflecting the population partern?

(b) If not, will the Government follow up this principle in recruiting on the population pattern District-wise and Province-wise ?

Shri Prafulla Kumar Mahanta (Chief Minister) replied :

24. (a)—Under the existing policy of the Government Subdivisional population pattern is to be reflected in all recruitments to the Gr. III and Gr. IV staff in all District and Subdivisional Level Offices under the State Government and in the State Government Undertakings.

(b)—Does not arise.

শ্ৰীমাজিবুদ্দিন আহমেদ : মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অফিচিয়েল পেৰ্টাৰ্ণ মতে সকলো বিলাক মহকুমাতে নিয়োগ কৰা হয় বুলি কৈছে কিন্তু এইটো যথাৰ্থতে কৰা হৈছে নে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) : অধ্যক্ষ মহোদয়, এইটো কৰিবলৈ দিয়া হৈছে আৰু তেখেত নিজেই বিধায়ক যেতিয়া এইটো নিজেই জানিব নিশ্চয়।

শ্ৰীমাজিবুদ্দিন আহমেদ : এইটো এৰাই যোৱা কথা কৈছে। আমি বিধায়ক হলেও চৰকাৰৰ ফালৰ পৰা যি কাগজ পত্ৰ চাৰ্কোলাৰ আদি জিলাৰ বিষয়া সকললৈ যায় সেই বিলাক আমি নাপাওঁ। চৰকাৰী বিষয়াসকলে বিধায়কৰ কথামতে কাম নকৰিব, চৰকাৰী চাৰ্কোলাৰ মতেহে কাম কৰিব। আৰু সেইটো চোৱাটো চৰকাৰৰহে বিধায়কৰ নহয়। আমাক চৰকাৰী চাৰ্কোলাৰ নেদেখুৱায়। চৰকাৰে প্ৰত্যেক কমিউনিটিৰ পৰা প্ৰত্যেক মহকুমাতে নিয়োগ যাতে সুব্যৱস্থা হয় আৰু প্ৰত্যেক ক্ষেত্ৰতে যাতে হুকুমনামা পঠিওৱা হয় আৰু হুকুমনামা নমনা লোকৰ প্ৰতি কি ধৰণৰ শাস্তি মূলক ব্যৱস্থা লৈছে নেকি ?

Shri Prafulla Kumar Mahanta (Chief Minister) : Mr. Speaker, Sir, in the year 1977 Govt. decided (Vide Circular No. AAP. 189/75/47, dt. 2.4.77 and No. AAP 189/75/48 dt. 2,4.77.) that it was necessary to rationalise appointments

in Government and Semi Govt. services and agencies in order to reflect the Sub-division-wise population pattern of various communities in each Subdivision. Accordingly, it was proposed that appointments in Gr. III and Gr. IV posts in the establishments under the control of the Deputy Commissioners and Heads of Departments upto the District level offices shall, by and large reflects the population pattern of the various Communities in the Sub-divisions. The D. Cs/ S.D.Os and the Heads of Deptts. (except I.G., Police) were also instructed to ensure that the population pattern is suitably reflected to the extent practicable and within the framwork of prescribed recruitment rules and procedures. It also stressed that whenever examination and tests are held for recruitment to any category of posts, prescribed minimun qualifications and standards should be maintained. Candidates possessing minimum qualifications and achieving such minimum standards, as are prescribed, should be given due weightage in terms of the Subdivisional population ratio of the respective communities. "Community" for the purpose of implementation of the instructions, it as indicated, shall mean specific significant population groups including backward classes listed as such.

In April, 1980, examination of the modalities for implementation of the policy regarding the reflection of Subdivision wise population pattern was taken up by the Govt. and pending issue of detailed guidelines, instructions issued in the year 1977 were stayed. Thereafter, in May, 1982. all concerned were informed to comply with the

instructions contained in the circular of 1977 so that the population pattern of various Subdivisions are reflected in the Govt. and Semi-Government services and agencies in proportion to their population to envisage the appointment of local candidates of various communities as emphasised in the Govt. circulars No. AAR. 189/75/47. dt. 2,4.77. and No. AAP. 189/75/48 dt. 2.4.77.

However, Govt. is now examining the matter further as there has cropped up certain difficulties in identifying the different communities and finding out the exact ratio of various communities in each Subdivision.

শ্ৰীমাজিবুদ্দিন আহমেদ : যি বিলাক চাৰ্কোলাৰ দিয়া হৈছে যদি কোনো অফিচাৰে নামানে তেনেহলে কোনো শাস্তিমূলক ব্যৱস্থাৰ বিধান আছে নেকি ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) : এই ক্ষেত্ৰত নিৰ্দ্দিষ্ট অভিযোগ দিলে আমি চাম।

Shri Altaf Hossain Majumder : Sir, thanks to the Hon'ble Chief Minister that he has reiterated the Govt. policy which was enunciated in this Assembly in 1977. But I would like to draw the attention of the Hon'ble Chief Minister that the provisions of the circular are not strickly followed in different Districts of the State. Sir, even in my own District it is not followed. When we asked the D.C. about the implementation of the provision of the circular, then he said that he did not receive any instruction in this respect. In view of this, may I request the Hon'ble Chief Minister to issue fresh instructions to the District officials directing them to follow the provisions of circular strictly ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) : এইটো অসুবিধা নহব।

শ্ৰীজয়নাথ শৰ্ম্মা : অধ্যক্ষ মহোদয়, এতিয়ালৈকে চাকৰিৰ ক্ষেত্ৰত যিবিলাক জনসংখ্যা হাৰৰ কথা ভবা হৈছে সেইটো নাভাবি ধনী আৰু দুখীয়া এইটো ভাবিব লাগে। যিসকল দৰিদ্ৰতাৰ সীমাৰেখাৰ তলত আছে আৰু যাৰ ঘৰত চাকৰিয়াল নাই আৰু বিগত আঠত্ৰিশ বছৰে কোনো চৰকাৰ পক্ষক তোষামোদ কৰি চাকৰি লব পৰা নাই সেই ধৰণে ধনী আৰু দুখীয়াৰ তুলনামূলক নীতি প্ৰস্তুত কৰি দুখীয়া সকলক নিয়োগ কৰাৰ ব্যৱস্থা চৰকাৰে কৰিব নে ?

মাননীয় অধ্যক্ষ : এইটো সুকীয়া কৈ প্ৰশ্নৰ দৰকাৰ হব।

Shri Charan Narzary : Sir, I want to know specifically from the Chief Minister as to why this has not been implemented in the case of the Scheduled Castes and Scheduled Tribes. I want to know personally from the Government why this provision has been flouted by different departmental authorities. Whether the Government will take immediate and effective steps for implementation of the provisions of the Scheduled Caste and Seheduled Tribes Act ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত : এই সম্পৰ্কত বিভাগ সমূহে ব্যৱস্থা লব।

## Re : Declaration of Martyr

Shri Abdul Jabbar asked :

*25 Will the Minister, Relief and Rehabilition be pleased to state—

(a) The criteria to declare a person Martyr ?

(b) Whether Muzammil Haque and Anil Bora's nearest Kith and Kin were granted ex-gratia of Rs. 30,000/ but the same was denied to Omar Ali's family who were declared Martyr as that of Muzamm l Haque of Darrang District and Anil Bora of Nagaon District ?

(c) If so, the reasons thereof ?

Shri Thaneswar Boro (Minister Relief & Rehabilitation) replied :

25. (a)—A Martyr is a person who sacrificed, sufferred or died for the cause and the principles of the Assam Movement ending on 15th August 1985 with the Assam Accord.

(b)—Smit. Jaira Khatun wife of Martyr Omar Ali, P.O. & Vill. Jangulpara, Darrang has already been sanctioned Rs. 30,000/-as ex-gratia grant as was granted to the next of Kin of Martyr Muzammil Haque of Darrang District and Anil Bora of Nagaon District.

(c)—Does not arise.

Shri Abdul Jabar : Sir, May I know from the hon. Minister that persons killed in 1983 will also be regarded as Martyr ? and whether reliefs to these people have also been given ?

Mr. Speaker : It requires a separate question.

Shri Charan Narzary : Sir, to how many martyrs such grants have been sanctioned ?

Shri Thaneswar Boro, Minister, Revenue : Sir, as per decision of Government an amount of Rs. 2 crores 3 lakhs and 40 thousands have been sanctioned to a total of 678 martyrs.

Shri Ardhendu Kr. Dey : Sir, may I know from the hon. Minister that in his recent visit to Cachar he has announced some ex-gratia grants as martyrs to those killed in Haila-

kandi some years back who had no connection with the Assam movement ?

Shri Altaf Hussain Mazumdar : Yes Sir, Government has announced the sanction of ex-gratia grants of Rs. 30,000/- to those who have been killed in 1961 as martyrs and who had no connection with the Assam movement. They were rank and pure criminals who were looting and setting fire to houses and were killed in police firing. We would like to draw the attention of Government why these persons were also called as swahids.

Mr. Speaker : The Question has no relevency with this. So a separate question is required for this.

Shri Thaneswar Boro. (Minister, Revenue) : Sir, an ex-gratia grant has been sanctioned to the next of kins of the deceased.

Shri Altaf Hussain Mazumdar : Sir, under what category they have been called wahids and sanctioned Rs. 30,000/- ? They had no connection with Assam movement.

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা : কিমিনেল বুলি যে কৈছে ক্ৰিমিনেল বুলি প্ৰমাণিত হৈছে নেকি ?

শ্ৰীজয়নাথ শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, অধ্যক্ষ মহোদয়ে ৰুলিং দিয়াৰ পাছতো মাননীয় সদস্য সকলে অধ্যক্ষৰ ৰুলিংক অৱমাননা কৰিছে। গতিকে যি সকল সদস্যই অধ্যক্ষৰ ৰুলিংক অৱমাননা কৰিছে তেওঁলোকক এঘণ্টাৰ কাৰণে হলেও এই সদনৰ পৰা বহিস্কাৰ কৰিব লাগে। তেখেত সকলক এঘণ্টাৰ কাৰণে হলেও শাস্তিমূলক ব্যৱস্থা লব লাগে।

**বিঃ উত্তৰ শালমৰাৰ ক্ষতিগ্ৰস্ত পৰিয়াল**

শ্ৰীৰত্নেশ্বৰ সৰকাৰে সুধিছে :

*২৬। মাননীয় পুনঃ সংস্থাপন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ১৯৮৩ চনত ঘটা হিংসাত্মক ঘটনাত উত্তৰ শালমৰা মহকুমাত কিমান পৰিয়াল ক্ষতিগ্ৰস্ত হয় জনাবনে ?

(খ) ইয়াৰ প্ৰতিটো পৰিয়ালে আগৰ চৰকাৰে ধাৰ্য্য কৰা মতে দুহেজাৰ টকা আৰু তিনি বাণ্ডিলকৈ টিনপাত পাইছেনে ?

(গ) ইয়াৰ উপৰিও প্ৰতিটো কৃষিজীৱি পৰিয়ালে গৰু কিনাৰ বাবে আৰ্থিক অনুদান আৰু ব্যৱসায়ী ব্যক্তিয়ে ব্যৱসায় বাণিজ্যৰ বাবে ক্ষতিপুৰণ পাইছেনে ?

(ঘ) যদি পোৱা নাই তেন্তে তাৰ কাৰণ কি ?

শ্ৰীথানেশ্বৰ বড়ো : (পুনঃ সংস্থাপন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

২৬। (ক)—১৯৮৩ চনত ঘটা হিংসাত্মক ঘটনাত উত্তৰ শালমৰা মহকুমাত ২১৮৯ টা পৰিয়াল সম্পুৰ্ণ ভাৱে আৰু ২৫৬ টা পৰিয়াল আংশিক ভাৱে ক্ষতিগ্ৰস্থ হয়।

(খ)—২১৮৯ টা সম্পূৰ্ণভাৱে ক্ষতি হোৱা পৰিয়ালৰ ভিতৰত ২,০৬৪ টা পৰিয়ালক চৰকাৰৰ নিৰিখ অনুসৰি দুহেজাৰ টকা আৰু তিনিবাণ্ডিলকৈ টিনপাত দিয়া হৈছে। বাকী ১২৫ টা পৰিয়ালক দুহেজাৰ টকাকৈ দিয়া হৈছে। আৰু তিনি বাণ্ডিলকৈ টিনপাত দিবপৰা নাই সেই বিষয়ে চৰকাৰে বিবেচনা কৰি আছে। ২৫৬ টা আংশিকভাৱে ক্ষতিগ্ৰস্ত হোৱা পৰিয়ালক ২৫০০·০০ টকাকৈ মঞ্জুৰী দিয়া হৈছে।

(গ)—হয়, পাইছে।

(ঘ)—প্ৰশ্ন নুঠে।

শ্ৰীৰত্নেশ্বৰ সৰকাৰ : এই ১২৫ টা পৰিয়ালে কেতিয়া টিনপাত পাব মন্ত্ৰী মহোদয়ে সময় দিব পাৰিবনে ?

শ্ৰীথানেশ্বৰ বড়ো (ৰাজহ মন্ত্ৰী) : নিৰ্দ্দিষ্ট সময় দিয়া সম্ভৱ নহয়। তেখেত সকলৰ যিখিনি প্ৰাপ্য সেইখিনি দিবলৈ চেষ্টা কৰি থকা হৈছে। তেখেত সকলক ৩ বান্দিল টিন দিব কিয় পৰা নাই তাৰ কাৰণ হৈছে ভাৰত চৰকাৰৰ নিৰিখ হল এক বাণ্ডিল টিনৰ দাম এহেজাৰ টকা কিন্তু যি সময়ত তেওঁলোকক টিনপাত দিবলগীয়া হল তেতিয়া এক বান্দিল টিনপাতৰ দাম এহেজাৰতকৈ বেছি হ'ল।

গতিকে তেওঁলোকক ৩ বান্দিল টিনপাত দিয়া হবনে নে মুল্য দিয়া হব তাকে বিবেচনা কৰি থকা হৈছে।

শ্ৰীজয়নাথ শৰ্ম্মা ঃ ১৯৮৩ চনৰ পৰা হিংসাত্মক ঘটনাত যি সকল খিলঞ্জীয়া অসমীয়া লোক ক্ষতিগ্ৰস্ত তেওঁলোকক সাহাৰ্য্য নিদি যিসকল সন্দেহযুক্ত নাগৰিক তেওঁলোকক বেছি সাহায্য দিয়া হৈছে। গতিকে অসমীয়া খিলঞ্জীয়া লোকক ক্ষতি-পূৰণ দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীথানেশ্বৰ বড়ো (ৰাজহ মন্ত্ৰী) ঃ এইটো এটা বেলেগ প্ৰশ্ন হব। দিটেইলচ প্ৰয়োজন হব।

শ্ৰীজয়নাথ শৰ্ম্মা ঃ কিমান খিলঞ্জীয়ালোকক ক্ষতিপূৰণ দিয়া হল তাৰ হিচাব মন্ত্ৰী মহোদয়ে দিবনে ?

শ্ৰীথানেশ্বৰ বড়ো (ৰাজহ মন্ত্ৰী) ঃ নিশ্চয় অনুসন্ধান কৰা হব।

শ্ৰীৰত্নেশ্বৰ সৰকাৰ ঃ অধ্যক্ষ মহোদয়, বহুতো কৃষিজীৱি ক্ষতিগ্ৰস্ত মানুহে ব্যৱসায় আদি কৰাৰ কাৰনেও আৰ্থিক সাহায্য বিচাৰিও পোৱা নাই, এই বিষয়ে মন্ত্ৰী মহোদয়ে অনুসন্ধান কৰি চাবনে ?

শ্ৰীথানেশ্বৰ বড়ো (ৰাজহ মন্ত্ৰী) ঃ মাননীয় সদস্যজনৰ প্ৰশ্নৰ উত্তৰত কওঁ যে এই বিষয়ে অনুসন্ধান কৰিব পৰা যাব। কিন্তু বহুতো মানুহক ইতিমধ্যে হালৰ গৰু বা অন্যান্য কৃষি সম্পৰ্কীয় আৰ্থিক সাহায্য দিয়া হৈছে।

শ্ৰীআব্দুল জব্বৰ ঃ অধ্যক্ষ মহোদয়, ১৯৮৩ চনত যিবিলাক মানুহে 'এক্স গ্ৰেটিয়া পালে তেওঁলোকৰ নাম নিশ্চয় চৰকাৰৰ ওচৰত আছে। তেওঁলোক আচলতে খিলঞ্জীয়া নে বিদেশী সেইটো চৰকাৰে অনুসন্ধান কৰি চাব পাৰে দেখোন। কিন্তু অনুসন্ধান নকৰাকৈ সেই সকলক কিয় বিদেশী বুলি কোৱা হৈছে তাৰ এটা বিচাৰ হব লাগে আজিৰ এই সদনতে।

শ্ৰীজয়নাথ শৰ্ম্মা ঃ অধ্যক্ষ মহোদয়, যিসকলে ক্ষতিপূৰণ সেই সময়ত পালে তেওঁ-লোকৰ বিষয়ে চৰকাৰে তদন্ত কৰিব লাগে।

শ্ৰীঅতুল চন্দ্ৰ বৰা (গড়কাপ্তানী মন্ত্ৰী) ঃ যি সকল আন্দোলনৰ সমৰ্থক আছিল তেওঁলোককহে আমি শ্বহীদ কৰিছো বাকী আন্দোলনৰ বিৰোধীতা কৰা সকলক আমি শ্বহীদ বুলি নধৰো।

শ্ৰীথানেশ্বৰ বড়ো (ৰাজহ মন্ত্ৰী ঃ  অধ্যক্ষ মহোদয়, প্ৰশ্নটোৰ সম্পৰ্কত কওঁ যে এই বিষয়ে অনুসন্ধান চলোৱা হব লগতে মই আৰু এটা কথা কওঁ যে বহু খিলঞ্জীয়া ক্ষতিগ্ৰস্ত লোকে আজিও সাহায্য পোৱা নাই, সেই বিষয়েও অনুসন্ধান চলোৱা হব।

শ্ৰীছহিতুল ইছলাম ঃ  অধ্যক্ষ মহোদয়, সেই সময়ত নেলী লাহৰী ঘাট আদি ঠাইত যি বোৰ হত্যা কাণ্ড হৈ গল তাতো বহু মানুহে সাহায্য আদি একো পোৱা নাই। এতিয়াও চৰকাৰে এই ক্ষেত্ৰত সাহার্য্য আদিৰ ব্যৱস্থা কৰিব নেকি ?

শ্ৰীথানেশ্বৰ বড়ো (ৰাজহ মন্ত্ৰী) ঃ  অধ্যক্ষ মহোদয়, এই সম্পৰ্কত মই আগতেই উত্তৰ দিছো।

## বিঃ মন্ত্ৰীৰ ভাৰা ঘৰ

শ্ৰীজয়নাথ শৰ্ম্মাই সুধিছে ঃ

*২৭। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ১৯৮৩ চনৰ পৰা ১৯৮৫ চনৰ ভিতৰত অসম চৰকাৰৰ কোনোবা মন্ত্ৰী ভাৰা ঘৰত আছিলনেকি ?

(তেনে মন্ত্ৰী সকলৰ নাম জনাব)

(খ) যদি আছিল, তেন্তে ভাৰাৰ বাবদ চৰকাৰে মুঠতে কিমান টকা ব্যয় কৰিছে ?

(গ) উক্ত সময়ত প্ৰাক্তন মন্ত্ৰী আনোৱাৰা টাইমুৰৰ বাস ভৱনৰ বাবে ভাৰাৰ নিৰিখ বিধি সন্মত ভাবে নিৰ্ণয় কৰা হৈছিলনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে :

২৭। (ক)—কেৱল প্ৰাক্তন মন্ত্ৰী শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰহে ১৯৮৩ চনৰ পৰা ১৯৮৫ চনৰ ভিতৰত ভাৰা ঘৰত আছিল।

(খ)—ভাৰাৰ বাবদ চৰকাৰে মুঠতে ৭৬,২৯০.৩২ পইচা ব্যয় কৰিছে।

(গ)—বিধি সন্মত ভাবে নিৰ্ণয় কৰা হৈছিল।

## বি ঃ উচ্ছেদ হোৱা লোকক মাটি বিতৰণ

শ্ৰীমকবুল হুছেইনে সুধিছে ঃ

*২৮। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) খাচ গোমাঠ ইত্যাদিৰ পৰা উচ্ছেদ হোৱা ভূমিহীন ভাৰতীয় নাগৰিক সকলক এম, এন, পি আঁচনি মতে মাটি দিয়াৰ অগ্ৰাধিকাৰ দিয়া হব নে ?

(খ) যদি দিয়া হয়, তেন্তে উক্ত বিষয় সম্পৰ্কত বিহিত ব্যৱস্থা লোৱাৰ বাবে স্থানীয় ডি, চি বা এচ, ডি, অক জনাই দিয়া হৈছেনে ?

(গ) নাইবা উক্ত উচ্ছেদ হোৱা ভূমিহীন লোক সকলৰ তৎকালীন পুনৰ সংস্থাপনৰ বাবে কিবা বিকল্প ব্যৱস্থা হাতত লৈছেনে ?

শ্ৰীথানেশ্বৰ বড়ো (ৰাজহমন্ত্ৰী) য়ে উত্তৰ দিছে :

২৮। (ক)— নিম্নতম চাহিদা আঁচনিৰ অন্তৰ্গত তেনে কোনো ব্যৱস্থা নাই ।

(খ)—প্ৰশ্ন নুঠে।

(গ)—প্ৰশ্ন নুঠে ।

শ্ৰীমকবুল হুছেইন : অধ্যক্ষ মহোদয়, আমি জানিব পৰা মতে এম, এন, পিৰ স্কীম মতে ভূমিহীন মানুহক মাটি দিয়া হয় । কিন্তু যি সকল প্ৰকৃত ভাৰতীয় নাগৰিক আৰু প্ৰকৃততে তেওঁলোক ভূমিহীন তেওঁলোকক কিন্তু একো সাহাৰ্য্য আদি দিয়া হোৱা নাই। চৰকাৰৰ যিহেতু আঁচনি আছেই সেই দৰেই উচ্ছেদ কৰা মানুহ বিলাকক আৰ্থিক সাহাৰ্য্য আদি দিলে তেওঁলোকে নিজা নিজা ভাৱে ব্যৱস্থা কৰি লব পাৰে। জিলাৰ উপায়ুক্ত, এচ, দি অ' আদিয়ে এম, এন, পি স্কীম মতে মানুহক মাটি দিবলৈ অস্বীকাৰ কৰিছে, এই বিষয়ে কি ব্যৱস্থা লব মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীথানেশ্বৰ বড়ো (ৰাজহ মন্ত্ৰী) : অধ্যক্ষ মহোদয়, মই আগতেই কৈছোঁ যে যি সকল বেদখলকাৰী তেওঁলোকৰ কথা বিবেচনা কৰা নহয়। কিন্তু যি বিলাক মানুহে ভূমিহীন বুলি দৰ্খাস্ত আদি কৰাৰ পিচত জিলাৰ উপায়ুক্ত আৰু মহকুমাধিপতিয়ে অনুসন্ধান কৰি চাই প্ৰকৃত মাটিহীন বুলি বিবেচনা কৰে তেনে হলে তেনে মানুহক মাটি দিয়াৰ ব্যৱস্থা কৰা হয়।

শ্ৰীমকবুল হুচেইন : অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত জিলাৰ উপায়ুক্ত আৰু মহকুমাধিপতি আদিলৈ কিবা জাননী আদি দিয়া হৈছে নেকি ?

শ্ৰীথানেশ্বৰ বড়ো (ৰাজহ মন্ত্ৰী) ঃ এই ক্ষেত্ৰত ষ্টেংডিং নিৰ্দ্দেশ আছেই।

শ্ৰীজয়নাথ শৰ্ম্মা ঃ অধ্যক্ষ মহোদয়, ভূমিহীনৰ নামত বাস্তৱিক ক্ষেত্ৰত এটা অসুবিধা দেখা যায়। যিসকলক ভূমিহীন বুলি কোৱা হয় আচলতে আমাৰ অসমীয়া মানুহৰ ১কঠা বা দুকঠা হলেও মাটি নিজাকৈ থাকে কিন্তু একেবাৰে এক-ঠাও মাটি নোহোৱা মানুহখিনি আচলতে ইয়াৰ মানুহ নহয় তেওঁলোকেই বাংলা-দেশী। গতিকেই একঠা মাটি থকাৰ কাৰনেই অসমীয়া মানুহক মাটিহীনৰ লিষ্টত ধৰা নহব নেকি ? এই ক্ষেত্ৰত অসম চৰকাৰে অসমীয়া খিলঞ্জীয়া মানুহৰ কৃষিৰ কাৰণে মাটি দিয়াৰ কিবা ব্যৱস্থা কৰিব নে ?

শ্ৰীথানেশ্বৰ বড়ো (ৰাজহ মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এই সম্পৰ্কত অনুসন্ধান চলাম আৰু আগতেই কৈছোঁ যে মাননীয় সদস্য সকলে নিজৰ এলেকাত তেনে ধৰণৰ আপত্তি থাকিলে তথ্যসহ চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলে চৰকাৰে নিশ্চয় ব্যৱস্থা লব।

## Re : Industrial Policy

Shri Abdul Muqtadir Choudhury asked :

*29 Will the Minister, Industries be pleased to state—

The Industrial Policy of the new Government ?

Shri Digen Chandra Bora (Minister, Industries) replied :

29.—The matter is under process and steps are being taken for announcing a new Industrial Policy ?

## Re : Measures for rooting out corruption

Shri Ramendra Dey asked :

*30. Will the Chief Minister be pleased to state—

(a) The concrete measures taken by the Government to root out corruption in the State ?

(b) Are there any agencies to run the Job ?

Shri Prafulla Kumar Mahanta (Chief Minister) replied :

30. (a)—Government have, of late, decided to strengthen and restructure its existing vigilance machineries to tackle and to root out corruption more effectively than ever in all spheres of Administration in the State, Besides, a legislation has been enacted in 1985 to set up institutions of Lokayukta & Up-Lokayuktas in the State to enquire into the grievances and allegations against Minister, Legislators and other Public Servants. The Legislation is now awaiting the assent of the President of India.

(b)—Yes, the agencies are the following :

(i) Directorate General of Vigilance & Anti-Corruption. Assam.

(2) Directorate of Bureau of Investigation (Economic Offences), Assam.

(3) Chief Minister's Special Vigilance Cell.

Re : Survey in Assam-Bangladesh Border

Shri Muktar Hussain asked :

*31 Will the Chief Minister be pleased to state—

(a) Whether the survey work for construction of a road in Assam-Bangladesh Border has been started ?

(b) If so, from when and from what point it has been started ?

(c) What amount would be required to complete the construction of the road ?

(d) Whether the entire amount would be borne by the Central Government ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

৩১। (ক) আৰু (খ)—ইংৰাজী ২০-৫-৮৬ তাৰিখে কুকুৰমৰাৰ পৰা সদৰ-টিলালৈ আৰু ২৩-৫-৮৬ তাৰিখে ৰাম-ৰাই কুটীৰৰ পৰা বিনাচৰৰ ভিতৰত জৰীপৰ কাম আৰম্ভ হৈছিল।

(গ)—এই পথ নিৰ্ম্মাণত কিমান টকা লাগিব সেইটো প্ৰকল্প প্ৰস্তুত কৰাৰ পিচত হে জনা হব।

(ঘ)—হয় ;

Re : B. G. Rail Line

Shri Ramendra Dey asked :

*32. Will the Minister, Transport be plased to state—

(a) Whether the Government has made any recommendation to the Government of India to extend B.G. Rail line upto Tinsukia via Lumding ?

(b) If so, whether Government is aware of any measure taken by the Government of India in this regard ?

Shri Lalit Chandra Rajkhowa (Minister, Transport) replied :

32. (a)—Yes.

(b)—The N. F. Railway has-submitted the survey report to the Government of India very recently.

Re : Adulteration in Cement

Shri Maziruddin Ahmed asked :

*33. Will the Minister, Supply be pleased to state—

(a) Is the Government aware that large scale adulteration in cement is going on at Jogighopa Godown ?

(b) If so, the steps taken to stop such adulteration and to punish the culprits ?

(c) If not, will the Government take immediate steps in this matter ?

Shri Biraj Kumar Sarma (Minister, Food & Civil Supplies) replied :

33. (a)– Government have not received any report or complaint about adulteration of cement in the Cement Godown at Jogighopa.

(b)—Does not arise.

(c)– Does not arise.

## বিঃ কোকৰাঝাৰত মহকুমা

শ্ৰীমকবুল হুচেইনে সুধিছে :

*৩৪। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) কোকৰাঝাৰ জিলাত দ্বিতীয় আৰু এখন মহকুমা হবনে ?

(খ) যদি হয়, ক'ত হব জনাবনে ?

(গ) উক্ত দ্বিতীয় মহকুমা কোকৰাঝাৰ জিলাৰ বিজনীত হবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

৩৪। (ক)– কোকৰাঝাৰ জিলাৰ বিজনীত এটা মহকুমা স্থাপনৰ দাবী জনাই ৰাইজৰ পৰা কিছুমান আবেদন পোৱা হৈছে। সেই আবেদন সমূহৰ ওপৰত কোকৰাঝাৰ জিলাৰ উপায়ুক্তৰ পৰা প্ৰতিবেদন বিচৰা হৈছে ।

(খ) আৰু (গ)—ওপৰৰ 'ক' প্ৰশ্নৰ উত্তৰৰ পৰিপ্ৰেক্ষিতত প্ৰশ্ন নুঠে ।

## বিঃ এম এন পি আঁচনিত মাটি বিতৰণ

শ্ৰীগোপীনাথ দাসে সুধিছে :

*৩৫। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

নগৰবেৰা চক্ৰত ১৯৮৫-৮৬ চনত কিমানজন ব্যক্তিক এম, এন, পি আঁচনিৰ জৰিয়তে মাটি দিয়া হৈছে ?

শ্ৰীথানেশ্বৰ বড়ো (ৰাজহ মন্ত্ৰী) য়ে উত্তৰ দিছে :

৩৫।—নিম্নতম চাহিদাৰ আঁচনিৰ জৰিয়তে ৪৫টা পৰিয়ালক মাটি বিতৰণৰ বাবে ব্যৱস্থা লোৱা হৈছে।

## Re : Advertisement for Post of L.D.A.

Shri Muktar Hussain asked :

*36. Will the Chief Minister be pleased to state—

(a) Whether it is a fact that an advertisement was issued by the Department of Personnel Sectt. Administration (Establishment) inviting applications for a few posts of LDA for Assam Secretariate and last date of submission of application was fixed on 30th June 1986 ?

(b) If so, how many Applications have been received by D/Cs and S.D.Os within the date ?

(Please furnish the number district and Sub-division-wise).

(c) Whether it is also a fact in same advertisement the applicants were asked to appear in written test to be held afterwards ?

Shri Prafulla Kumar Mahanta (Chief Minister) replied :

36. (a)—Yes.

(b)—Applications were not received by Deputy Commissioners and Subdivisional Officers but the same were received by the Deputy Secretary to the Government of Assam Department of Personnel (SAE, and the district-wise number of applications are as under—

| | | |
|---|---|---|
| (1) Dibrugarh | ... | 563 |
| (2) Lakhimpur | .... | 280 |
| (3) Sibsagar | .... | 672 |
| (4) Jorhat | .... | 1118 |
| (5) Sonitpur | ... | 477 |
| (6) Nagaon | .... | 1165 |
| (7) Darrang | .... | 582 |
| (.) Kamrup | .... | 2413 |
| (9) Nalbari | .... | 1453 |
| (10) Barpeta | .... | 1358 |
| (11) Goalpara | .... | 231 |
| (12) Kokrajhar | ... | 138 |
| (13) Dhubri | ... | 254 |
| (14) Cachar | ... | 166 |
| (15) Karimganj | .... | 108 |
| (16) N, C. Hills | .... | 2 |
| (17) Pragjyotishpur | | 13 |
| (18) Karbianglong | | 25 |
| | Total— | 11,018 |

(c Yes.

## বিঃ কৰিমগঞ্জ জিলাৰ বাকী থকা খাজনা

শ্ৰীৰমেন্দ্ৰ দেই সুধিছে ঃ

*৩৭। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) করিমগঞ্জ জিলার ২২ বছরের জমির খাজনা বরুরা থাকার কারণ কি ?

(খ) এ বকারা খাজনা আদায়ের জন্য সরকরি ক্রোক জারী করেছেন কি ?

(গ) যাদের নামে ক্রোকী নোটিশ করা হয়েছে তাদের বিরুদ্ধে ক্রোক জারী করা হয়েছে কি ?

শ্ৰীথানেশ্বৰ বড়ো (ৰাজহমন্ত্ৰী) য়ে উত্তৰ দিছে :

৩৭। (ক)—এইটো সত্য যে কৰিমগঞ্জত জমিদাৰী অধিগ্ৰহণ কৰাৰ পিছত তেনে অধিগৃহীত জমিদাৰী মাটিৰ খাজনা বকায়া পৰেও শ্ৰীহট্ট ৰায়তী স্বত্ব আইন অনুযায়ী ৰায়ত সকলৰ বাবে যাবতীয় ভূমি স্বত্ব অভিমুট তৈয়াৰ কৰোতে পলম হোৱাই ইয়াৰ কাৰণ।

(খ)—হয়। স্থানীয় জিলা প্ৰশাসকে খাজনা তোলা সংক্ৰান্তত লব লগা সকলো ব্যৱস্থা গ্ৰহণ কৰে। স্বইচ্ছাই খাজনা নিদিলে ক্ৰোকী পৰোৱানা আদি জাৰি কৰি ৰাজহ তোলাৰ ব্যৱস্থা হাতত লোৱা হয়।

(গ)—বকায়া খাজনা দিবলৈ থকা লোক সকলৰ খাজনা পৰিশোধ কৰাৰ সুবিধাৰ বাবে তিনিটা সমান কিস্তিত খাজানা পৰিশোধ কৰাৰ সুবিধা দিয়া হৈছে। এই সুবিধা গ্ৰহণ কৰি বাকী খাজানা নিদিলে ক্ৰোকী পৰোৱানা জাৰি কৰা হয়।

### Re : Arrangement for river eroded people

Shri Maziruddin Ahmed asked :

*38 Will the Minister, Revenue be pleased to state—

What alternative arrangements have been made to rehabilitate the landless and river eroded people served with notices for eviction ?

Shri Thaneswar Boro (Minister, Revenue) replied :

38. No alternative arrangement for rehabilitation of encroachars has been made. The D. Cs and S.D.Os have been instructed to allot homestead land to genuine landless and river eroded people.

### Re : Char Survey

Shri Maziruddin Ahmed asked :

*39. Will the Minister, Revenue be pleased to state--

(a) The purpose for which the Char areas are being surveyed ?

(b) Whether Khas lands found in possession of individuals will be regularised by giving them settlement ?

Shri Thaneswar Boro (Minister, Revenue) replied :

39. (a)--It is the duty of Revenue Department to survey all land of the state for purpose of classification, assessment and to collect agricultural statistics, With these objectives in view, Government is contemplating to survey the Char areas.

(b)--There is no such decision at present.

### Re : Land acquired under Fixation of Ceiling on Land Holdings Act

Shri Ramendra De asked :

*40 Will the Minister, Revenue be pleased to state ?

(a) How many bighas of land have been acquired in Assam till December, 1985 udder the Assam Fixation of Ceiling on Land Holdings Act. 1972 ?

(b) How many bighas of land acquired in Karimganj District ?

(c) How many land acquired in Bodorpur Circle ?

Shri Thaneswar Boro (Minister, Revenue) replied :

40 (a)--17,77,951 bighas.

(b)--1,17,625 bighas.

(c)--11,630 bighas.

## No-CONFIDENCE MOTION

মাননীয় অধ্যক্ষ : মই আজি অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ১৩৩ নং নিয়ম অনুসৰি এটা অনাস্থা প্ৰস্তাৱৰ জাননী পাইছো এই বুলি This house of Confidence in the Ministry headed by Shri Prafulla Kumar Mahanta. এতিয়া মাননীয় সদস্য শ্ৰীআব্দুল মুহিব মজুমদাৰে অনাস্থা প্ৰস্তাৱটো ম'ভ কৰিব ।

Shri Abdul Muhib Mazumdar : Mr. Speaker Sir, as I rise to move the motion of no confidence there is some uneasiness. The question is why I want to move this no-confidence motion ? I want to move this motion of No-confidence in the House as per rule and procedure of the House. This is neither a reflection nor a criticism nor any kind of aspersion on the Govt. This is the only procedure prescribed by constitution for ventilating grievances of the members. Therefore, Sir, I beg to move that this House do discuss a motion of No-confidence in the Ministry headed by Shri Prafulla Kumar Mahanta."

Shri Santi Ranjan Das Gupta : Sir, I beg to support the motion of No-confidence moved by Hon'ble member Abdul Mohib Mazumdar.

Mr. Speaker : The Motion is that this House expressed want of confidence against the Ministry headed by Shri Prafulla Kumar Mahanta.

এই অনাস্থা প্ৰস্তাৱৰ প্ৰতি যি সকল মাননীয় সদস্যৰ সমৰ্থন আছে তেখেতসকল ঠিয় হওক । এই অনাস্থা প্ৰস্তাৱৰ প্ৰতি প্ৰয়োজনীয় সদস্যৰ সমৰ্থন পোৱা হৈছে । এই প্ৰস্তাৱ বিজনেচ এডভাইচৰী কমিটিত আলোচনা কৰি ইয়াৰ বাবে সময় ঠিক কৰি আপোনালোকক পিচত জনোৱা হব ।

Shri Jainal Abedin : Sir, wanted to move a separate motion.

Mr. Speaker : In case where notices of two or more no-confidence motions have been received and leave of the House to the moving of one motion therefrom has been granted, the names of members who tabled the other notices are not mentioned in the House (as per 'Practice and Procedure of Parliament by M. M. Kaul and S.L. Shakdher). Now Item No. 2.

এতিয়া সদনৰ দ্বিতীয় কাৰ্য্যসূচী লৈ আহো।

## Calling Attention

Shri Hemen Das : Mr. Speaker, Sir, I beg to call the attention of the Minister, Forests, under Rule 54 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to the news item appearing in the Dainik Asom dated 21st July. 1986 under the caption "নিযুক্তিৰ মহিমা"

মাননীয় অধ্যক্ষ মহোদয়, আমি সকলোৱে জানো আজি অসমৰ নিবনুৱা সমস্যাই কি এক জটিল ৰূপ লৈছে। সেইদিনা ধুবুৰীৰ বগৰীবাৰীত পুলিচৰ গুলি চালনাও হ'ল, যত নেকি কেইহেজাৰমান নিবনুৱা যুবকে ৩০ কিলোমিটাৰ দূৰ দৌৰি আহিও চাকৰি লবলৈ মানসিক ভাবে প্ৰস্তুত হৈছিল। অসমত আজি নিবনুৱাৰ এনেকুৱাই ভয়াবহ অৱস্থা হৈছে। তেনেক্ষেত্ৰত অসমৰ কেন্দ্ৰস্থল গুৱাহাটিত নিযুক্তিৰ কি অৱস্থা বা পদ্ধতি চলি আছে সেইটোও আমি চাব লাগিব। চৰকাৰে আৰম্ভনীতে ৰাজ্যপালৰ ভাষণত কৈছিল যে সকলো নিযুক্তি আদি নিয়ম নীতি মানিয়েই দিয়া হব। কিন্তু ইয়াত আমাৰ মুখ্য বন সংৰক্ষকে কি লীলা-খেলা দেখুৱালে সেইয়া সকলোৱেই দেখিছে আৰু লজ্জিত হৈছে। তেখেতে এটা নিযুক্তিৰ বাবে এটা ইন্টাৰভিউ পাতিলে তাত মাত্ৰ ৩২ জন প্ৰাৰ্থী হে উপস্থিত

আছিল। এই নিযুক্তিৰ বাবে বিজ্ঞাপন বাতৰি কাকতত দিয়া হোৱা নাছিল বা নিয়োগ বিনিময় কেন্দ্ৰৰ পৰাও নাম বিচৰা হোৱা নাছিল। যি ৩২জনৰ পৰীক্ষা লোৱা হৈছিল তাৰে ৩০ জনেই নিৰ্ব্বাচিত কৰা হৈছে। এইটো সাংঘাতিক কথা। ৩২ টা পদৰ বাবে কমেও ১০ হেজাৰ প্ৰাৰ্থী হলহেতেন। কিন্তু চৰকাৰে সকলো নিয়োগৰ নীতি জলাঞ্জলি দি চোৰাংকৈ, কোনো দৰখাস্ত আহ্বান নকৰাকৈ এই নিযুক্তিৰ মহিমা দেখুৱালে। ইয়াৰ বাবে যি কেইজন নিৰ্ব্বাচিত হৈছে তাৰে ১২ জনেই ৰাজধানীৰ ওচৰৰ ঠাইৰ লোক। ইয়াত নগাওঁৰ ৭ জন, কামৰূপৰ ৫ জন বৰপেটাৰ ১ জন, । ধুবুৰী, গোৱালপাৰা , শিৱসাগৰ, লক্ষীমপুৰ, যোৰহাট, কোকৰাঝাৰ, কাছাৰ ইত্যাদি জিলা সমূহৰ এজনো লোক নাই। আনহাতে ৰিজাভেচন আইন পাছ হোৱাৰ ইমান দিনৰ পিচতো এই ২০ জনৰ নিযুক্তিৰ ক্ষেত্ৰত এই আইন ভঙ্গ কৰা হৈছে।

মই এতিয়া নামৰ তালিকাখন গাই দিব খোজা নাই - কাৰণ তাত এজনো মুছলমান প্ৰাৰ্থী নাই। (তালিকাখন গাই দিয়ক) আপোনালোকে বিচাৰিলে মই অৱশ্যে গাই দিব পাৰো। শ্ৰীমৃদুল হাজৰীকা নগাওঁ, শ্ৰীৰবীন নেওঁগ গুৱাহাটী, শ্ৰীমাখন শৰ্ম্মা কামৰূপ, শ্ৰীহিৰেন মেধী বৰপেটা, শ্ৰীডিগন্ত কাকতি শোনিতপুৰ, ভাৰত চন্দ্ৰ গোস্বামী, তিলক মহন্ত, চুৰেন তালুকদাৰ, লাচিত ভূঞাঁ, তোলন দত্ত, দিলীপ লাগুি, খিভাদায়, বীৰেন কলিতা, ক্ষীতিশ শৰ্ম্মা, অৰুণ বৰা, প্ৰণীতা বৰা, মলয় বৰুৱা, হৰ বৰুৱা, ৰোহিনী কুমাৰ বৰা, ফাৰুৱাল দাস, আৰু অপূৰ্ব্ব বৰদলৈ। গতিকে মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰি কব খুজিছো যে এই অবৈধ পৰীক্ষা দেশৰ নিবনুৱা যুবকৰ খাতিৰত তৎক্ষণাত্ বাতিল কৰিব লাগে।

শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) : যোৱা ইং ২১ জুলাই তাৰিখে দৈনিক অসমত প্ৰকাশিত 'নিযুক্তিৰ মহিমা' শীৰ্ষক বাতৰিটোৰ সন্দৰ্ভত মই জনাওঁ যে যোৱা ১৫ জুনত মুখ্য বনসংৰক্ষকৰ (বন্যপ্ৰাণী) দপ্তৰত নিযুক্তিৰ বাবে সাক্ষাৎকাৰ লোৱা হৈছিল। কিন্তু বাতৰিত উল্লেখ কৰা ধৰণে সাক্ষাৎকাৰ লওঁতে কোনো নীতি নিয়ম ভঙ্গ কৰা নাছিল। বৰঞ্চ নীতি নিয়মৰ মাজেদিহে উক্ত সাক্ষাৎকাৰ অনুষ্ঠিত হৈছিল। কাৰণ চৰকাৰী বিধি অনুযায়ী গুৱাহাটী নিয়োগ বিনিময় বিষয়ালৈ Letter No. FE-22/19-A dated Guwahati the 16th May/86, Letter No. FE-1/2/1DA

(PT), dated Guwahati the 5th June/86 মৰ্ম্মে আৱশ্যকীয় অহতা সম্পন্ন প্ৰাৰ্থীৰ বাবে অনুৰোধ কৰা হৈছিল আৰু জুন মাহৰ ১৫ তাৰিখে অসম চিৰিয়াখানাত অনুষ্ঠিত কৰা লিখিত/মৌখিক পৰীক্ষাত প্ৰাৰ্থীক অৱতীৰ্ণ হৰলৈ কোৱা হৈছিল। কিন্তু শেষ মূহুৰ্ত্তলৈ কোনো প্ৰাৰ্থীৰ তালিকা নিয়োগ বিনিময় কেন্দ্ৰৰ পৰা পোৱা নহল। আনহাতে খালি হৈ থকা পদ সমূহ শীঘ্ৰে পূৰণ কৰিব লাগে। সেই লৈ ১৫ জুনত সাক্ষাৎকাৰ লবলৈ এখন উচ্চপৰ্য্যায়ৰ কমিটি গঠন কৰা হয়। উক্ত কমিটীয়ে সাক্ষাৎকাৰ লয়। ৩৪ জন প্ৰাৰ্থী সাক্ষাৎকাৰত অবতীৰ্ণ হৈছিল। প্ৰাৰ্থীসকলক লিখিত আৰু মৌখিক পৰীক্ষা লোৱা হয়। ইয়াৰে যোগ্যতা অনুসাৰে ২০ জনক বাচনি পৰীক্ষাত উত্তীৰ্ণ হোৱা বুলি এখন তালিকা প্ৰস্তুত কৰা হয়।

বাতৰিটোত প্ৰকাশ পোৱা মতে কোনো শিক্ষিত নিৱনুৱা যুৱকে মুখ্যসংৰক্ষকৰ কাৰ্য্যালয়ত বিক্ষোভ প্ৰদৰ্শন কৰা নাই। অন্যস্থানতো কোনো শিক্ষিত যুৱকে ক্ষোভ প্ৰকাশ কৰা বাতৰি দৃষ্টিগোচৰ হোৱা নাই।

উল্লেখযোগ্য যে অনুসূচিত জাতি আৰু জনজাতি প্ৰাৰ্থীকো বাচনিত সুবিধা দিয়া হৈছে।

শ্ৰীহেমেন দাস : ভুল ক'ত, আমি ক'ত আছো এই সকলোবিলাক কথা চাব লাগিব আৰু এইটো চৰকাৰেই কৰিব লাগিব। যদি নিয়োগ বিনিময় কেন্দ্ৰত নাম বিচাৰিছিল তেনেহলে কিয় নিয়োগবিনিময় কেন্দ্ৰই নিবনুৱা যুৱকৰ নাম পঠিয়াব পৰা নাই ? সেই কেন্দ্ৰত নিবনুৱা যুৱক নাইনেকি ? প্ৰয়োজনীয় অহ'তাসম্পন্ন লৰা যদি নিয়োগ বিনিময় নথিভুক্ত নহয় তেতিয়া চৰকাৰে বাতৰি কাকতত জাননি দিয়া উচিত আছিল। কিন্তু সেইটো নকৰি দৰখাস্ত কেনেকৈ সংগ্ৰহ কৰিলে ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, নিয়োগ বিনিময় কেন্দ্ৰত আমি ২ খন চিঠি দিহিলো আৰু ইতিমধ্যে দুয়োখন চিঠিৰ কথাই মই উল্লেখ কৰিছো। কিন্তু এতিয়া নিয়োগ বিনিময় কেন্দ্ৰই কিয় পাৰ্থীৰ তালিকা পঠাব নোৱাৰিলে বা সাক্ষাতকাৰ নকৰিলে সেইটো মই কব নোৱাৰিম।

শ্ৰীহেমেন দাস : এখেতে ঠিকেই কৈছে। নিয়োগ বিনিময় কেন্দ্ৰই চৰকাৰে

বিচৰা মতে প্ৰাৰ্থীৰ তালিকা কিয় পঠাই নিদিলে ? আৰু বিকল্প হিচাবে বাতৰি কাকতত জাননী দি আবেদন পত্ৰ বিচাৰিব লাগিছিল । এতিয়া মাননীয় মূখ্যমন্ত্ৰী মহোদয়ে সেই নিয়োগ বিনিময় কেন্দ্ৰৰ কি ব্যৱস্থা লব ? নিয়োগ বিনিময় কেন্দ্ৰৰ কামেই হৈছে নিবন্নুৱা যুবকক চাকৰি যোগাৰ কৰি দিয়া আৰু ব্যৱস্থা কৰি দিয়া ।

শ্ৰীজয়নাথ শৰ্ম্মা ঃ বিষয়টো যিটো ওলাইছে, আচলতে আমি অসম চৰকাৰৰ নিয়োগ বিনিময় কেন্দ্ৰক দোষাৰোপ কৰিলেই নহব, কাৰণ গুৱাহাটীৰ পৰা এখন ইণ্টাৰভিউৰ কাৰণে দিয়া ৭ মাৰ্চৰ চিঠি ৭ আগষ্টতহে পাইছে । ইয়াৰ দোষটো ডাকবিভাগৰ । ইয়াত ডাক বিভাগৰ কথাটো উল্লেখ কৰিব পাৰোনে নোৱাৰো ?

শ্ৰীহেমেন দাস ঃ সেইটো অপ্ৰাসঙ্গিক প্ৰশ্ন ।

শ্ৰীজয়নাথ শৰ্ম্মা ঃ মই আচৰিত হৈছো যে, এজন মাৰ্ক্সবাদী চি, পি, এমৰ প্ৰাৰ্থীয়ে ইয়াত হিন্দু মুছলমানৰ কথা ওলাইছে । যোগ্যতা অযোগ্যতাৰ কথা আছে, নিবন্নুৱা অনিবন্নুৱা আৰু ধনী দুখীয়াৰ কথাও আছে । গতিকে সেই বিষয়ে আলোচনা কৰক ।

**Shri Altaf Hussain Mazumder :** Hon'ble Chief Minister has said on the floor of the House. He has directed his departments to maintain the population pattern and also he has declared that it will be strictly followed in case of appointment but it appears that this have been violated and unless this is enforeed there will be no credibility of this Government.

শ্ৰীদেব কুমাৰ বৰা : পপুলেচন পেটাৰ্ণ যিটো অবজেকচনৰ কথা কোৱা হৈছে সেইমতে ১৯৭৯ চনৰ পৰা ১৯৮৫ চনৰ ডিচেম্বৰ মাহলৈকে পপুলেচন পেটাৰ্ণ মেইণ্টেইন কৰা হৈছিল নে নাই ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) : এই নিয়োগ সম্পৰ্কে কিয় এম্পলয়মেণ্ট এক্স-চেঞ্জে নাম নপঠালে সেইটো আমি চাব লাগিব আৰু তেনেকুৱা অভিযোগ বিভিন্ন ঠাইত আহিছে । চেণ্ট্ৰেল গভৰ্ণমেণ্ট আণ্ডাৰটেকিঙচ্ আৰু অ, এন, জি, চিত ৯

হাজাৰ বাহিৰৰ যুবক আনিবৰ কাৰণে ব্যৱস্থা কৰিছে। আমি তাৰ প্ৰতিবাদ কৰাৰ কাৰণে ব্যৱস্থা কৰিছো।

## Re : Matter Under Rule 301

**Hon'ble Speaker :** Now item No. 3.

**Shri Ardhendu Kumar Dey :** Sir, I beg to draw the attention of the Minister, Panchayat by raising a matter under Rule 301 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly relating to the news item appearing in the 'Saptahik Janajeevan' dt. 17th July 1986 under the caption মন্দিয়াত বি ডি অৰ শোষন শ্ৰমিক বঞ্চিত।

যেতিয়া এ, জি, পি চৰকাৰ হ'ল তেতিয়া তেখেতসকলে প্ৰথমতে কৈছিল যে নিকা প্ৰশাসন হব লাগে। যোৱা ৩৮ বছৰৰ যিবিলাক দূৰ্নীতি আছিল সেই দূৰ্নীতি বিলাক দূৰ কৰা হব বুলি কোৱাত আমি খুবেই ভাল পাইছিলো আৰু আমি ভাবিছিলো যে ইমান দিনৰ পাচত আমি আৰু ৰাম ৰাজ্যত প্ৰৱেশ কৰিব পাৰিম। কিন্তু বৰ দুখ আৰু পৰিতাপৰ কথা যে আজিকালি প্লেন প্ৰগ্ৰেমৰ কাৰণে যিবিলাক টকা পইচা ধাৰ্য্য কৰা হয় সেই টকা পইচা বিলাক অফিচাৰ বিলাকে খৰচ নকৰে। সেই কথা যেতিয়া ৰাইজে চৰকাৰৰ ওচৰত ডাঙি ধৰে তেতিয়া অফিচাৰৰ ওপৰত আন এজন চিনিয়ৰ অফিচাৰক অনুসন্ধান কৰি বিহিত ব্যৱস্থা লোৱাৰ কাৰণে দায়িত্ব দিয়া হয়। কিন্তু তেওঁ অনুসন্ধান কৰাৰ সলনি সেই অফিচাৰজনক প্ৰটেকচনহে দিয়ে। ঠিক তেনেধৰণৰ এটা ঘটনা মন্দিয়াৰ সাপ্তাহিক জনজীৱন কাকতত প্ৰকাশ পাইছে।

মাননীয় অধ্যক্ষ মহোদয়, ১৯৮৩-৮৪ আৰু ১৯৮৪-৮৫ চনত আৰ, এল, ই, জি পিৰ যিবিলাক ৰাস্তা বন্ধোৱা হৈছিল তাত চাৰে তিনি লাখ টকা ধৰা হৈছিল কিন্তু এই চাৰেতিনি লাখ টকাৰে ১৮ শ মিঃ লেংঠ হয় নে নহয় সেইটো আৰ, এল ই, জি, পিৰ মন্ত্ৰী মহোদয়ে আৰু অন্যান্য সন্মানিত সদস্য সকল আছে, তেখেতসকলে জানে। বাদ বাকী আধা কিলোমিটাৰ ৰাস্তা তাত অসম্পূৰ্ণ হৈ

আছে। তাৰোপৰি এই যি ৰাস্তা বন্ধোৱাৰ ক্ষেত্ৰত শ্ৰমিক শ্ৰেণীক নিয়োজিত কৰা হয় সেই সম্পৰ্কেয়ো মাননীয় সদস্য সকলে জানে। মাননীয় সদস্য শ্ৰীজয়নাথ শৰ্মাকে আদি কৰি মাননীয় সদস্যসকলে দুখীয়া ৰাইজৰ কথা কৈ থাকে কিন্তু দুখৰ বিষয় যে এই দুখীয়া শ্ৰমিক শ্ৰেণীক অফিচাৰ সকলে বঞ্চিত কৰি আহিছে তাৰ তদন্ত হলে কোনো দিন নহ'ল। তাত পৰিস্কাৰ ভাবে কোৱা আছে যে প্ৰতিজন শ্ৰমিকক ১২ টকাকৈ দিব লাগে, কিন্তু এই ১২ টকাৰ যি নিৰিখ সেইটো দিয়া হোৱা নাই! কোনো কোনো ঠাইত ৫ টকা ৬ টকা ৭, ১০ টকাকৈহে দিয়া হৈছে। আৰু কি কৰা হৈছে এই যে ৮৯ দিনৰ যি কাম তেওঁ-লোকে কৰিছিল তাৰে তেওঁলোকে ১৯ দিনৰ যিটো দৰ্মহা সেইটো পোৱা নাই। এই ক্ষেত্ৰত বিডি অ সকলক দায়ী বন্ধত কৰিলেও তেওঁলোকক ওপৰৰ অফিচাৰ সকলে প্ৰোটেকশ্যন দিয়ে। মন্ত্ৰী সকলেও তেওঁলোকৰ ওপৰত কোনো একশ্যন লোৱা নাই। কেবল এংকুৰাৰীৰ নামত তাতে গাড়ী যায় কিন্তু গাড়ী গলে কি হব, গাড়ীৰ ভিতৰত জহা চাউল মুৰগী ইত্যাদি লৈ ঘূৰি আহে ফলত এংকুৱাৰী তাতেই শেষ হয় আৰু কোনো ধৰণৰ একশ্যন নহয়। গতিকে মই অনুৰোধ কৰিব বিচাৰিছো যাতে চৰকাৰে নিকা প্ৰশাসন যিহেতু চলাব বিচাৰিছে তেনে ক্ষেত্ৰত এই বিষয় বিলাকৰ ওপৰত বিশেষ নজৰ দি তেখেত সকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা হাতত লব লাগে।

শ্ৰীচন্দ্ৰ আৰান্ধৰা (পঞ্চায়ত মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, ১৭ জুলাই তাৰিখৰ 'সপ্তাহিক জনজীৱন' কাকতত প্ৰকাশিত 'মন্দিয়াত বি, ডি, অৰ শোষন শীৰ্ষৰ বাতৰিৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষিত হৈছে।

বৰপেটাৰ উপায়ুক্তই মন্দিয়া উন্নয়ন খণ্ডৰ এন, আৰ ই, পি আৰু, এল, ই জি, পিৰ কামৰ ক্ষেত্ৰত অনিয়মৰ অভিযোগ পোৱাটো সচাঁ। উপায়ুক্তই ই এ, চি, শ্ৰী পি কে গোস্বামীক এই বিষয়ে তদন্ত কৰিবলৈ দিয়ে। ইয়াৰ পিচত আৰু অভিযোগ পোৱাত উপায়ুক্তই ই.এ, চি শ্ৰীচোহৰাৰ আলিক তদন্ত কৰিবৰ কাৰণে দিয়ে।

তেওঁলোকৰ তদন্ত শেষ হোৱা নাই। তদন্তৰ প্ৰতিবেদন পালে উপযুক্ত ব্যৱস্থা লোৱা হ'ব।

শ্ৰীজয়নাথ শৰ্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, মই ৩০১ ধাৰা অনুযায়ী কব বিচা-

ৰিছো অকল মণ্ডিয়াতেই নহয় এনে ধৰণৰ অৱস্থা সমগ্ৰ অসমতে এন, আৰ, ই, পি আৰু আৰ, এল, ই, জি পিৰ নামত হৈ আছে। গতিকেই সমগ্ৰ অসমতে এই এন, আৰ, ই, পি আৰু আৰ, এল, ই, জি পীৰ শ্ৰমিক সকলক নিয়োগ কৰা আৰু তেওঁলোকক দৈনিক হাব হিচাবে মজুৰী দিয়াৰ ব্যৱস্থা যি আছিল সেই হিচাবে নিৰ্দি শ্ৰমিক সকলৰ ওপৰত শোষন চলোৱা কথাটো বিশেষকৈ ৰাজনৈতিক হেচাঁত যে হৈছিল সেইটো কোনেও নুই কৰিব নোৱাৰে। গতিকে এই ক্ষেত্ৰত অকল অফিচাৰ সকলৰ ওপৰত কঠোৰ ব্যৱস্থা লোৱা হৈছে নেকি আৰু এই অফি-চাৰ সকলৰ লগে লগে যিসকল ৰাজনৈতিক নেতা আছিল আৰু যিসকলে বেয়া কাম কৰিছিল সেই সকলৰ ওপৰত একশ্যন লব পাৰিবনে নোৱাৰে? কিয়নো এই ক্ষেত্ৰত অকল অফিছাৰ সকলৰ ওপৰতে একশ্যন ললে নহব সেইসময়ৰ যি সকল পলিটিকেল ব্যক্তিৰ প্ৰেচাৰত এই কাম বিলাক হৈছিল তেওঁলোকৰ ওপ-ৰতো ব্যৱস্থা হব লাগে। কাৰণ সেই সময়ত যিসকল বি, ডি, অ নিযুক্তি হৈছিল ভেওঁলোকে কোনোৱে ৯০ হাজাৰ টকা দি চাকৰি পাইছিল গতিকে ৯০ হাজাৰ টকাৰ মুনাফা উলিয়াব নোৱাৰা লৈকে তেওঁলোক শান্তা নহয়। গতিকে ৰেগুলেশ্যন থি-একত এই অফিচাৰ সকলক নিযুক্তি দি এনেবিলাক কাম কৰাত উৎসাহিত কৰিছিল আৰু সা-সুবিধা যিসকলে দিছিল সেই সকলৰ ওপৰত চৰকাৰে এটা সিদ্ধান্ত লব লাগে আৰু একশ্যন লব লাগে।

**শ্ৰীচন্দ্ৰ আৰান্ধৰা (মন্ত্ৰী) :** বিষয়টো এতিয়া হাইকোৰ্টত আছে।

**শ্ৰীজয়নাথ শৰ্মা:** আমাৰ কথা হল সমগ্ৰ অসমতে এনে ধৰণে আৰ, এল, ই জি পি আৰু এন, আৰ, ই পিৰ ক্ষেত্ৰত যিবিলাক বিষয়াই দুৰ্নীতি চলাই আছে আৰু যি সকল ৰাজনৈতিক নেতাৰ ৰক্ষণা-বেক্ষনত এই বিষয়া সকলে দুৰ্নীতি চলাই আছে সেই সকলোৰে ওপৰত বিহিত ব্যৱস্থা চৰকাৰৰ ফালৰপৰা হব লাগে।

**মাননীয় অধ্যক্ষ :** মন্ত্ৰী মহোদয় আপুনি কিবা কব নেকি ?

**শ্ৰীচন্দ্ৰ আৰান্ধৰা (মন্ত্ৰী) :** মাননীয় অধ্যক্ষ মহোদয়, মই পঞ্চায়ত মন্ত্ৰী হৈ নৰকতেই সোমাইছো, কেইজনমান বিডিয়োৰ বাহিৰে প্ৰায় বেচি ভাগেই দুৰ্নীতি কৰিছে কিন্তু তেওঁলোকে এনেভাবে কৰিছে যে সেইবিলাক প্ৰকৃত তথ্য-পাতিৰে প্ৰমাণ কৰিব

নোৱাৰি। তথাপিতো যিসকল বিষয়াই এনে ধৰণৰ দুৰ্নীতি কৰিছে সেইসকলৰ ওপৰত তদন্ত হব লাগিব। সদ্যহতে যিসকল দুৰ্নীতি পৰায়ন বি, ডি,য়ো সেই সকলৰ ক্ষেত্ৰত কেইজনমানৰ ওপৰত একোজন চিনিয়ৰ বি, ডি, য়ো দিয়াৰ ব্যৱস্থা কৰা হৈছে।

শ্ৰীজয়নাথ শৰ্ম্মা: কিন্তু যিসকল পলিটিচিয়ানে এই বিষয়া সকলক ৰক্ষনা-বেক্ষন দিছিল সেই সকলৰ ওপৰত একশ্যন লব পাৰিবনে নোৱাৰে ?

## Private Members Resolution

শ্ৰীকমলা কলিতা ' 'অসম বিধান সভাৰ এই অধিবেশনতে অসমত প্ৰৱেশ কৰা অবৈধ বিদেশী সকলৰ চিনাক্তকৰণ আৰু বহিস্কৰণৰ ব্যৱস্থা অসম চুক্তি অনুসৰি খৰতকীয়া কৰিবলৈ ১৯৮৩ চনৰ অবৈধ অনুপ্ৰৱেশকাৰী (ন্যায়াধীকৰণৰ দ্বাৰা নিদ্ধাৰণ) আইনখনত 'অবৈধ প্ৰবজক' শব্দ দুটাৰ ঠাইত 'অবৈধ বিদেশী' বুলি অন্তভুক্ত কৰা প্ৰমাণৰ ভাৰ অবৈধ বিদেশীৰ ওপৰত আৰোপ কৰা অবৈধ বিদেশীৰ বিৰুদ্ধে অভিযোগ দাখিল কৰোতে ২৫ টকাৰ মাচুল দিবলগীয়া ব্যৱস্থা নোহোৱা কৰি অভিযোগ দাখিল বিনামূলীয়া কৰা ৩ কিলোমিটাৰ দুৰত্বৰ ভিতৰত থকা লোককহে অবৈধ বিদেশীৰ বিৰুদ্ধে দখাস্ত দিব পাৰে বুলি থকা আইনৰ ধাৰাৰ পৰিবৰ্ত্তে অসমৰ যিকোনো লোকে আপত্তি দাখিল কৰিবপৰা ব্যৱস্থা কৰা, বিদেশী চিনাক্তকৰণ আৰু বহিস্কৰণৰ ক্ষেত্ৰত চৰকাৰৰ দায়বধতা সুস্পষ্ট কৰি দিয়া তিনিজনীয়া ন্যায়ধিকৰণৰ পৰিবৰ্ত্তে এজনীয়া কৰা, উচ্চ ন্যায়লয়ৰ পৰ্য্যালোচনা ক্ষমতা নাইকীয়া কৰা আৰু অন্যান্য প্ৰয়োজনীয় সংশোধনী অন্তভুক্ত কৰিবলৈ অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰক অনুৰোধ জনাব লাগে বুলি প্ৰস্তাৱ গ্ৰহন কৰে।

শ্ৰীভৰেন নাৰ্জী: উক্ত প্ৰস্তাৱটি মই সমৰ্থন কৰিছো।

শ্ৰীকমলা কলিতা: মাননীয় অধ্যক্ষ মহোদয়, বিদেশী নাগৰিক বহিস্কাৰৰ দাবীত সম্পাদিত হোৱা ' অসম চুক্তি'ৰ ফলশ্ৰুতি হিচাবে অসমৰ ৰাইজে অসম গণ পৰিষদক বিপুল সমৰ্থন আগ বঢ়াই চৰকাৰ প্ৰতিষ্ঠা কৰিলে। অসমৰ ৰাইজৰ আস্থা আৰু বিশ্বাসক সন্মান জনাই অসম চুক্তি ৰূপদান কৰাৰ ক্ষেত্ৰত চৰকাৰে অধিক গুৰুত্ব দিব লাগিব। অসম চুক্তি ৰূপায়নৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰক হেচাৰ জৰিয়তে দ্ৰুত গতিত চুক্তি ৰূপদান কৰাৰ বাধ্য কৰাব লাগিব। আপোনালোকে নিশ্চয় লক্ষ্য কৰিছে যে অসম চুক্তিখনৰ যি মুল আধাৰ অৰ্থাৎ ৫নং

অনুচ্ছেদৰ ১ৰ পৰা ৯ দফালৈকে যি খিনি কথা সন্নিবিষ্ট কৰা হৈছে সেই আটাইখিনি বিদেশী নাগৰিক সমস্যাটোৰ লগত জড়িত। এই দফাকেইটাত বিভিন্ন আইন আৰু সংবিধান সংক্রান্তীয় কথা সোমাই আছে। এই আইনত অসুবিধা আতৰ কৰিবলৈ আমি চেষ্টা কৰিব লাগিব। সেই ক্ষেত্রত ১৯৮৩ চনৰ অবৈধ প্ৰব্ৰজনকাৰী (ন্যায়াধিকৰণৰ দ্বাৰা নির্ণয়) আইনখন অধিক ফলপ্রসু কৰাৰ উদ্দেশ্যে এই আইনৰ প্ৰয়োজনীয় সংশোধনীৰ আৱশ্যক। অসম চুক্তিৰ ৫নং অনুচ্ছেদৰ ৯ নং দফাত এই অসুবিধাৰ কথা কেন্দ্রীয় চৰকাৰে মানি লৈছে আৰু প্ৰয়োজনীয় সংশোধনী যথোপযুক্ত বিবেচনা কৰাৰ প্ৰতিশ্ৰুতি দিছিল।

এতিয়া অসম চুক্তি বাস্তৱত খৰতকীয়াকৈ ৰূপায়ন কৰিবলৈ অবৈধ প্ৰব্ৰজকৰ' ঠাইত 'অবৈধ বিদেশী' বুলি সংশোধন কৰিব লাগে। কিয়নো অসম চুক্তিৰ ৫নং অনুচ্ছেদৰ ৩নং দফা মতে অসমলৈ অহা বিদেশীসকলক ১৯৪৬ চনৰ বিদেশী আইন আৰু ১৯৬৪ চনৰ বিদেশী (ন্যায়ধিকৰণ) আদেশৰ ব্যৱস্থা অনুসৰি চিনাক্ত কৰা হব বুলি উল্লেখ আছে। কিন্তু ১৯৮৩ চনৰ অবৈধ অনুপ্ৰৱেশকাৰী (ন্যায়াধিকৰণৰ দ্বাৰা নিদ্ধাৰণ) আইন খনৰ 'অবৈধ প্ৰব্ৰজকৰ' সঙ্গাই বহুতো বিদেশীক হাত সাৰি যোৱাৰ পৰা সুবিধা দিব বুলি শঙ্কা হয়।

অবৈধ বিদেশীৰ ওপৰত প্ৰসাশক ভাব আৰোপ কৰিব লাগে। ১৯৮৩ চনৰ এই আইনখনে চেকচন ১২ চাব চেকচন ১ আৰু ২ বিদেশীৰ বিৰুদ্ধে অভিযোগ দিয়া জনৰ ওপৰত অযথা হাৰাশাস্তি দিব।

এই আইনৰ যোগে গোটেই প্ৰক্ৰিয়া লেহেমীয়া হব। অভিযোগকাৰীৰ হাতত কেতিয়াও বিদেশী নাইবা স্বদেশীৰ নথি পত্ৰ নাথাকিব। ফলত বিদেশী লোক সকল বাচি যাব।

গতিকে প্ৰমাণৰ দায়িত্ব সম্পূৰ্ণ ৰূপে বিদেশীজনে ন্যায়াধিকৰণৰ ওচৰত লব লাগিব। তাত প্ৰেচক্ৰাইহৰ অথৰিটিৰ নিচিনা দ্বিতীয় পৰ্য্যায় থাকিব নেলাগিব।

অভিযোগকাৰীৰ দৰ্খাস্তৰ ২৫ টকাৰ মাচুল বাদ দি বিনা মূলীয়া কৰিব লাগে। ১৯৮৩ চনৰ ন্যায়াধিকৰণ আইনখনৰ চেকচন ৪ (৮) ৰ চাব চেকচন (৩) অত যি ২৫ টকাৰ মাচুল ধাৰ্য্য কৰা আছে তাক বাদ দি সম্পূৰ্ণ বিনা-

মূলীয়া কৰিব লাগে। আমাৰ দুখীয়া জনসাধাৰণে ২৫ টকা দি কেতিয়াও দৰ্খাস্ত দিবলৈ সমৰ্থ নহয়। শ শ লোকৰ বিৰুদ্ধে অভিযোগকাৰী বহুতো ধন খৰছ কৰিব লাগিব।

এই আইনখনৰ চেকচন ৪(৮) ৰ চাব চেকচন (২) অত উল্লেখ কৰাৰ নিচিনা ৩ কিলোমিটাৰ দূৰত্বৰ ভিতৰত থকা লোকেহে অবৈধ বিদেশীৰ বিৰুদ্ধে দখাস্ত দিব পাৰে বুলি থকা আইনৰ পৰিবৰ্ত্তে অসমৰ যি কোনো লোকে আপত্তিৰ দখাস্ত দিব পৰাৰ ব্যৱস্থা কৰিব লাগে। কিয়নো অসমৰ বহু ঠাই আছে যিবিলাক ঠাইত ১০।১৫ কিঃ মিঃ পৰ্য্যন্ত বিদেশী সম্পূৰ্ণৰূপে থকা বুলি ভবাৰ থল আছে। সেই সমূহ ঠাইত দখাস্ত কোনে দিব। ন্যায়াধিকৰণৰ অধিকাৰৰ ক্ষেত্ৰ বৃদ্ধি কৰিব লাগে। আইনখন ফলপ্ৰসূ কৰিবলৈ ১৯৮৩ চনৰ আইনখনৰ চেকচন ৯ ত থকা অধিকাৰ বৃদ্ধি কৰিব লাগিব।

১৯৮৩ চনৰ অবৈধ অনুপ্ৰবেশকাৰী (ন্যায়াধিকৰণৰ দ্বাৰা নিদ্ধাৰণ) আইন খনত বিদেশী চিনাক্তকৰণ আৰু বহিস্কাৰৰ ক্ষেত্ৰত চৰকাৰ দায়বদ্ধতা অধিক স্পষ্ট ভাৱে দেখুৱাই দিব লাগে। আইনত ইয়াৰ কোনো স্পষ্ট ইংগিত নাই।

তিনিজনীয়া ন্যায়াধিকৰণৰ পৰিবৰ্ত্তে এজনীয়া কৰিব লাগে। অন্যথাই ন্যায়াধিকৰণৰ কাম দ্ৰুত সম্ভৱ নহয়।

উচ্চ ন্যায়ালয়ৰ পৰ্য্যালোচনা ক্ষমতা নাইকীয়া কৰিব লাগে। এই আইন খনৰ চেকচন ১৭ অত উচ্চ ন্যায়ালয়ক পৰ্য্যালোচনা কৰাৰ ক্ষমতা দিয়া হৈছে। যিহেতু ন্যায়াধিকৰণৰ পিছত এপিলেন্ট ট্ৰাইবুনেললৈ যোৱাৰ স্থল আছে, সেয়ে ইয়াৰ দীঘলীয়া প্ৰক্ৰিয়া বন্ধ কৰি উচ্চ ন্যায়ালয়ৰ পৰ্য্যালোচনা নাইকীয়া কৰা উচিত। অন্যথা গোটেই পক্ৰিয়া দীৰ্ঘদীনীয়া হব আৰু চুক্তি কাৰ্য্যকৰীকৰণত বাধা আৰোপ কৰিব।

চেকচন ১৫ ৰ চাব চেকচন ৯) অত এপিলেট ট্ৰাইবুনেল অত এপিল ৩০ দিনৰ পিছতো কৰাৰ সুৰুঙা আছে, যদিহে এপিলেন্টে কাৰণ দৰ্শাব পাৰে। কিন্তু কিমান দিনলৈ এপিল কৰিব পাৰিব তাৰ নিৰ্দিষ্ট সীমাৰেখা নাই। ফলত বছৰ বছৰ কেচ সমূহ পৰি থকাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি। গতিকে এনে ধৰণৰ প্ৰয়োজনীয় অসুবিধা সমূহ সংশোধন কৰি চুক্তি খৰতকীয়াকৈ কাৰ্য্যকৰী কৰিব লাগে।

গতিকে মই আবেদন জনাওঁ যাতে উপস্থাপন কৰা প্ৰস্তাৱটো সদনে গৃহীত কৰি অসম চুক্তিত উল্লেখ কৰা ধৰণে বিদেশী সকলক বহিষ্কাৰ কৰিবলৈ ততাতৈয়া আৰু কাৰ্য্যকৰী ব্যৱস্থা লব পৰা হয়। অসম চৰকাৰে প্ৰতিশ্ৰুতি দিয়া মতে চুক্তি খৰতকীয়া কাৰ্য্যকৰী কৰিবলৈ ১৯৮৩ চনৰ অবৈধ অনুপ্ৰবেশকাৰী (ন্যায়াধিকৰণৰ দ্বাৰা নিৰ্দ্ধাৰণ) আইনখন সংশোধন কৰিব লাগে।

গতিকে মই আজি প্ৰস্তাৱ কৰো যে এই আইনমতে অভিযোগকাৰীয়ে দৰখাস্ত দিলে যি ২৫ টকা দিব লাগে তাক উঠাই দি সম্পূৰ্ণ ৰূপে তাক বিনা-মূলীয়া কৰিব লাগে। আমাৰ দুখীয়া জনসাধাৰণে যাতে হাৰাশাস্তি ভোগ কৰিব নেলাগে তাৰ কাৰণে চাব লাগে। চৰকাৰে চিনাক্তকৰণ আৰু বহিস্কৰণৰ ক্ষেত্ৰত স্পষ্ট ভাবে দেখুৱাই দিব লাগে যাতে চৰকাৰে খৰতকীয়াকৈ ব্যৱস্থা লব পাৰে। উচ্চ ন্যায়ালয়ৰ পৰ্য্যালোচনা ক্ষমতা নাইকীয়া কৰিব লাগে। তেতিয়া হলে আমি আগ বাঢ়ি যাব পাৰিম আৰু চুক্তি ৰূপায়নৰ ব্যৱস্থা কৰিব পাৰিম। এজন বিদেশী ৫ বছৰৰ পাছত এপিলেট ট্ৰাইবুনেলত যদি আপিল কৰে তেতিয়াহলে গ্ৰাহ্য কৰা হব।

সেই ক্ষেত্ৰত গোটেই প্ৰক্ৰিয়াটো এটা বিৰাট দীঘলীয়া হব আৰু আমি সেই কাৰণে ভাবিছোঁ যে অসম চুক্তি যিহেতু আমাৰ চৰকাৰ প্ৰতিষ্ঠাৰ গুৰিতে, সেই কাৰণে ইয়াক বাস্তৱত ৰূপদান কৰিবৰ কাৰণে খৰতকীয়া ব্যৱস্থা লব লাগে। অসম চুক্তিতো এই কথা উল্লেখ কৰা আছে যে অসম চুক্তি খৰতকীয়া ব্যৱস্থা লোৱাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে কাৰ্য্যকৰী ব্যৱস্থা লব।

অসম চুক্তি ততাতৈয়াকৈ বাস্তৱত ৰূপদান কৰাৰ কাৰণে মই যিটো প্ৰস্তাৱ আনিছো, মই আশা কৰো মাননীয় সদস্য সকলে ইয়াত সমৰ্থন জনাই প্ৰস্তাৱটো গৃহীত কৰিব।

ইয়াকে আশা ৰাখি মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো। ধন্যবাদ—

মাননীয় অধ্যক্ষ : মই এজন এজনকৈ মাননীয় সদস্য সকলৰ নাম কৈ যাম আৰু আপোনালোকে সেইমতে কৈ যায়।

Shri A.F. Golam Os-mani : Hon'ble Speaker, Sir, This House by difference of opinion cannot recommend amendme-

nt of any provision of an Central Act. This types of resolution becomes infractuous if there is a difference of opinion. I am going to oppose this resolution on some very fundamental grounds because if it is accepted, all the civilised notions of rule of law are going to be violated, It is said that this was pressed for determination of the status of a person whether he is an illegal migrant or not and to that end a machinery has been envisaged. The whole Act when it was passed in the Parliament detailed discussions were held and rule of law which is accepted by the all civilised pattern is incorporated. This foreigners question is a vexed question. One has to see that norms of law are honoured because very fundamental question of status that is citizenship of a person is involved. At the outset, this resolution wants to make an amendment in terminology that the word 'migrant' is to be substituted by 'foraigner'. I think the mover of the resolution has missed the main question that in relation to this problem when Assam Accord was signed the question came up about the regularisation of the migrant at various stages. The word foreigners will give a distorted picture because in the Act we have accepted the proposition that some migrants who had no legal status as a citizen acquired the status of citizenship i. e. prior to 25th March, 1971 those who have entered into Assam have been recognised as Indian citizen and this fact was duly noted at the time of the preparation of the Electoral Roll of 1985. There is a clause which speaks suspension of right of franchise of a category of

Indian citizens who entered in to Assam in between 1966-71 only for 10 years. So, sir, the whole Accord refers to the term migrants those who entered Assam prior to 25th March 1971 and those who entered after 1971. Those who have entered prior to 25th March, 1971 are not foreigners because as per the Act they are not within the purview of this Act and everybody perhaps will agree that they are to be treated as Indian citizen. So this suggestion is simply infractuous. Now let us come to the main point what is agitating in the minds of the Hon'ble Members. These amendments as contained in this resolution perhaps have come from a state of mind that unless it is amended foreigners cannot be found out and this is why special emphasis is given in relation to the territorial jurisdiction and the financial constraint to the effect that when a private person wants to lodge a complain. There are always two alternative procedures. It is clear to the people of Assam that under section 8 clause (1) "If any question arises as to whether any person is or is not an illegal migrant, the Central Government may, whether such question has arisen on representation made by such person against any order under the Foreigners Act, 1946 (31 of 1946) requiring him not to remain in India or to any other effect or has arisen in any other manner whatsoever refers such question to a Tribunal for decision." Section 3 of the Foreigners' Act empowers a category of officers to serve a notice on a alleged foreigner and officers entrusted for the purpose of the rank of Superintendent of Police can prosecute under section

14 of the Foreigners' Act. If the prosecution is to be carried on in ordinary manner in any court of law it will take time and will take time and will delay the speedy disposal of the cases. That is why the question of Tribunal came which will dispose of speedily such cases.

Sir, accordingly under the Act, of 1983 a Tribunal for the first time of a quasi-judicial nature adhering to the rules of Evidence and Criminal Procedure Code was proposed to be set up. As I have stated, sir, there is a lot of complaint that this Act will not serve the very purpose for which this is framed. I do not agree to this. It is wrong to say that this Act. will not serve the purpose. Now, sir, it is the duty of the Govt. to set up their own machinery. It is also their primary responsibility to allot the cases to this machinery. Then, sir, coming to the other part we find that jurists always discourage private complaint cases when there is an assault, when there is a complain to the magistrate, it is Sent to police for investigation They discourage it because of the suspicion and it is due to that it was pointed out at that time that limited powers are to be given to the public as there is a doubt of this type of prosecution. Then, sir, if anybody wants to bring a complain against any other person on the ground of a foreign national, the complainant must be a person of that locality. A person who is not residing in that locality cannot bring such a complain. A person residing in Dhubri cannot bring a complain against a person who is not residing in that locality. This will be infrutuous to bring an allegation when he is not residing in that locality. This

is according to the provision of the Act. So, sir, this amendment will simply encourage private litigation and will lead to unnecessary harrassment. As regards the appointment of judges, it is decided to appoint three judges for these tribunals. If the tribunals compled of three numbers what is wrong? This provision is made to give proper justice to all such cases and to prevent harassment. So, sir, I think this type of amendment will further complicate things. Govt. may submit all such cases before the tribunal so that the tribunal can give a reasonable verdict as per law. It is also purposed that revisional powers of the High Court should be taken away on the matters of law. I do not find what purpose will be served by doing away with that. Sir, doing away with all these things will complicate the thing and will lead unnecessary harrassment and people might suspect otherwise. Therefore, sir, I oppose this resolution. If this resolution is forwarded to the Central Govt., then they will mis-construe in a different way. So, I feel this House is not in a position to accept the resolution. Had there been any other resolution for setting up of another refinery in Assam, then I think this house would have no objection to accept the resolution. So, sir, I would request the Hon'ble Mover of the Resolution to withdraw it. Otherwise it will reflect that this House is divided on this issue,

শ্ৰীদেৱ বৰা ঃ মাননীয় অধ্যক্ষ মহোদয়, আজিৰ সদনত আমাৰ মাননীয় সদস্য শ্ৰীকমলা কলিতা দেৱে উত্থাপন কৰা এটি প্ৰস্তাৱৰ ওপৰত মোৰ সমৰ্থন আগবঢ়াই কৰ বিচাৰিছো। 'অসম বিধান সভাৰ এই অধিবেশনে অসমত প্ৰবেশ

কৰা অবৈধ বিদেশীসকলৰ চিনাক্তকৰণ আৰু বহিস্কৰণৰ ব্যৱস্থা অসম চুক্তি অনুসৰি খৰতকীয়া কৰিবলৈ ১৯৮৩ চনৰ অবৈধ অনুপ্ৰবেশকাৰী (ন্যায়াধীকৰণৰ দ্বাৰা নিদ্ধাৰণ) আইন খনত 'অবৈধ প্ৰব্ৰজক" শব্দ দুটাৰ ঠাইত "অবৈধ বিদেশী বুলি অন্তভুক্ত কৰা প্ৰমাণৰ ভাৰ অবৈধ বিদেশীৰ ওপৰত আৰোপ কৰা, অবৈধ বিদেশীৰ বিৰুদ্ধে অভিযোগ দাখিল কৰোতে ২৫ টকাৰ মাচুল দিবলগীয়া ব্যৱস্থা নোহোৰা কৰি অভিযোগ দাখিল বিনামূলীয়া কৰা ৩ কিলোমিটাৰ দূৰত্বৰ ভিতৰত থকা লোকেহে অবৈধ বিদেশীৰ বিৰুদ্ধে দখাস্ত দিব পাৰে বুলি থকা আইনৰ ধাৰাৰ পৰিবৰ্ত্তে অসমৰ যিকোনো লোক আপত্তি দাখিল কৰিব পৰা ব্যৱস্থা কৰা, বিদেশী চিনাক্তকৰণ আৰু বহিস্কৰণৰ ক্ষেত্ৰত চৰকাৰৰ দায়বদ্ধতা সুস্পষ্ট কৰি দিয়া তিনিজনীয়া ন্যায়াধীকৰণৰ পৰিবৰ্ত্তে এজনীয়া কৰা আৰু অন্যান্য প্ৰয়োজনীয় সংশোধনী অন্তভূক্ত কৰিবলৈ অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰক অনুৰোধ জনাব লাগে বুলি প্ৰস্তাৱ গ্ৰহন কৰে ।

এই বিষয়টো বৰ্ত্তমান অসমত আজিৰ সময়ত এটা আটাইতকৈ গুৰুত্ব পাবলগীয়া বিষয় । আৰু সেইকাৰণে আমি এই সদনৰ সকলো পক্ষৰ সমৰ্থন আদায় কৰি অনাগত ভবিষ্যতে অসমৰ সুচুৰ প্ৰসাৰী শান্তিস্থাপন আৰু প্ৰগতিৰ বাবে ৰাষ্টা মুকলি কৰাৰ অৰ্থে কিছু স্পষ্টবাদী নীতি আৰু গঠনমূলক পৰামৰ্শৰে আমাৰ কামত অগ্ৰসৰ হোৱাৰ বাবে বিৰুধী পক্ষৰ সদস্যসকলৰ পৰা কেতবোৰ তেনেধৰণৰ পৰামৰ্শহে আমি আশা কৰো। কিন্তু তাৰ পৰিবৰ্ত্তে ইয়াৰ আগতে আমাৰ বিৰোধী পক্ষৰ ফালৰ পৰা সদস্যসকলে আগবঢ়োৱা কেতবোৰ পৰামৰ্শত আৰু সমালোচনা আমাৰ গ্ৰহণযোগ্য হব নোৱাৰে। এই কাৰণেই যে, মাননীয় সদস্য ওচমানি দেৱে উতথাপন কৰা কেতবোৰ পৰামৰ্শত আমাৰ যথেষ্ট আপত্তি আছে। এইখিনিতে এটা কথা কব খোজো যে, বিদেশী প্ৰবজনকাৰীৰৰ যিখন আইন সমগ্ৰ অসমৰ ৰাইজে আন্দোলনৰ সময়ত ঘৰে ঘৰে দাহ কৰিছিল, ৰাজহুৱা স্থানত দাহ কৰা হৈছিল, তেনেস্থলত এই আইনখনৰ সংশোধনী দি তীব্ৰভাৱে সমৰ্থন জনাই কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দিয়াটো আমি মানি লবলৈ বাধ্য নহয়।

তাৰ পিচত আমি এই আইনখন সংশোধন কৰি দাখিল কৰিছো আৰু আশা কৰিছো এইখন সদনে গ্ৰহণ কৰিব । এইখিনিতে মই এটা কথা জনাই থব বিচাৰিছো যে অসমৰ স্বাৰ্থৰ প্ৰতিকুলে যোৱা কোনো আইন আমাৰ ওপৰত জাপি

দিলেও আমি সেইবিলাক মানি লববৈল বাধ্য নহয়। এই ক্ষেত্ৰত মই কব খুজিছো যে too much loyal to the foreigners than to the Indians is injurious to the Nation গতিকে মাননীয় বিৰোধি পক্ষৰ সদস্য সকলে এই প্ৰস্তাৱটোৰ বিৰোধিতা কৰিব বিচাৰিছে। তেওঁলোকে ইয়াত যি বিলাক বক্তব্য ডাঙি ধৰিছে আমি সেইখিনিৰ বিৰোধিতা কৰিছো। আগৰ বিধান সভাতো তেওঁলোকে এই ধৰণৰ যিবিলাক আপত্তিকৰ কথা উত্থাপন কৰিছিল সেইবিলাকতো আমি আপত্তি জনাই আহিছো। এতিয়া এই প্ৰস্তাৱত যথেষ্ট গুৰুত্ব দিয়া হৈছেঃ কাৰণ আমি বিদেশী চিনাক্তকৰণৰ ক্ষেত্ৰত চৰকাৰক সহায় কৰিব লাগিব, সমৰ্থন জনাব লাগিব। এই প্ৰস্তাৱৰ দ্বাৰা বিদেশী সকল লিগেল নহয় ভাৰতীয় সকলহে লিগেল হব লাগে। মই বিৰোধী পক্ষৰ সদস্য সকলক নিবেদন জনাইছো যে যাতে তেখেতসকলে এই প্ৰস্তাবটোৰ বিৰোধিতা নকৰে আৰু সমাজত শান্তি শৃঙ্খলা অক্ষুন্ন থাকে তাৰ বাতা বৰণৰ সৃষ্টি কৰে।

ইয়াৰ লগতে মই এটা কথা কব বিচাৰিছো যে বিদেশী চিনাক্তকৰণ প্ৰক্ৰিয়া আৰম্ভ কৰিবৰ কাৰণে চৰকাৰৰ কিছুমান নীতি প্ৰস্তুত কৰিবলগীয়া আছে। আৰু এই নীতি প্ৰস্তুত কৰোতে আদেশ দিবলৈ সুবিধাৰ কাৰণে অবৈধ শব্দটোৰ ঠাইত 'বিদেশী শব্দটো অন্তভূক্ত কৰিব লাগে। এইটো কৰিব পাৰিলেই চৰকাৰৰ কাম কৰিবলৈ সুবিধা হব। এই ক্ষেত্ৰত মই বাখ্যা দিব বিচাৰিছো যে বিদেশী প্ৰব্ৰজনকাৰী বুলি কৰা, বিদেশী চিনাক্তকৰণৰ যি পদ্ধতি আছে সেইটোৰে প্ৰমাণ কৰিছে যে ইয়াৰ দ্বাৰা বিদেশী চিনাক্ত কৰাত অসুবিধা আছে। আৰু এইটো কথা ট্ৰিবিউনেলতো প্ৰমান হৈছে। সেই কাৰণে অবৈধ প্ৰব্ৰজকৰ ঠাইত অবৈধ বিদেশী বুলি দিব লাগে। ইয়াৰ লগতে এই আইনখনত কেইবাটাও অতি লাগতীয়াল লাভজনক কথা অনা হৈছে। যোৱা চৰকাৰৰ দিনত আৰু কেন্দ্ৰীয় চৰকাৰৰ কেতবোৰ প্ৰতিক্ৰীয়াশীল শক্তি কাৰ্য্য কলাপে প্ৰমাণ কৰিছে যে এই আইন প্ৰয়োগ কৰিবলৈ দিব নোৱাৰি। বিদেশী নাগৰিক চিনাক্তকৰণ কৰিবৰ কাৰণে আমাক কি লাগে ? চৰকাৰৰ ইণ্ডিয়ান ফৰেইনাৰ্চ এক্ট ১৯৪৮ has no Sufficient clauses to help solve the Assam problem. গতিকে এই ক্ষেত্ৰত তেনেকুৱা কোনো বাধা নাই, চৰকাৰে আজি ইচ্ছা কৰিলেও বিদেশী চিনাক্তকৰণৰ কামত আগবাঢ়ি যাব পাৰে। কিন্তু তাকে নকৰি মানুহৰ মাজত অসন্তুষ্টিৰ

সৃষ্টি নকৰাকৈ সত্ ভাব ৰক্ষা কৰি কাম কৰি যাব পাৰে তাৰে চেষ্টা কৰিছে। সেইকাৰণে একৰডত যি কথা অন্তভুক্ত কৰা হৈছে তাৰে কিছু কথাত ক্লেচ কৰি আছে। সেই কাৰণেই এই আইনখন সংশোধন নকৰিলে কাম কৰাত অসুবিধা আছে। এই আইন সংশোধনৰ যোগে চৰকাৰক শক্তি যোগাব লাগিব। বৰ্ত্তমানৰ এই আইনখনত কিছুমান অদ্ভুত কথা সোমাই আছে। এজন বিদেশী লোক থকা ঠাইৰ ৩ কি: মি:ৰ ভিতৰত থকা লোকে অভিযোগ দিব লাগিব। তেতিয়াহে ট্ৰিবুউনেলে বিবেচনা কৰিব। গতিকে আমাৰ ইয়াত এনেকুৱা ঠাই আছে যে যত ৪২ কিঃ মি. ধৰি কোনো ভাৰতীয় লোক নাই। তাত কোনে আপত্তি দিব? কথাটো হল যে কোনোবা বিদেশী লোক চিনাক্তকৰণ কৰিব লাগিলে বা চিনাক্তকৰণৰ কাৰণে অভিযোগ দাখিল কৰিলে বিদেশী লোকেই কৰিব লাগিব। নহলে কোনে কৰিব? তাতটো কোনো ভাৰতীয় লোক নাই যে আপত্তি দিব। নহলে সেই ঠাইৰ পৰা আপত্তি দিওটা কোনো নাথাকিব। গতিকে এই ক্ষেত্ৰত বিদেশী চিনাক্ত কেনেকৈ হব? এই কাৰণেই আইন খন সংশোধন কৰাৰ ক্ষেত্ৰত সকলোৰে সহযোগীতা লাগে। এই আইন খন সংশোধন কৰিব নোৱাৰিলে অসম চুক্তি ৰূপায়ন কৰাত অসুবিধা আছে। কাৰণ যদি কোনো এটা অঞ্চলত বিদেশী লোক থাকে আৰু সেই অঞ্চলৰ ৩ কিঃ মিঃৰ ভিতৰত যদি কোনো ভাৰতীয় লোক নাথাকে তেতিয়াহলে সেই অঞ্চলৰ পৰা কোনো আপত্তি নাহিব আৰু বিদেশী লোক চিনাক্ত নহব। তাৰ লগতে আৰু এটা কথা আছে যে আপত্তি দিবলৈ হলে ২৫ টকা মাচুল দিব লাগিব। মাচুল নিদিলে আপত্তি দিব নোৱাৰে। এইটো আগৰ চৰকাৰে লগোৱা পাইকাৰী জৰিমনাৰ নিচিনা কথা। এই সকলক আপত্তি দিয়াত বাধা-আৰোপ কৰা হৈছে। গতিকে এই ধৰণৰ চেবটেজ আইন কৰা নহয় তাৰ বাবেই এই সংশোধনত জোৰ দিব লাগে। লগতে ২৫ টকা মাচুলৰ যিটো কথা আছে সেইটো এনেকুৱা হৈছে যে ১ লাখ বিদেশী লোক থাকিলে আপত্তি দিওতে ২৫ লাখ টকা খৰচ হব আৰু ২ লাখ বিদেশী থাকিলে ৫০ লাখ টকা খৰচ হব। এই ধৰণৰ বাখ্যা হব নোৱাৰে। এই কাৰণেই মই বিৰোধি পক্ষৰ সদস্য সকলক কব বিচাৰিছে যে তেওঁলোকৰ শুভ বুদ্ধিৰ উদয় হব আৰু এই প্ৰস্তাবত সমৰ্থণ দিব।

**ইয়াৰ লগতে বৰ্ডাৰ ৰোড, বৰ্ডাৰ ফেনচিংৰ কথা আছে। এই ক্ষেত্ৰত কেন্দ্ৰীয়**

চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব পাৰিলে ভাল হয়। এই চুক্তিখন কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত যি খিনি বাধা আছে সেইখিনি আতৰাই চৰকাৰক এটা লিগেল ইনচটুমেণ্ট দিব লাগে। চৰকাৰে ইচ্ছা কৰিলে বিদেশী আইন মতেই বিদেশী খেদিব পাৰে। কিন্তু আগৰ চৰকাৰে যিখন আইন কৰিলে সেই আইন প্ৰয়োগ কৰাৰ ক্ষেত্ৰত আমি আগতেই আপত্তি দিছো। কাৰো কোনো আপত্তি, অভিযোগ নোহোৱাকৈ যাতে অসম চুক্তি ৰূপায়িত কৰিব পাৰে তাৰ বাতাবৰণ সৃষ্টি কৰিবলৈ এই প্ৰস্তাবটো সমৰ্থণ কৰিবলৈ মই সকলোকে অনুৰোধ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীগোলক ৰাজবংশী : অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত লোকসভাৰ অধ্যক্ষৰ এটা ৰুলিং আছে। যদি সেই অনুৰোধ একপক্ষীয় নহয়, সমূহীয়াও নহয় আৰু ডিভাই-ডেন হয়, সেই অনুৰোধ কাৰ্য্যকৰি নহয়। গতিকে আজিৰ যিটো প্ৰস্তাব আমি বাখ্যা কৰি দেখুৱাম আৰু প্ৰস্তাব গ্ৰহণ কৰোতে যদি ডিভাইডেদ হাউচৰ প্ৰস্তাব হয়, তেনেহলে কাৰ্য্যকৰী নহব। এতিয়া প্ৰস্তাবৰ বিষয়লৈ আহো। প্ৰস্তাবৰ বিষয় সম্পৰ্কে আমি কোনো মতামত নিদিও। কিন্তু এই প্ৰস্তাবটো কিয় আনিব লগা হ'ল সেই হিচাবে আনিলে নে নাই ? আমি তাৰ ওপৰত দৃষ্টি আকষণ কৰিছো। আমাৰ চুক্তিৰ প্ৰস্তাব সন্দৰ্ভত প্ৰস্তাব অনা হৈছে। চুক্তি কি আছিল The All Assam Students Union and Assam Gana Parishad will call off the agitation and assumed full Co-operation and dedicate themselves towards development of the Country. শিৱসাগৰত 'আচুৰ' সভা হৈ গল। তেতিয়া মানসিক ভাবে শেষ অৱস্থা। প্ৰস্তাৱ আনিব লগা অবস্থা নাছিল। ১৯৮০-৮৩ চনত আমি নিৰ্ব্বাচনত অংশ গ্ৰহণ কৰিছিলো আৰু 'আচু'ই প্ৰত্যাহাৰ কৰিব বিছা-ৰিছিল। এই সন্দৰ্ভত ৫নং ৯ দফাত এটা মূল কথা আছে। The Government will give consideration to certain difficulties expresed by the AASU and AGP regarding implementation of the illegal Migrants Determination by Tribunal Act, 1983 অধ্যক্ষ মহোদয়, চুক্তি স্বাক্ষৰ কৰোতে আমাৰ মাননীয় সদস্য শ্ৰীকমল- কলিতা, যিয়ে প্ৰস্তাবটো উংথাপন কৰিছে, তেখেতও নাছিল। আৰু আমিও নাছিলো। আজিৰ

মূখ্যমন্ত্ৰী শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত, আমাৰ গৃহ বিভাগৰ মন্ত্ৰী শ্ৰীভৃগু ফুকণ আৰু যোগান মন্ত্ৰী শ্ৰীবিৰাজ শৰ্ম্মা আৰু প্ৰধান মন্ত্ৰী হে আছিল। তেওঁলোকৰ কি কথা আছিল আমি নাজানো। গতিকে তেওঁলোকে এই প্ৰস্তাবটো তেতিয়াই সংশোধনী নকৰি অন্য এজন সদস্যৰ পৰা ব্যক্তিগত প্ৰস্তাব হিচাবে উৎথাপন কৰিছে। যদি এই সংশোধনী কাৰ্য্যকৰী কৰা হয় তেনেহলে হয়তো এই চুক্তি কাৰ্য্যকৰী কৰোতে বহুতো বাধাৰ সৃষ্টি হব পাৰে। সেইটো কথা আমি চিন্তা কৰিব লাগিব। ২য় প্ৰস্তাবত কওঁযে অন্যান্য সংশোধনীৰ ক্ষেত্ৰতো আমি কেন্দ্ৰীয় চৰকাৰৰ ওপৰত নিৰ্ভৰ কৰি আছো। এই চুক্তিৰ ক্ষেত্ৰত আমাৰ কেন্দ্ৰীয় চৰকাৰৰ সম্পুৰ্ণ দায়ীত্ব আছে। তেনে স্থলত আমি যদি এই সংশোধনী খন নিজে অথ-ৰাইজ কৰি লও আমাৰ হাতৰ কুঠাৰ ভৰিত মৰা হব। এই চুক্তি কৰোতে নানা বাধাৰ সৃষ্টি হব। এই প্ৰস্তাবটো যদি ডিভাইডেদ হাউচৰ প্ৰস্তাৱ হয় তেনেহলে বিধান সভাৰ মৰ্য্যদা হানী হব। গতিকে প্ৰস্তাবটো উঠাই লব লাগে।

শ্ৰীহেমেন দাস : অধ্যক্ষ মহোদয়, আকৌ চুক্তিৰ কথা আলোচনা কৰিব লগীয়া হল এইটো বৰ দুখদায়ক কথা। আজি যিসকল চৰকাৰ হৈ আহিছে তেওঁলো-কেই অসমত বিদেশী বিতাৰন কৰা ৬ বছৰীয়া আন্দোলন কৰিছিল। মাননীয় সদস্য দেব কুমাৰ বৰাৰ কথা যদি সত্য হয়, এই চুক্তিখন, এই আইনখন ১৯৮৩ চনত ঘৰে ঘৰে পোৰা হৈছিল।

(ভইচ আইন খনহে।)

তাৰ মানে আছিল এই আইনখন গ্ৰহণ নকৰিছিল। তেনেহলে এই আইন খন কেন্দ্ৰীয় চৰকাৰে সংশোধন বা বাটিল কৰাৰ কাৰণে চুক্তিত থাকিব লাগিছিল।

শ্ৰীঅভিজিত শৰ্ম্মা (ৰাজ্যিক স্বাস্থ্য মন্ত্ৰী) : সদৌ অসম ছাত্ৰ সন্থাই তেতিয়া আন্দোলন কৰিছিল। এতিয়া চৰকাৰ পক্ষত বহিছো।

শ্ৰীহেমেন দাস : আগতে আপোনালোক ছাত্ৰ আছিল এতিয়া চৰকাৰী লাইনত বহিছে। ইমান দিন কষ্ট কৰিছিল যেতিয়া আৰু তুমাহমান কষ্ট নকৰিলে কিয় এইটো বদলি কৰিবৰ কাৰণে। তাকে নকৰি যিটো বন্দবস্ত কৰিলে সেইটো মাননীয় মুখ্যমন্ত্ৰী মহোদয়, যোগান মন্ত্ৰী আৰু ফুকন ডাঙৰীয়াই জানে আৰু মাননীয় ভাৰতৰ প্ৰধান মন্ত্ৰীয়েও জানে। তেওঁলোকৰ ভিতৰত গোপন কৰা

আছে এইটো কিয় বাতিল নকৰিলে। আমি তেতিয়া বিৰোধিতা কৰিছিলো আৰু এতিয়াও বিৰোধিতা কৰিছো। কিয় বিৰোধিতা কৰিছো যে এই দায়িত্ব জনসাধাৰণৰ গালৈ এৰি দিয়া দায়িত্ব নহয় এইটো চৰকাৰৰ দায়িত্ব। জনসাধাৰণৰ ধন সম্প্ৰত্তি আদি ৰক্ষা কৰিবৰ কাৰণে চৰকাৰৰ প্ৰয়োজন। চৰকাৰৰ প্ৰয়োজন দেশৰ বিদেশী খেদি বিদেশী চিনাক্তকৰণ কৰি দেশৰ পৰা বাহিৰ কৰি দিয়া। তাকে নকৰি সেই দায়িত্ব চৰকাৰে এৰাই জনসাধাৰণৰ গালৈ এৰিব খুজিছে। পচিশ টকাৰ আবেদন আৰু আপত্তি কিয় লাগে ? চৰকাৰৰ কি নাই ? পুলিচ মিলিটাৰী আছে। তাৰ উপৰিও বহুত পেৰা মিলিটাৰী আছে। চৰকাৰ এখনে সকলো কৰিব পাৰে। ইচ্ছাকৃত ভাবে এইবিলাক সমস্যা জীয়াই ৰখা হৈছে। স্কীনিং কৰি সন্দেহযুক্ত মানুহক ধৰি বিচাৰলৈ পঠাব পাৰে। তাত কোনো বাধা নাই, সেইটো নকৰি দায়িত্ব নলৈ পচিশ টকীয়া ভৰণি ৰাখি জনসাধাৰণৰ গাত জাপি দিয়াত আমাৰ ফালৰ পৰা তেতিয়াও বিৰোধীতা কৰিছো আৰু এতিয়াও কৰিছো ! বিদেশী খেদাৰ নামত এনে কিছুমান মানুহক সামৰিব খুজিছে যেন অসমৰ মানুহৰ দায়িত্ব বিদেশী খেদাৰ। অসম চৰকাৰ বা ভাৰত চৰকাৰৰ তেনে কোনো দায়িত্ব নাই। আমি কৈছো এইটো আজিৰ চৰকাৰে দায়িত্ব সহকাৰে লওক। চিনাক্তকৰনৰ দায়িত্ব জনসাধাৰণৰ ওপৰত দিব নোৱাৰে। মই মাৰেৰিটাৰ মানুহ এজন বিদেশী হয়নে নহয় কেনেকৈ জানিম। কেৱল নামটো দেখিলেই বিদেশীনে দেশী সেইটো কব নোৱাৰি। সেই ঠাইত স্থানীয় বিধায়কে জানিব। সেইকাৰণে কেৱল স্থানীয় ৰিধায়কৰ প্ৰমাণ পত্ৰহে বৈধ বুলি মনা হয়। কোন মানুহ কত আছে সেইটো আন ঠাইৰ কথা অন্য বিধায়কে কেনেকৈ জানিব। সেইকাৰণে তিনিকিলোমিটাৰ দূৰত্বৰ কথাটো ঠিকেই আছে। যুক্তিসঙ্গত হৈছে। এতিয়া ভাৰতবৰ্ষৰ বিচাৰৰ প্ৰক্ৰিয়া কি সেইটো চাব লাগিব। বিভিন্ন স্তৰত বিচাৰৰ দাবিত্ব আছে। মানুহ মাত্ৰেই ভুল হব পাৰে কিন্তু বিচাৰৰ বিভিন্ন স্তৰ থাকিলে সেইটো আশংকা কম হয়। তাৰোপৰি এজনীয়াৰ ক্ষেত্ৰত বেছি ভুল হোৱাৰ আশংকতা থকা বাবেই সমূহীয়া বিচাৰৰ সুব্যৱস্থাও আছে। তেতিয়া বিচাৰ বিবেচনা কৰি কেবাজনে সুবিচাৰ কৰিব পাৰে। এজনীয়া বিচাৰত দোষ থাকি যাব পাৰে কাৰণেই কেবাজনীয়া বিচাৰৰ ব্যৱস্থা ৰখা হৈছে। এইটো ন্যায়ালয়ৰ ক্ষেত্ৰত হস্তক্ষেপ কৰাটো উচিত বুলি আমি বিবেচনা নকৰো।

ভাৰতীয় উৰ্চ্চতৰ ন্যায়ালয়ৰ ক্ষেত্ৰত সংশোধনী আনিবলৈ যোৱাটো ভূল হব। আমাৰ এনে কিছুমান মানুহ থাকিব পাৰে যিয়ে যাকে তাকে বিদেশী বুলি কব পাৰে। মোৰ নিজৰেই অভিজ্ঞতা এটাৰ কথা কব বিচাৰিছো ১৯৭৮ চনত নিৰ্বাচনত জয়ী হলো আৰু মোৰ বিৰুদ্ধে উঠা কেইবাজনো প্ৰাৰ্থী পৰাজিত হ'ল আৰু তেওঁলোকে গোচৰ তৰিলে তেওঁলোকক নিৰ্বাচনৰ আগদিনা ৰাতি মই জব্দ কৰি ৰখা বুলি। বিচাৰ হোৱাত অধ্যক্ষ মহোদয়লৈ মোৰ গ্ৰেপ্তাৰৰ কাৰণে আহিল। আচলতে মই সিদিনা পাচ মাইল দূৰত আছিলো। তেতিয়া অধ্যক্ষ আছিল মাননীয় শ্ৰীযোগেন হাজৰিকা। মোক চাৰেণ্ডাৰ কৰিবলৈ কলে কিন্তু নকৰিলো। মোক আচামী কৰি আশী চনত বিচাৰ কৰি তিনি মাহৰ কাৰণে জেল দিলে। জেল কিন্তু নাখাটিলো আবেদন কৰিলো আৰু উচ্চতৰ ন্যায়ালয়ে খালাচ দিলে। সাক্ষী বাদী লৈ মই কোৰ্টলৈ কোনোদিনেই যোৱা নাই। অথচ মাননীয় উচ্চতৰ আদালতে মোক খালাচ দিছিল। আমাৰ বিচাৰৰ যিমান বিলাক স্তৰ আছে সেই বিলাক নাই কৰিব নালাগে। ভাৰতবৰ্ষত পৰম্পৰা চলি আছে বিচাৰৰ বিভিন্ন স্তৰৰ মাজেদি। সেইটো আমাৰ ইয়াত থকা সকলো মাননীয় সদস্যই জানে। এতিয়া আইন জ্ঞান থকা সদস্যও বহুত আছে আৰু এডভোকেট জেনেৰেলো আছে তেওঁ-লোকৰ লগত আলোচনা কৰি সেইটো কৰিব লাগে। কিন্তু ন্যায়ালয় পৰিহাৰ কৰা উচিত নহয়। তিনিজনীয়া বিচাৰকৰ ঠাইত এজনীয়া কৰাটোও উচিত নহয়। ছীচুখ্ৰীষ্টৰ জন্মৰ আগতে এৰিষ্টটলে কৈছিল: বহুজনীয়া বিচাৰ ভাল। সেইটো এই কাৰণেই কৈছিল যে এজনীয়া লোকৰ ভুল হবও পাৰে কিন্তু তিনিজনীয়া হলে ভুল হোৱাৰ সম্ভাৱনা কম আৰু নিৰ্দ্দোষী মানুহে শাস্তি পোৱাৰ পৰা হাত সাৰিব পাৰে। এইটো 'ৰুল অৱল' আমি অস্বীকাৰ নকৰো। এইটো চৰকাৰেও শপথ লৈছিল মন্ত্ৰী হিচাপে সংবিধান মানি চলিম বুলি আৰু আইন সমূহ মানি চলিম বুলি। গতিকে মন্ত্ৰী সকলৰ ক্ষেত্ৰত এইটো আৰু বেছি প্ৰযোজ্য। আমাৰ বিধায়কৰ সিমান নাই যদিও মন্ত্ৰীসকলে এৰাই যাব নোৱাৰে। এতিয়া এই ক্ষেত্ৰত মন্ত্ৰীসকলে এই প্ৰস্তাৱ কেনেকৈ সমৰ্থন কৰে চাম। এই প্ৰস্তাৱটো দিয়া সমীচীন হোৱা নাই। শ্ৰীৰাজবংশী ডাঙৰীয়াই এইটো ঠিকেই কৈছে। অন্যান্য সংশোধনীত হাত দিয়া উচিত নহব। প্ৰস্তাৱটোত ডেফিচিট আছে। যদি নিৰ্দ্দিষ্ট কৰি আনিব নোৱাৰে তেতিয়াহলে প্ৰস্তাৱটো পাচ কৰাত সদনৰো

মৰ্য্যদা আছে, সদনৰ সেই মৰ্য্যদা ৰক্ষা কৰাৰ কাৰণে প্ৰস্তাৱটো উত্থাপন কৰা আৰু পাচ কৰাৰ পৰা বিৰত থাকি প্ৰস্তাৱটো মাননীয় সদস্য শ্ৰীকমলা কলিতা ডাঙৰীয়াই উঠাই লওক বুলি কৈ সামৰণি মাৰিছো।

মাননীয় অধ্যক্ষ ঃ এতিয়া মাননীয় সদস্য শ্ৰীদূৰ্গা দাস বড়ো।

শ্ৰীদূৰ্গা দাস বড়ো ঃ মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰী পক্ষৰ বিধায়ক মাননীয় সদস্য শ্ৰীকমলা কলিতা ডাঙৰীয়াই এই বিধান সভাত সংশোধনী এটা আনিছে আৰু সেই প্ৰস্তাৱৰ ওপৰত সমৰ্থন আগবঢ়াই মাননীয় সদস্য শ্ৰীদেবকুমাৰ বৰা ড্যাঙৰীয়াই এটা কথা কৈছে। সেইটো হৈছে যে আমাৰ বিৰোধী পক্ষৰ দুই এজন মাননীয় সদস্যই ভাৰতীয় মানুহৰ ওপৰত বেছি দৰদী নহৈ বিদেশী মানুহৰ প্ৰতিহে বেছি দৰদী হোৱা যেন উমান পোৱা গৈছে। তিনি কিলোমিটাৰ দূৰত্বৰ ভিতৰত পচিশ টকা মই জৰিমনা বুলিয়েই কৈছো সেইটো ভৰি বিদেশীৰ বিৰুদ্ধে আপত্তি দিয়াৰ লগে লগে আপত্তি আৰু চিনাক্তকৰণ কৰাৰ কাৰণে নথি-পত্ৰ দিয়া আৰু বিদেশী বুলি চিনাক্তকৰণ কৰা দায়িত্বও ভাৰতীয় নাগৰিকৰ ওপৰতে দিছে। এইটো কথা উঠাই দিবলৈহে এই প্ৰস্তাৱটো আচলতে অনা হৈছে। এইখিনি সমৰ্থন কৰি বক্তৃতা দীঘলীয়া কৰিবলৈ নগৈ মই মাথোন এই সদনৰ মাননীয় সদস্য সকলক এটা কথা লক্ষ্য কৰিবলৈ কওঁ যেন তেখেত সকলে নিজ নিজ সমষ্টি বা এলেকাৰ পৰা আহিছে সেই সেই এলেকাৰ বিষয়ে তেখেত-সকলৰ অভিজ্ঞতা আছে। কিন্তু দেখা গৈছে অসমৰ যিবিলাক ট্ৰাইবেল বেল্ট আৰু ব্লক স্বাধীনতাৰ পিচৰে পৰা আছিল সেই বেল্ট আৰু ব্লক বিলাকত সন্দেহযুক্ত বিদেশীসকলৰ দ্বাৰা আক্ৰান্ত হৈছে। এই সংক্ৰান্তত এইটো কথা কব লাগিব যে জনজাতীয় সকল সাধাৰণতে অশিক্ষিত। কিয়নো শিক্ষাৰ পোহৰ এতিয়াও সম্পূৰ্ণৰূপে তেওঁলোকৰ মাজত বিস্তাৰিত হোৱা নাই। যদিও তেওঁ-বিলাকৰ নামত মাটি আছে তাৰ ভিতৰত বেছিৰ ভাগেই দুখীয়া। এই দুখীয়া মানুহবিলাকে পচিশ টকীয়া জৰিমনা ভৰি আইন আদালতৰ গোন্ধ নোপোৱা জনজাতীয় সকলে তেওঁলোকৰ ওচৰে পাজৰে থকা বিদেশী সকলৰ বিৰুদ্ধে ফৰ্ম ফিল আপ কৰিবলৈ যোৱাটো নিতান্তই অসুবিধাৰ কথা। তেওঁলোক এই বিলাক কৰিবলৈ গৈ হাবাশাস্তি হবলৈ নাযায় অথচ এইটো নকৰিলে ভাৰতীয় সংবিধানত দিয়া জনজাতীয় বেল্ট আৰু ব্লকৰ যিটো অধিকাৰ সেইটো মতে

বিদেশীতো দূৰৰ কথা অজনজাতীয় লোকো এই বেল্ট বা ব্লকৰ ভিতৰত থাকিব নোৱাৰে। সেই অধিকাৰৰ পৰা আমাৰ জনজাতীয় লোকসকল বঞ্চিত হব। জনজাতীয় সকলৰ ভাষা সংস্কৃতি, কলা-কৃষ্টিৰ প্ৰকৃত বিকাশ সম্ভৱ হৈ নুঠিব।

মাননীয় অধ্যক্ষ : এতিয়া ১২'৩০ বাজিল। মাননীয় সদস্যই আবেলি কব।

(এতিয়া আবেলি ২'৩০ বজালৈ সদন স্থগিত থাকিল)।

(মধ্যাহ্নভোজনৰ পিছত)

শ্ৰীদুৰ্গাদাস বড়ো : মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰস্তাৱৰ দ্বাৰা সমগ্ৰ অসমৰ বিভিন্ন জনগোষ্ঠীৰ লগত আমাৰ জনজাতীয় সকলৰ কলা সংস্কৃতিকে আদি কৰি সকলো দিশ ৰক্ষা পৰিব। আমি লক্ষ্য কৰি আহিছো বিগত বছৰকেইটাত স্বাধীনতা লাভৰ পৰা আৰম্ভ কৰি অসমত যি সকলে চৰকাৰ গঠন কৰিছিল তেওঁ লোকে জনজাতি ট্ৰাইবেল বেল্ট ব্লকত জনজাতিৰ লোক সকলক ৰক্ষণাবেক্ষণ দিব পৰা নাই। ট্ৰাইবেল বেল্ট ব্লকত ভাৰতীয় জনজাতিৰ লোকৰ লগতে অভাৰতীয় লোক সকলকো থকাৰ ব্যৱস্থা কৰি দিছিল জনজাতিৰ বেষ্টনীৰ মাজত অবৈধভাবে বাহিৰালোকে বসবাস কৰিছিল তেওঁলোকক কোনোধৰণৰ ৰক্ষনাবেক্ষন দিয়া হোৱা নাছিল। গতিকে মাননীয় সদস্য শ্ৰীকমলা কলিতা ডাঙৰীয়াই যিটো প্ৰস্তাৱ দাঙি ধৰিছে এই প্ৰস্তাৱৰ দ্বাৰা খিলঞ্জীয়া লোক সকলৰ উপকাৰ হব আৰু তেওঁলোকৰ সমস্যা সমাধান হব। দুই এজন মাননীয় বিৰোধীপক্ষৰ সদস্যই কবলৈ লৈছে যে এই প্ৰস্তাৱটো গ্ৰহণ কৰাৰ লগে লগে অসম চৰকাৰে ইয়াৰ সংশোধনীৰ কাৰণে কেন্দ্ৰীয় চৰকাৰক অনুৰোধ জনাব লাগে। কিন্তু আমি যিকোনো উপায়ে অসমীয়া লোকক ৰক্ষনাবেক্ষন দিব লাগিব আৰু তাৰ কাৰণে যি সংশোধনীৰে দৰ্কাৰ সেই সংশোধনী আনিব লাগিব। মই বিৰোধী পক্ষৰ মাননীয় সদস্য সকলক অনুৰোধ জনাইছো যাতে অসমীয়া জাতিৰ স্বাৰ্থত তেখেত সকল একাত্ৰিত হৈ এই প্ৰস্তাৱক সমৰ্থন জনাব।

শ্ৰীশান্তিৰঞ্জন দাসগুপ্ত : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীকমলা কলিতা ডাঙৰীয়াই যিটো প্ৰস্তাৱ সদনত উৎথাপন কৰিছে মই প্ৰস্তাৱৰ লগত একমত হব নোৱাৰো। মই এইবাবেই বক্তব্য ৰাখিব বিছাৰিছো। এই ক্ষেত্ৰত মোৰ এজন অসমীয়া কবিৰ দুটা লাইন মনত পৰিছে। মই লাইন দুটাৰ উদ্ধৃতি দিব বিছাৰিছো "ভনীয়ে ভাগিলে যতৰা ঘৈনীয়ে ভাগিলে কাহী মিছিকায় ধৰে

হাহি। গতিকে অসমৰ বাহিৰৰ যিবিলাক লোক সকলোৱে অভাৰতীয। আমি যিহেতু কওঁ বিৰোধী পক্ষৰ সদস্য সকলোৱে অভাৰতীয় যিহেতু আমি তেওঁলোকক সমৰ্থন কৰি আছো। অধ্যক্ষ মহোদয় মাননীয় সদস্য সকল সকলোৱে যুবক. বয়স বৃদ্ধি হলে বুজিব একে ঠাইতে বসবাস কৰা লোক সকলৰ মনত ভালোবাছা বা ৰেখা থাকে। অধ্যক্ষ মহোদয় আমাৰ যিবিলাক ডাঙৰ ডাঙৰ মানুহ আছে ভাৰত স্বাধীন হোৱাৰ পাছত যেতিয়া সংবিধান ৰছনা কৰা হোৱা নাছিল তেতিয়াই অসমৰ ইলাষ্টেট চন এজনে কৈছিল, কনস্তিটুৱেন এচেম্বলী কৈছিল। মই তেখেতৰ উদ্ধতিটো পঢ়ি শুনাই দিছো।

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (পৰিবহন মন্ত্ৰী)ঃ অধ্যক্ষ মহোদয় মাননীয় সদস্য গৰাকীৰ কথাৰ উত্তৰত মই এটা কথা কব বিছাৰিছো তেখেতে কৈছে যে বয়স হলে আমি কথা বুজিম মই এটা কথা কব বিছাৰিছো যেতিয়া দেশখন সমস্যাত জৰ্জ্জৰিত হৈছিল তেখেত সকল যেতিয়া শাসনৰ গাদীত আছিল আমি আন্দোলনৰ গুৰী ধৰিছিলো দেশত শান্তি শৃঙ্খলা ৰক্ষাৰ কাৰণে।

শ্ৰীশান্তিৰঞ্জন দাসগুপ্তঃ কনষ্টিটুৱেন্ট এচেম্বলীৰ দিবেটৰ কাৰ্যাবিৱৰনী- ইলাষ্ট্ৰেটেড চন ৰোহিনী চৌধুৰীয়ে কৈছিল-১৪৪ পৃষ্ঠাত আছে।

Shri Rohini Kumar Choudhury said, "By this amendment I want citizenship rights for those persons I am particularly concerned with Assam who had come from East Bengal because they found things impossible for them there. It may be argued in a narrow way that every one who has come from East Bengal was not really actuated by fear or disturbance or actually living in a place where disturbance had taken place. Can anyone imagine for a moment that there is no fear of disturbance in the minds of these East Bengal people who had come over to West Bengal or Assam ? Was there any sense of security in their minds ? Has that sense of security, now after a period of two years, been enhanced by the fact that Pakisthan

has been converted into a theocratic State ? I should say in answer to the criticism of Pandit Kunzru, that you need not insist in such cases that the man actuated by fear of disturbance or that disturbance should have taken place. The fear is latent in the mind of everybody. The moment any Hindu or a person of any minority raises a protest against any action which is taken here, disturbances would immediately follow. Is there any doubt about it ?

Therefore, Sir, in answer to Pandit Kunzry's criticism I would say that that this condition of fear of disturbance should not at all be insisted in the case of a person coming from Pakistan over to West Bengal or Assam or any other place in India ?

Again Shri Rohini Kumar Choudhury said: I want citizenship rights to this class of people, who have originally belonged to Sylhet in the province of Assam who long before the partition, have come to the Assam Valley as a citizen of that province and are staying in the present province of Assam. I ask have they got citizenship or not? These people belonged to the province of Assam, Sylhet. They had come to Assam on some business or other, they had come as government servants or as emyloyees of business-men. They had not migrated ; no question of migration arise at that time.

আমাৰ অসমৰে এজন ইলাষ্ট্ৰেড চন তেখেতে এই কথা কৈছিল। আজি ইমান দিনৰ পিচত মাননীয় সদস্য জনে যিটো প্ৰস্তাৱ আনিছে সেই প্ৰস্তাৱৰ জৰিয়তে আমি কি দেখিছোঁ ? যিটোত আমি এটা ইছুলৈ ডিল কৰা নাই। যিটো কথা আমাৰ কংগ্ৰেছৰ নেতা গৰাকীয়ে কৈছিল চি, পি, এমৰ শ্ৰীহেমেন দাস ডাঙৰীয়াইও

কৈছিল যে ষত গোটেই ইছুটো জড়িত হৈ পৰিছে। এই ইছুবিলাক ৰিকমেণ্ড কৰি দিব লাগে সদনৰ পৰা। ইমিগ্ৰেণ্ট মাগ্ৰেণ্ট ক্ৰট ইলিগেল্ ফৰেইনাৰ্চ এক্ট বুলি কৈছে তাতকৈ ফৰেইনাৰচ্ এক্ট বুলি নকয় কিয় ? কাৰণ ফৰেইনাৰচ্ ইজ অলওৱেজ ফৰেইনাৰচ্। আৰু এইটো সুবিধা আপোনালোকক এক্ৰৰ্ডত দিছেই। এক্ড মতেই ১৯৬১ চনৰ পৰা ১৯৭১ চনলৈ যিবিলাকৰ ভোটাৰ লিষ্টত নাম নাই তেওঁলোকে মাত্ৰ ভোটিং ৰাইটতোহে কাঢ়ি লোৱা হব বাকী সকলক নাগৰিকত্ব দিয়া হব। ১৯৮৫ চনৰ ১৫ আগষ্টৰ ৰাতি ২ বাজি ৪৫ মিনিতত বৰ্ত্তমানৰ মুখ্যমন্ত্ৰী তেতিয়াৰ আছুৰ নেতা আৰু এতিয়াৰ গৃহমন্ত্ৰী তেতিয়াৰ আছুৰ নেতা আৰু গণ সংগ্ৰামৰ নেতা শ্ৰীবিৰাজ শৰ্ম্মাই চহী কৰিছিল। তেতিয়াও এই এষ্টান কিন্তু আছিল। আজি এজনক এটা ইন্‌ফিনিট্ ৰাইট দিয়া হৈছে যিটোত ৫০০ কি; মিটাৰতকৈও বেছি। এই গোটেইখিনি জুৰিচুডিকচন জুৰি দিব লাগে যাতে মানুহে আপত্তি কৰিব পাৰে। কিছুমান ঠাইত দেখা যায় এজনেই ৮-৯ হাজাৰকৈ দৰখাস্ত দিছে ভোটাৰৰ বিৰুদ্ধে যে তেওঁলোক ভাৰতীয় নহয়। আইনখনত এইটো স্বীকাৰ কৰা নাই। এইটো কৰিবৰ হলে গোটেই চিভিল প্ৰচিডিউৰটো বদলাব লাগিব। এই সংক্ৰান্তত যি কেইখন আইন আছে ফৰেইনাৰচ্ এক্ট মাইগ্ৰেচন এক্ট, ট্ৰিবুনেল এক্ট এই গোটেইবিলাক ইয়াৰ লগত জড়িত হৈ আছে। এইবিলাকো তেতিয়াহলে সলনি বা সংশোধন কৰিব লাগিব।

অধ্যক্ষ মহোদয়, মই কব বিচাৰিছোঁ এই বিলাকত এটা ইছু দিব পাৰে। কিন্তু কোনো কোনো ক্ষেত্ৰত ১০ টাৰো বেচি দিয়া দেখা যায়। আকৌ কিছুমান ক্ষেত্ৰত এটাও নাই। এই কথাটো বিৰোধী দলৰ দলপতি ডাঙৰীয়াই কৈছে যে এই বিলাক ঠাইত তেওঁলোকৰ কেন্দ্ৰীয় চৰকাৰে বহুত কিবা-কিবি সুমুৱাই দিব পাৰে। গতিকে কিছুমান ঠাইত ৰিজলিউচন লওঁতে সদনৰ সকলো সদস্য সদায় একমত হবলৈ টান হয়। এই প্ৰস্তাবটো যদি গ্ৰহন কৰা হয় তেনেহলে ইয়াৰ অৰ্থ নাইকিয়া হৈ যাব। এই কথা আমাৰ ৰাজবংশী ডাঙৰীয়াইও কৈছে যে এজন সদস্যাই এই প্ৰস্তাৱটো সমৰ্থন কৰি কৈছে যে ৩২ মাইলজুৰি তাত এজন মানুহো পোৱা নাযাব যত এজন মানুহ অভাৰতীয় বুলি কবলৈ সাহস পাব। গোটেই অসম দেশখন আগবঢ়াই নিয়াত অসমীয়া ৰাইজৰ যথেষ্ট

ৰবঙনি আছে। কিন্তু ইয়াত অসমত অন্য ভাষা কোৱা মানুহৰো ৰবঙনি কম নহয়। এতিয়াও তেওঁলোকে ৰবঙনি আগবঢ়াই আহিছে। নিতৌ মানুহ আহি সোমাই আছে বুলি তেওঁলোকে কৈ আছে এইটো বাতৰি কাকতত ওলোৱা কথা কিন্তু প্ৰমান কৰা টান। মই আগতেই কৈছো যে ঘৈণীয়ে ভাঙিলে কাহী থলে মিচিকিয়াই হাঁহি। ভনীয়ে ভাঙিলে কটৰা গড়গাওঁ পালেগৈ বতৰা। আচলতে সকলোৱে মনত এতিয়া অবিশ্বাসৰ ছাঁ। ইয়াৰ ফলত তেওঁলোকে যাক ভাৰতীয় বুলি ভাবিছে তেওঁলোকেহে যেন ভাৰতীয় আৰু বাকী বিলাক অভাৰতীয় তেনে দোমোজাৰ ভাব আহিছে। গতিকে এইবিলাক কথা আমি গোটেইবিলাকে মিলি আলোচনা কৰি লৈ অসমৰ উন্নতিৰ কথা চিন্তা কৰিলে বেছি লাভবান হব পৰা যাব বুলি ভাৱিছো বগৰীবাৰি আৰু কৰিমগঞ্জৰ নিচিনা ঘটনা হব নালাগে এইটো হৈছে অবিশ্বাসৰ কাৰণে। ইয়াৰ কাৰণে চাফাৰ কৰিছে অসমৰ জনসাধাৰণে। অসম দেশৰ স্বাৰ্থ ৰক্ষাৰ কাৰণে এই অবিশ্বাসৰ ভাৱ দূৰ কৰি সকলো মিলিজুলি অসমৰ উন্নতিৰ হকে কাম কৰিব লাগিব।

মাননীয় অধ্যক্ষ : এতিয়া মাননীয় সদস্য শ্ৰীমতি দাসে কব।

শ্ৰীমতি দাস : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীকমলা কলিতা ডাঙৰীয়াই সদনত উতথাপণ কৰা এই সংশোধনী প্ৰস্তাৱটো মই সমৰ্থন জনাইছো আৰু আশা ৰাখিছো সদনত উপস্থিত থকা সকলো মাননীয় সদস্যই এই সংশোধনীৰ প্ৰতি পূৰ্ণ সমৰ্থন আগবঢ়াব। কাৰণ অসম বিধান সভাৰ সকলো সদস্যই অসমৰ হিত চিন্তা কৰাটো গুৰুত্ব আছে। অসমৰ পৰা বিদেশী বহিস্কাৰ কৰাৰ ক্ষেত্ৰত অসমৰ হিত চিন্তা কৰা সকলো লোকেই সহায়ৰ হাত আগবঢ়োৱা- উচিত বুলি মই ভাবো। প্ৰবজন মানে হল যিকোনো এখন দেশৰ পৰা আন এখন দেশলৈ যোৱা বুজায়। এঠাইৰ পৰা আন এখন ঠাইলৈ গৈ বসতি কৰা বুজায়। অভিযোগ দাখিল কৰাৰ ক্ষেত্ৰত মাত্ৰ তিনিকিলোমিটাৰ দূৰত্বৰ ভিতৰত থকা লোকেহে কোনো লোক বিদেশী বুলি অভিযোগ দাখিল কৰিব পাৰে কিন্তু মই নিজে জানো যে কোনো অঞ্চলত ৮-১০ কিলোমিটাৰ পৰ্য্যন্ত সন্দেহযুক্ত লোকেৰে ভৰপূৰ হৈ আছে। সেয়ে এই বিষয়টোৰ ওপৰতো চিন্তা কৰিব লাগে। আনহাতে অভিযোগ দাখিল কৰিবলৈ হলে এজন লোকে ২৫ টকা ভৰিব লাগে মাছুল হিচাবে। এইটো উঠাই দিয়াটো ভাল হব। কাৰণ চৰকাৰৰ কাম-কাজত জনসাধাৰণে সহায়

কৰিবলৈহে আগবাঢ়ি আহিব। কিন্তু নিজৰ পকেটৰ পৰা ২৫ টকা খৰচ কৰি কোনে চৰকাৰক সহায় কৰিবলৈ যাব, কোনে সন্দেহযুক্ত ব্যক্তিৰ ওপৰত অভিযোগ দাখিল কৰিবলৈ যাব ? আনহাতে স্বজনপ্ৰীতি আৰু প্ৰাণৰ ভয়তো বহুতো লোকে অভিযোগ দিবলৈ যাব নোখোজে, সেয়ে এই কথা কেইটাৰ সাল-সলনি আনিবলৈ বিচৰা হৈছে। তেওঁলোকে আৰু কৈছে যে হাই কোৰ্টে পৰ্য্যবেক্ষণ কৰিব লাগিব। কিন্তু হাইকোৰ্টে ইয়াৰ যুক্তি যুক্ততা চাইহে ৰায়দান কৰিব। এনে কৰিবলৈ যাওঁতে গোটেই প্ৰক্ৰিয়াটো বেছ দীঘলীয়া হৈ পৰিব। কিন্তু অসমৰ বৰ্ত্তমান যি পৰিস্থিতি ইয়াৰ পৰিপ্ৰেক্ষিতত এই সংশোধনী অতি সোনকালেই কৰাটো অতি প্ৰয়োজন। নিৰ্ব্বাচন আদি পাতিবলৈ হলেও বিদেশী সমস্যাৰ সমাধান কৰিবই লাগিব। যি ক্ষেত্ৰত আমি আপত্তি আনিছো মোৰ বোধেৰে এই ক্ষেত্ৰত ভুল কৰা নাই।

মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিৰোধী দলৰ সদস্য শ্ৰীগোলাম ওছমানি ডাঙৰীয়াই যিটো কথা কৈছে - যে ধুবুৰীত বাস কৰা এজন লোকৰ ওপৰত ডিব্ৰুগড়ত থকা এজন লোকে অভিযোগ অনাটো সম্ভৱ নহয়। অভিযোগ দিবলৈ হলে এজন লোকে আনজনৰ বিষয়ে ভালদৰে জানিব লাগে। মোৰ বিষয়ে কোনোবাই নজনাকৈ অভিযোগ কেতিয়াও দিব নোৱাৰে। এইটো লৰা ছোৱালী খেলৰ দৰে নহয়। চি-পি-এমৰ শ্ৰীহেমেন দাস ডাঙৰীয়াই কৈছে যে সংবিধান মানি চলিম বুলি আমি শপত গ্ৰহণ কৰিছিলো। সচাকৈয়ে আমি সংবিধান মানি চলিছোনে। কিন্তু সংবিধানত যদি কিবা ভুল ক্ৰুটী থাকে সেইটো শুধৰাই লৈ মানি চলাটো সংবিধানক বেছি শ্ৰদ্ধা কৰা হয় বুলি মই ভাবো। সংশোধন আৰু সালসলনি দুটা বেলেগ শব্দ। ইয়াৰ পাৰ্থক্য আছে। আমি শব্দটোৰ সংশোধনহে কৰিব বিচাৰিছো, সালসলনি কৰিব বিচৰা নাই। এটা বস্তু বেয়া হৈ থাকিলে তাক ভাল কৰি লোৱাতো সকলোৰে কৰ্ত্তব্য। মই সেয়ে সকলো বিৰোধী পক্ষৰ সদস্যক অনুৰোধ কৰিছো যাতে এই প্ৰস্তাৱটো সমৰ্থন কৰি বিদেশী বহিস্কাৰ সমস্যাটোত সহায়ৰ হকে আগবঢ়ায় যেন ইয়াকে কৈ সামৰনি মাৰিছো।

Shri Sarat Chandra Sinha : Mr Speaker sir, I quite appreciate that the mover of the resolution and his supporters are very eager to get the Accord implemented, particularly,

the part relating to detection, determination and deportation of those who entered Assam after 1971: This Resolution, sir, has created an impression that it is the primary responsibility of the people, and not of the Government to detect, determine and deport the foreigners and that they would have to play a definite role in this matter by bringing before the Tribunals the cases of the suspected people. Sir, that is not the correct position. The entire responsibility lies with the Government. The Government will have to detect, determine and deport these people who came to Assam after 1971. Government have the machinery to do this, as our Hon Member, Shri Hemen Das has said Government have enough power to do this, but the Government are not using it and instead, leaving it to the people. This resolution has created also an inpression that, because of this illegal Migrants' Act, detection determination and deportation of foreigners have not been taken up and the whole process has been delayed. Leaving aside this, a partinent question arise. What have the Government done so far ? The Government have had the massive mandate. The ruling party has come to power particularly on this issue. When they have come to power and formed the Government, they have to do it. Government should take up the matter in right earnest. Government has enough power under this very Act itself to do this. At the very outset when this subject matter was taken up in the Lok Sabha, we were opposed to the basic principle of setting one section of the people against the other. Sir, so far as this particular resolution is con-

cerneed, I do not like to go into the merits of the resolution and into the details of the Act. But then, to make my point clear I must cite 2 or 3 instances. It is quite understandable that an objector may not be available within 3 k, m. It is true. But if this limit is removed then what happens ? Any man can complain, a large number of persons. We have seen in the case of filing the objections to enrolment of the voters that one person filed objections against thousands of people. Here a person sitting in a remote place may file cases against hundreds and thousands of innocent Indian citizens whom he has no chance to know. There is no denying the fact that there is a kind of feeling, even in day to day discussion in the House that certain section of people has been branded as Bangladeshis ; there is a suspicion of their status as Indian citizens. If on account of that suspicion some people start filing cases against them and the cases are sent to the Tribunal then hundreds and thousands of Indian people will be harassed. On principle we are opposed to the measure that one section of the people is set against another. Whether it is a matter of 3 k. m. or payment of twentyfive rupees, we are opposed to this on principle. It is entirely the responsibility of the Government to see that the foreigners or the illegal migrants, whatever it may be who came to Assam after 1971, should be detected, determined and deported as laid down in the Act itself and the Government have enough power to do it. Government have the machinery to do it. The Government should not encourage us to fight. one against the other. There are di-

fficulties, but insp'te of difficulties and in spite of prevailiag misunderstanding we want to create understanding, tolerence among the diferent sections of the people so that there may be peace in the society. But if the Act is allowed to be operative in this manner asking one section of people to file objections one against the other it will be disastrous. If the people are to take up the responsibility of the Government then there will be misunderstanding, They will have to suffer. Sir, it seems that this resolution has been brought to cover or to conceal the failure of the Government to detect, determine and deport the foreigners. I am asking the Government a question. Till how many foreigners have been detected, determined and deported ? There may be delay in the procedural matters in the Tribunal, But then I may ask the question how many cases have been detected and sent to Tribunal. I do not accuse the Government either. There may be certain difficulty. I do not accuse the Government, but the falt is that the Government has not been able to do it. We must appreciate this. Inspite of the difficulties Government has been experiencing, the Government will have to do it: One section of the people should not be set against another section. Instead of going into the merits of the Act and so also of this resolution we are opposed to the principle of asking one section of the people to file cases against others, particularly when the question of emotion and sentiments are involved. This may create misunderstanding in the society, It is on this principle that I am opposed to the resolution. This resolution has created an

impression that Government has not been able to detect, determine and deport the illegal migrants because the Centre has not done anything to amend the Act. Leave aside the Act. The Government has enough power, When I say this I again appreciate that there are difficulties. So I would request the members that they should understand the question of difficulties involved in this matter on the part of the Government too. But, whatever it might be, whether there is any difficulty or not, Government will have to do it. Government has the primary responsibility. Therefore, on this principle I oppose the resolution.

শ্ৰীজয়নাথ শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, আজি মাননীয় সদস্য ডাঃ কমলা কান্ত কলিতাই যিটো প্ৰস্তাৱ ডাঙি ধৰিছে এই প্ৰস্তাবটো আমি আজিৰ এই বিধান সভাত বিনা প্ৰতিবাদে গ্ৰহণ কৰাটো অধিক যুক্তি যুক্ততা আছে কাৰণ যিখন আইনৰ জৰিয়তে বিদেশী চিনাক্তকৰণ কৰাৰ কথা কোৱা হৈছে, এই আইনখনৰ সংশোধনী লাগে বুলি ভাৰতবৰ্ষৰ দুয়োটা সদনতেই অসম চুক্তি হোৱাৰ পাছত ১৯৮৫ চনৰ ১৬ আগষ্ট তাৰিখে প্ৰধানমন্ত্ৰীয়ে ডাঙি ধৰিছিল আৰু ভাৰতবৰ্ষৰ উচ্চ সদন আৰু নিম্ন সদন দুয়োটা সদনতেই প্ৰধান মন্ত্ৰীয়ে এই চুক্তিখন ডাঙি ধৰে চুক্তিত থকা এটা বিশেষ দফা, এই দফা সংশোধন কৰিবৰ কাৰণে। কেন্দ্ৰীয় চৰকাৰে এই বিষয়ে ডাঙি ধৰোতে তাত ভাৰতবৰ্ষৰ সংসদৰ কোনো ৰাজনৈতিক দলে বা কোনো ব্যক্তি বিশেষে বা কোনো সংসদী সদস্যই বিৰোধীতা কৰা নাছিল। এতিয়া কেন্দ্ৰীয় চৰকাৰৰ দায়িত্ব সোৱৰাই দি অসম বিধান সভাত এটা প্ৰস্তাৱ এই আইন খন আমি সংশোধন কৰিবলৈ আগবঢ়োৱাটো নিশ্চয় কোনো ভুল কথা হব নোৱাৰে। এইখন 'স্পিৰিট অৱ দি এক্ট' অসমৰ পৰা বিদেশী বহিস্কৰণ কৰাৰ কাৰণে, বিদেশী চিনাক্তকৰণ কৰাৰ কাৰণে এটা সুচল ব্যৱস্থা কৰাৰ কাৰণে এটা ব্যৱস্থা লব লাগে। এই এক্ট খনৰ বাস্তৱ ধাৰা আছে, ক'ত ক'ত ধাৰা আছে, যিবোৰ ধাৰাৰ জৰিয়তে বিদেশী চিনাক্তকৰণ কৰাত বাধা দিছে। যিবোৰ ধাৰাৰ জৰিয়তে বিদেশী চিনাক্তকৰণ কৰাত বাধা দিছে

সেই বোৰ ধাৰা আমি বিধান সভাৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাবী জনোৱাতো ন্যাৰ্য্য হব। আজি অসম চুক্তি সন্দৰ্ভত বা অসম চুক্তিৰ জৰিয়তে বিদেশী বহিস্কৰণ কৰা সন্দৰ্ভত কেন্দ্ৰীয় চৰকাৰে যিবোৰ কথা মানি লৈছে আৰু কেন্দ্ৰীয় চৰকাৰে চুক্তিখন সন্মতি দিয়াৰ পাচত যিহেতু কেন্দ্ৰীয় চৰকাৰে ভাৰতবৰ্ষৰ জনসাধাৰণক কৈছে যে অসমতো অবৈধ বিদেশী নাগৰিক আছে। চুক্তিখন এই কাৰণেই হৈছে, সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদে চলাই থকা ন্যাৰ্য্যতা সম্পূৰ্ণ কেন্দ্ৰীয় চৰকাৰে মানি লৈছে আৰু মানি লোৱাৰ কাৰণেই এই চুক্তি খন হৈছে।

এতিয়া বিদেশী বহিস্কৰণৰ কৰাৰ ক্ষেত্ৰত প্ৰকৃত ব্যৱস্থা লোৱাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰক আমি সোঁৱৰাই দিয়াৰ উপযুক্ত সময় আহি পৰিছে। কিয়নো আজি অসমৰ পৰা বিদেশী বহিস্ককৰণ কৰাৰ কাৰণে কেন্দ্ৰীয় যি খন আইন আছে এই আইখনত কেইটামান দাবী আছে আৰু যি কেইটাৰ কাৰণে এই বিদেশী বহিস্কৰণৰ কাম-কাজ সোনকালে কৰাত বাধা আহি পৰিছে আৰু সেইকাৰণেই মাননীয় সদস্য কলিতা ডাঙৰীয়াই এই আইনখনৰ কেইটামান দফাৰ সংশোধনী আনিছে প্ৰস্তাৱ আনিছে গতিকেই এই প্ৰস্তাৱটো আমি গ্ৰহন কৰাতো উচিত। তাৰ পাচত অবৈধ বিদেশী প্ৰবজককাৰী আৰু অবৈধ বিদেশী নাগৰিকৰ মাজত নীতিগত ভাবে পাৰ্থক্য নাই যদিও বিদেশী প্ৰবজককাৰী বোলোতে ভুল বুজা-বুজি হব পাৰে সেইকাৰণে এই যি অবৈধ বিদেশী নাগৰিক সংশোধনী অনা হৈছে এইটো প্ৰয়োজন সাপেক্ষেহে হৈছে।

মই উদাহৰণ হিচাবে কব বিচাৰো যে মঙ্গলদৈৰ চাউলখোৱাত কমেও ২ লাখ বিদেশী আছে আৰু এই ২ লাখ বিদেশীৰ বিৰুদ্ধে অবজেকশ্যন দিবলৈ হলে প্ৰতিটো অবজেকশ্যনৰ কাৰণে ২৫ টকাকৈ কিমান টকাৰ প্ৰয়োজন হব ? মাননীয় সদস্য এগৰাকীয়ে কৈছে যে ভোটাৰ তালিকা সংশোধনী কৰোতে একো একোজনে ১০ হাজাৰ ১২ হাজাৰ টকা দিছিল অবজেকশ্যনৰ কাৰণে, যি সকলে দিছিল সেই সকলক গৰিহনা দিব নালাগে, তেওঁলোকক পুৰস্কাৰহে দিব লাগে। কাৰণ তেওঁ-লোক প্ৰকৃত দেশ প্ৰেমীক। এজন বগাছালৰ মানুহ অসমলৈ বিনা পাচপোৰ্টত আহিলে তেওঁক ততালিকে ধৰা পেলোৱা হয় আৰু শাস্তি দিয়া হয় কিন্তু বাংলা-দেশীৰ ক্ষেত্ৰত একে ৰং হোৱাৰ কাৰণে কোনো ব্যৱস্থা লোৱা নহব নেকি ?

যোৱা চৰকাৰৰ আৰ্শীবাদত মই জেলত থাকোতে এজন জাপানী লোক জেইলত লগ পাইছিলো, তেওঁ মোক তেতিয়া কৈছিল যে মই এজন হঠাতে বিদেশী অহাৰ কাৰণে মোক ধৰিলে কিন্তু আপোনালোকৰ ৰাজ্যলৈ হেনো ৪৫ লাখ বিদেশী আহিছে কিন্তু তেওঁলোককতো ধৰিব পৰা নাই বা উলিয়াব পৰা নাই। গাৰ বৰন একে কাৰণে তেওঁলোকক ধৰিব পৰা নাই নেকি ? লণ্ডন, জাপানৰ পৰা অহা সকল বিদেশী আৰু বাংলাদেশৰ পৰা অহা লোক সকল বিদেশী নহয় নেকি ? কেন্দ্ৰীয় চৰকাৰে কি পৰ্য্যবৈক্ষতভিত্তি কৰি বিদেশী নাগৰিক চিনাক্ত কৰিব ? কোনোবা এজন অভিযোগকাৰীয়ে ২৫ টকা দিয়াতকৈ গোটেই বিদেশী নাগৰিক চিনাক্ত কৰণৰ দায়িত্ববদ্ধতা চৰকাৰে লব লাগে। এখন দেশৰ সাৰ্ব্বভৌমত্ব ৰক্ষা কৰাতো চৰকাৰ আৰু ৰাষ্ট্ৰৰ দায়িত্ব এইটো বাৰদেন অব দি ষ্টেট হব লাগে। এই ২৫ টকা ধাৰাতো যেতিয়া সংশোধন কৰাৰ কাৰণে প্ৰস্তাব ভাঙি ধৰিছে, আৰু যদি আমি এইটো সমৰ্থন কৰো তেতিয়াহে আমি প্ৰকৃত ভাৰতীয় সকলৰ প্ৰতি এই বিধান সভাৰ সদস্য হিচাবে দায়িত্ব পালন কৰা হব ! আমি যদি অসম খনক বিদেশী প্ৰৱজকৰ পৰা মুক্ত কৰাৰ ব্যৱস্থা কৰিব পাৰো তেতিয়াহে আমাৰ দায়িত্ব পালন কৰা হব। এইটো কথা কোনেও নুই কৰিব নোৱাৰে যে কেতবোৰ অঞ্চল আমাৰ ৰাজ্যত আছে য'ত নেকি সমগ্ৰ অঞ্চলকে ধৰি তাত অসমৰ খিলঞ্জীয়া মানুহ নাই। উদাহৰণ স্বৰূপে চাউলখোৱা, নেলী মণ্ডীয়া ইত্যাদি অঞ্চলত অসমৰ খিলঞ্জীয়া মানুহ নাই। ১৯৮৩ চনত মণ্ডীয়াত যেতিয়া বাংলাদেশৰ পতাকা উত্তোলন কৰিছিল তেতিয়া তাত পুলিচক খবৰ দিবলৈ কোনো নাছিল। ১৯৮৩ চনৰ পাচত তাত কোনোবা মাতব্বৰ আহি পুলিচৰ আগত স্বীকাৰ কৰিছিল যে তেওঁলোকে তাত ১৫ আগষ্টৰ দিনা জাতিয় পতাকা উত্তোলন নকৰি বাংলাদেশৰ পতাকা উত্তোলন কৰিছিল। এইটো কথাও কোনেও নুই কৰিব নোৱাৰে যে নগাওঁৰ পৰা থাকুৰেটীয়া পৰা কৌপাতি লৈ এটা ৰাস্তা আছে তদন্ত কৰি খবৰ ললে জানিব- এই কৌপতি অঞ্চলত ব্ৰহ্মপুত্ৰৰ পাৰত ৩ মাইল জোৰা কেৱল বাংলাদেশী লোকে ভৰি আছে, তেওঁলোকক পুলিচে বিচাৰিলে ব্ৰহ্মপুত্ৰৰে পাৰ হৈ দৰং জিলা পায় আৰু দৰংৰপৰা খেদিলে পাৰ হৈ পুনৰ নগাওঁত সোমায়। আজি এইবিলাক অঞ্চলত যিবিলাক সমাজ বিৰোধী কাৰ্য্য কলাপ চোৰ ডকাইট্ৰি ইত্যাদি অহৰহ চলি আছে তাৰ ফলত সেই অঞ্চলবিলাকত খিলজীয়া মানুহ

থাকিব নোৱাৰি আন ঠাইলৈ গুচি গৈছে। সমগ্ৰ দলগাও অঞ্চলতে ১৯৪৮ চনতে কিছুমান খিলঞ্জিয়া মানুহক চৰকাৰে আবণ্টন দিছিল কিন্তু সেই স্থানীয় লোকসকলক বাংলাদেশী লোকে কোবাই কিলাই খেদি দিছে। তেনে ক্ষেত্ৰত আজি যদি তিনি কিলোমিটাৰ ৰেডিয়াচ বা পৰিসীমাৰ ভিতৰত থকা এজন মানুহক অভিযোগ দিব লাগিব বুলি কোৱা হয় তেতিয়াহলে হাজাৰ হাজাৰ লাখ লাখ বিদেশীৰ বিৰুদ্ধে সেই তিনি কিলোমিটাৰ পৰিসীমাৰ ভিতৰত থকা এজন বা দুজন মানুহে এই বিৰাট বাংলাদেশী এলেকাত ৰাংলাদেশী লোকৰ ওপৰত অভিযোগ দিব নোৱাৰে বা দিয়াটো অসম্ভব। মই এটা উদাহৰণ দিব বিচাৰিছো ধৰক এজন মানুহ ৰাস্তাত পৰি মৰি আছে তেনে ক্ষেত্ৰত এই বিষয়ে যিকোনো এজন মানুহে এই ঘটনাটোৰ বিষয়ে পুলিচক জনাব পাৰে আৰু পুলিচে সেই মতে ব্যৱস্থা লব পাৰে। অসম ৰাজ্য আৰু ৰাষ্ট্ৰৰ সীমান্তৰ পৰা বিদেশী প্ৰবজক আহি আছে তেনে ক্ষেত্ৰত কোনো এঠাইত বিদেশী প্ৰবজক আছে বুলি নীতি-গত ভাবে এটা সাধাৰন খবৰ দিলেই পুলিচ বা চৰকাৰী পক্ষই সেই বিদেশী নাগৰিক জনৰ ওপৰত আইনগত ব্যৱস্থা লোৱাতো প্ৰয়োজন। এজন বিদেশী নাগৰিকৰ ওপৰত কোনো অভিযোগ দিলে অভিযুক্তকাৰী জনে তেওঁ বিদেশী হয়নে নহয় সেই কথাটো তেওঁ নিজেই প্ৰমাণ কৰিব লাগিব। ধৰক নেলীত থকা বা মণ্ডীয়াত থকা এজন সন্দেহযুক্ত লোক বিদেশী হয়নে নহয় সেইটো ঘপকৈ প্ৰমান কৰাতো এজন মানুহৰ কাৰণে সম্ভৱ নহয় কিন্তু যিকোনো লোকেই তাত থকা এজন লোকক বিদেশী বুলি সন্দেহ কৰিব পাৰে। কোনোবা লোকে যদি মোক বিদেশী বুলি সন্দেহ কৰে, ধৰক শৰ্ম্মা ডাঙৰীয়া অসমৰ নহয় বা ভাৰতীয় নাগৰিক নহয় বুলি কোনোবা লোকে অভিযোগ দিয়ে তেতিয়াহলে মই যে ভাৰতীয় নাগৰিক আৰু মই যে বিদেশী নাগৰিক নহয় সেইটো মই নিজে প্ৰমাণ কৰিব লাগিব আৰু আদালতত মই নিজেই প্ৰমাণ কৰিব লাগিব। গতিকে বাৰডেন অব প্ৰুফ অথাৎ যিজন অভিযুক্ত হব তেওঁৰ ওপৰতেই প্ৰমাণ কৰাৰ দায়িত্ব ন্যস্ত হোৱা যুগুত আজি মই এই প্ৰস্তাৱ সংশোধনৰ ক্ষেত্ৰত মাননীয় সদস্য কেইগৰাকী মানে কোৱাৰ লগতে একমত হৈছো। ১৯৮৫ চনৰ ১৫ আগষ্টত কেন্দ্ৰীয় চৰকাৰৰ লগত চুক্তিৰ স্বাক্ষৰিত হ'ল আৰু ১৬ আগষ্টৰ দিনা প্ৰধান মন্ত্ৰীয়ে ঘোষনা কৰিলে। তাৰ পিচত আজিলৈকে কেন্দ্ৰীয় চৰকাৰে এই আইনখন সংশোধন

কৰা নাই। গতিকে কেন্দ্ৰীয় চৰকাৰৰ ওপৰত সন্দেহৰ অৱকাশ আছে। এই প্ৰস্তাৱত থকা অন্যান্য শব্দও আমি সংশোধন কৰি লব পাৰো। এই প্ৰস্তাৱ স্পেচিয়েলি ডাঙি ধৰা বুলি আমি কব পাৰো।

ইয়াৰোপৰি অসমৰ খিলঞ্জীয়া লোক সকলক মেঘালয়ৰ লোক সকলৰ নিচিনা কাৰ্ড দিয়াৰ ব্যৱস্থা কৰিব লাগে। আজি দুমাহ মানৰ আগতে মেঘালয়ৰ পৰা বিদেশীক ট্ৰাকত ভৰাই অসমলৈ পঠাই দিয়া হৈছিল। এই বিষয়ে বিধান সভাৰ মজিয়াত জানুৱাৰী মাহত আলোচনা হৈছিল। যদি মেঘালয়ে স্বাৰ্থ ৰক্ষাৰ কাৰণে সন্দেহযুক্ত বিদেশী লোকক বহিস্কাৰ কৰিব পাৰে, তেনেহলে অসম চৰকাৰে কিয় কৰিব নোৱাৰে। এই বিদেশী সকলক হাতে বজাৰে, ৰাস্তাই ঘাতে যতে ততে ধৰিব লাগে আৰু যদি স্বদেশী বুলি প্ৰমাণ দিব নোৱাৰে, তেতিয়া হলে সেই সকলক ট্ৰাকত ভৰাই নি বাংলাদেশত এৰি দিব লাগে। আমি সন্দেহযুক্ত মানুহক ধৰি পুলিচক গটাই দিব লাগে। যদি তেওঁলোকে পুলিচকো কোনো প্ৰমাণ দিব নোৱাৰে আৰু বিদেশী বুলি প্ৰমাণিত হয়, তেতিয়া হলে ট্ৰাকে ট্ৰাকে পঠাই দিব লাগে।

ভাৰতবৰ্ষৰ আন্তৰাষ্ট্ৰীয় সীমাৰ বাহিৰে পৃথিবীক কতো এনেকুৱা নহয়, যত অবাধে সেই সীমা পাৰ হৈ আহিব পাৰে। আমি সন্দেহ কৰিছো যে যি সকলক আন্তৰাষ্ট্ৰীয় সীমাৰ দায়িত্ব দিয়া হৈছিল বি, এছ, এফ বা অন্যান্য সকলক, তেওঁলোক থাকোতে কি কাৰণত হাজাৰ হাজাৰ মানুহ অসমলৈ আহিব পাৰে। ইয়াৰ নিশ্চয় যুক্তি যুক্ততা আছে।

কেন্দ্ৰীয় চৰকাৰে অসমক অবহেলা কৰি আছে। এই অবহেলাৰ কাৰণে আমি এতিয়া প্ৰস্তাৱ লব লাগে আৰু কেন্দ্ৰীয় চৰকাৰক দিব লাগে। ভাৰতবৰ্ষ বিদেশীৰ কবলৰ পৰা ৰক্ষা কৰিবৰ কাৰণে আমি এজনো বিদেশীক ভাৰতবৰ্ষৰ কোনো ৰাজ্যতেই স্থান দিব নেলাগে।

এসময়ত যেতিয়া চীন, পাকিস্থানে আমাৰ ৰাজ্য বন্দুক বাৰুদেৰে আক্ৰমণ কৰিছিল, তেতিয়া সকলোৱে গম পাইছিল। কিন্তু আজি আমাক বাংলাদেশীয়ে আক্ৰমণ কৰিছে বন্দুক বাৰুদেৰে নহয় বিদেশী সকলে অনুপ্ৰৱেশ কৰি। আমি জানিব পাৰিছো যে অসমত বাংলাদেশীয়ে গোৱালপাৰা, ত্ৰিপুৰা

আদিত স্কুল পাতিছে। যোৱা কালি কৈছে যে কৰিমগঞ্জত বাংলাদেশী পলাই গৈছে। কি আচৰ্যজনক কথা এজন মানুহ এখন ৰাজ্যৰ পৰা আন এখন ৰাজ্যলৈ যাব পৰা নাই, কিন্তু আমি যাব পাৰিছো। সীমাত সম্পূৰ্ণ মুক্ত হৈ আছে। কাছাৰ, কৰিমগঞ্জত মানুহে বাংলাদেশীয়ে আশ্ৰয় লৈছে। অসমৰ খিলঞ্জীয়া মানুহে ভয়তে পৰিয়াল লৈ ওলাব পৰা নাই। তেওঁলোকৰ ওপৰত নানা অত্যাচাৰ চলোৱা হৈছে। তেনেকুৱা যদি অত্যাচাৰ চলোৱা হৈছে তেনেহলে চৰকাৰও কঠোৰ হব লাগিব। যদি চৰকাৰ কঠোৰ নহয়, বাংলাদেশী আহিয়েই থাকে তেতিয়া হলে এটা সময়ত অসমৰ খিলঞ্জীয়া সকলৰ সংস্কৃতি ধুলিস্যাৎ হব। আজি ত্ৰিপুৰাৰ অস্তিত্ব নোহোৱা হৈছে। তাত বাংলাদেশৰ আন্তৰাষ্ট্ৰীয় সীমামুক্ত থাকে কাৰণে মানুহবোৰ অবাধে আহি এই ত্ৰিপুৰী সকলৰ কৃষ্টি ধ্বংস কৰি পেলাইছে। যদি অসমৰ আন্ত ৰাষ্ট্ৰীয়সীমা মুক্ত থাকে তেতিয়া হলে এটা সময়ত প্ৰব্ৰজন বাঢ়ি অসমৰ অস্তিত্ব নহোৱা হব।

এই আইনখনত তিনি কিলো মিটাৰত থকা লোকে যদি আহিব লাগে বুলি কোৱা হৈছে আৰু যদি তেওঁলোকে এই ক্ষেত্ৰত অসুবিধা ভোগ কৰে, তেতিয়া হলে এই আইন উঠাই দিব লাগে। যিসকলে জীৱিকাৰ কাৰণে অসমত থাকিব আৰু অসমৰ পৰা নেযায় বুলি আহিছে তেওঁলোকে অসমৰ লগত মিলি যাব। ইয়াৰ সকলো জনসাধাৰণে অসমৰ কলা কৃষ্টিৰ লগত মিলি যাব লাগে। তেতিয়া কাৰো সন্দেহ নোহোৱা হব। কিন্তু দেখা যায় যে অসমৰ ভাষা কৃষ্টিৰ ওপৰত কিছুমানে ষড়যন্ত্ৰ কৰিছে। এই ষড়যন্ত্ৰত আন্তৰাষ্ট্ৰ ভাৰত বিৰোধী শক্তি যোগাযোগ নাই বুলি কব নোৱাৰি।

মই আশা ৰাখিছো আমাৰ মাননীয় সদস্য ড কমলা কলিতাই উৎথাপন কৰা প্ৰস্তাৱটোৰ ওপৰত আমি পৰামৰ্শ দি সকলোৱে মানি লম বুলি ভাবিছো। লগতে মই কওঁ যে অন্যান্য শব্দ এই প্ৰশ্নত সুমোৱাই লওঁক, চিনাক্ত কৰি উলিয়াই দিয়াৰ ব্যৱস্থা কৰক, আন্তৰাষ্ট্ৰীয় সীমা কটকটীয়া কৰক আৰু ১৯৭১ চনত গাওঁত যিসকলে আন্তৰাষ্ট্ৰীয় সীমা পাৰ হৈ আহিছে, সেই সকলক ভাৰতবৰ্ষৰ পৰা বিদায় দিয়াৰ ব্যৱস্থা কৰিব লাগে। এই আইন ১৯৭১ চনৰ ২৪ মাৰ্চ তাৰিখত আছে। সেইটো নোহোৱা কৰিব লাগে।

অসমত পি, আই, পি, স্কীম আছিল। ১৯৭৯ চনলৈকে বাজেটত

কিছুমান টকা নিৰ্দ্ধাৰণ কৰা হৈছিল। গতিকে পি, আই, পি, স্কীম পাৰিলে চৰকাৰে সূচল কৰি দিব লাগে। এইখিনি কৈ মই সকলোকে যিসকল দেশপ্ৰেমী, বাংলাদেশী প্ৰেমী নহয়; যিসকলে সচাকৈ অসমক ভাল পায়, অসমৰ স্বাৰ্থৰ কথাহে বিধান সভাত আলোচনা কৰা হয়, তাৰ প্ৰতি লক্ষ্য ৰাখি এই প্ৰস্তাৱটো গ্ৰহণ কৰা হওঁক। ইয়াকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

মাননীয় অধ্যক্ষ ঃ এতিয়া মাননীয় সদস্য শ্ৰীযুত আলটাফ হুছেইন মজুমদাৰে কব।

Shri Altaf Hossaln Majnmdar : Mr, Speaker, Sir, I have heard the Hon'ble Mover of the resolution Mr. Kalita with rapt attention, But I am sorry to say that I am not in a position to agree with him and as such I oppose the resolution, Sir, this resolution is not only vague, indefinite, incorrect but it is also unwarranted and uncalled for. Sir, there are earlier lnstanees when this House has also passed resolutions in accordance with the recommendations of the House. The resolution before the House is against the interest of the mover of the resolution. Sir, that resolution had divided the House and raised controversies. So, sir, I would like to request the Hon'ble Mover of the Resolution Mr. Kalita to withdraw his resolution for the interest of the State. Otherwise this resolution will divide the House and will defeat the very purpose of the mover. Sir, as you know, we supported the acoord from the very beginning and as a matter of fact we have in our election manifesto promised to work for proper implementation of the accord. There is no doubt about it. I would also like to reiterate this point once again that we supported the accord and we want it to be implemented in too. Therefore, sir, we expect that Govt. machinery will take apropriate.

steps to detect and deport the foreigners as envisaged in the accord. There is enough power to the Govt. to proceed on. In this connection I fully agree with the Hon'ble Member Shri Dev Kanta Bora who has very rightly pointed out that Govt. have enough power to go ahead in this respect. Sir, I do not understand why the Govt. is not going ahead though they have got enough powers. How long the Govt. will give blame to the Central Govt. that they are not in a position to go ahead because of lack of co-operation etc. Sir, this alibi will not help. Sir, now a pertinent question has ari en regarding the question of Foreign nationals. This resolution has raised controversies and suspicion in the minds of the people of Assam. There is already a misconception in the minds of the people regarding different opinions and views about the foreigners from different quarters. As you know sir, some people are under the conception that people who have come after 1967 are all foreigners. But the accord did not say so. The accord says that people who have come during 1967 to 25th March, 1971, will have no voting rights but they are Indians. Their voting rights will be disfranchised and for all other purposes they have the equal rights like indian citizens. But a group of people are under illusions that they are all foreigners. Sir, it is for the Govt. to explain the real position to the people of Assam. The accord was signed by Mr. Prafulla Kumar Mahanta and Mr. Bhrigu Kumar Phukan and it is their duty to explain the correct position. People should not have the misconception that migrants between 1967 and 71 are all Bangladeshis. This is not the correct posi-

tion. Therefore, Sir, the Govt. should remove this misconception because for all practical purposes they are like Indian citizens. Therefore, sir, this Govt. can identify the foreigners on the basis of the accord. They have got the machinery, they have got the police force and with their help Govt. can identify the real foreigners. But it should not be done by private person or people. We oppose it vehemently when a group of private persons indulges in such work. Sir, why a particular group or class of people is involved? Why there should be a class struggle within the State of Assam? Will it be for the benefit of the people of Assam? Certainly not, sir. If the Govt. have no staffs, then they may have additional staffs for the purpose. Let there be additional personels. Let there be additional staffs to detect and deport the foreigners but it should not be left to a certain class of people which is beyond the principle of civilzed norms and international standard. Sir, you will agree with me that detection and deportation must follow certain civilized norms and standard and we want that this should be followed. Laws are passed on the basis of civilized norms and international rules and those norms and rules are to be foll owed by the Govt. This is necessary for the greater interest of the State. This is my submission. Now, if Hon-ble member complains that people who are living within a radius of 50 k.ms of Bangladesh-border are all Bangladeshis then it will be something ludicrous and fartherest from truth. Therefore, sir, it should not be accepted. It is a fact and nobody will prefer that foreigners should

come and stay within our territory. We do not like to bear the extra burden on our economic life. But for that we cannot allow private groups or parties to harass our people who are Indians. On several occasions we have seen when a person named by 'Ali' or some 'Chakravarty' is found, belonging to Bengali community, then he is harassed. In the street or in a transport bus when a man wearing a lungis is found then he is treated as Bangladeshi. Sir, this is beyond the decency of any civilized norm or standard. Then, sir, a question has been raised regarding the appointment of Judges. It is stated that why there should be 3 Judges ? Why there should not be one Judge ? Sir, Judges in the Tribunal are provided according to certain principle. Similarly, Judges in the High Court are also appointed on the basis of the principle of providing justice and to avoid unnecessary delay. This is necessary to avoid miscarriage of justice and for that we cannot question why more Judges sit in a bench. This is a very bad sign, if this allowed to continue then a day will come when the appointment of Judges in the District and Session Judges will also be questioned for avoiding appeal. Judges in the District courts and in the Appellate Courts are appointed on certain norms and principles which involves a substantial question of law. This is essential to ensure that the Judges can dispense justice and provide relief. Sir, Dr. Kalita's resolution for vesting the onus of proving the nationality on the foreigners, doing away with the limitation of three kilometers of limit for a person to file objection against a suspected foreigner and forming of

one man Tribunal instead of three and revising the revisional powers of the High Court etc are fantastic proposition and this will deny justice to the people. Sir, all people of Bangadesh origin are not foreignrs. In Assam many Assamese fore fathers came from outside few generations back, their forefathers were in East Bengal. So, sir, they are not Bangladeshis, or foreigners. Sir, we will not mind if the detection and deportation works are started by the Govt. Machinery. Thousand times we welcome it. But we cannot tolerate it when it will be left to a particular class of people. Sir, we will not tolerate the jungle laws. Before I conclude I would request the Hon'ble Mover of the resolution Dr. Kalita to withdraw this resolution for the sake of unity and greater interest of Assam. With these words, sir, I oppose the resolution.

কুমাৰ দীপক দাস ? মাননীয় উপাধ্যক্ষ মহোদয়, আজিৰ সদনত মাননীয় সদস্য শ্ৰীকমলা কলিতাদেৱে যি প্ৰস্তাব উতথাপন কৰিছে সেই প্ৰস্তাব সম্পৰ্কত মই বক্তব্য ৰাখিব বিচাৰিছো। এই প্ৰস্তাব সম্পৰ্কত বহুখিনি আলোচনা হৈছে। আলোচনা কৰোতে যিবিলাক বক্তৃতা শুনিলো তাত যথেষ্ট খিনিয়েই আসোৱাহ আছে। সেইবাবে মই দুআযাৰ কবলৈ বিচাৰিছো। আগৰ বক্তাসকলে বেছি ভাগ বিৰোধী পক্ষৰ সদস্যই গোটেই প্ৰস্তাবটো এটা অন্য দিশলৈ টানি নি অন্যভাৱে ইয়াক বিৰোধিতা কৰাৰ কাৰণে যুক্তি উৎথাপন কৰিবলৈ চেষ্টা চলাইছে। ইয়াত সুন্দৰভাৱে লিখা আছে যে, অসম চুক্তি অনুসৰি খৰটকীয়া কৰিব লাগে। চুক্তিৰ বিৰোধিতা কৰাতো প্ৰশ্ন নাই। বিদেশী নাগৰিক চিনাক্তকৰণ নহব এইটো নহয়, ইয়াৰ আলোচনাহে কৰা হৈছে। আমাৰ যিবিলাক অসুবিধা হৈছে তাক দূৰ কৰাৰ বাবে আৰু বিদেশী নাগৰিক চিনাক্তকৰণ কৰাৰ বাবে এই প্ৰস্তাব উৎথাপন কৰা হৈছে। ইন্দিৰা কংগ্ৰেছৰ দলৰ মাননীয় সদস্য সকলে ইয়াত চিঞৰি চিঞৰি কৈছে অসম চুক্তিৰ বিৰোধিতা কৰা নাই। তেওঁলোকে

ভেকো ভাওনা কৰিছে হাতে কামে কৰিবলৈ বিচৰা নাই। স্পষ্ট ভাবে ৰক্তৃতাৰ মাজেৰে প্ৰকাশ কৰিছেও অসম চুক্তিত বিৰোধিতা কৰা নাই। বিদেশী নাগৰিকৰ চিনাক্তকৰণৰ বাবে খৰটকীয়াকৈ কাম কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰা হৈছে তেওঁলোকে দুমুখীয়াকৈ মনোভাৱ লৈ বক্তব্য ৰাখিছে। মাননীয় সদস্য শান্তি ৰঞ্জন দাসগুপ্তদেৱে বয়সৰ কথা উত্থাপন কৰি কৈছে যে, আমাৰ বয়স কম আৰু চিন্তা চৰ্চ্চা পুৰঠ হোৱা নাই। আমাৰ দেশক ভাল পোৱাৰ বাবে বয়স হোৱা নাই। বয়স বেছি হলে দেশক ভাল পাব পাৰিম। কুশল কোঁৱৰৰ, ৰবিন্দ্ৰনাথ ঠাকুৰৰ, ৰঘুনাথ চৌধুৰীৰ আৰু খুদিৰামকে আদি কৰি যিসকল ব্যক্তি আছিল সেই সকলৰ বয়স কম হোৱাৰ বাবে দেশক যেনেধৰণে ভাল পাব লাগিছিল তেনেধৰণে ভাল পোৱা নাই। আমি অসমক, ভাৰতক ভাল পোৱাৰ বাবে আন্দোলন কৰিছিলো সাৰ্ব্বভৌমত্ব ৰক্ষাৰ বাবে চুক্তি কৰিছিলো আৰু আজি সেই কাৰ্য্যকৰী কৰাৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিছো।

মাননীয় সদস্য হেমেন দাস ডাঙৰীয়াই কৈছে যে, আমাৰ যি আইন পাচ কৰা হৈছে সেই আইনৰ বিৰোধিতা কৰিছে আৰু এতিয়াও কৰি আছে। তেখেতে নিজে কি কব বিচাৰিছে নিজেই স্পষ্ট হব পৰা নাই। আমি মহামান্য সদনত উত্থাপন কৰা প্ৰস্তাৱ গ্ৰহনযোগ্য প্ৰস্তাৱ হৈছে' তৰল যুক্তি উত্থাপন কৰি তেখেতে এই প্ৰস্তাৱৰ বিৰোধিতা কৰিছে। মই আশা কৰো খৰটকীয়া ভাবে বিদেশী নাগৰিক চিনাক্তকৰণ কৰাৰ বাবে এই প্ৰস্তাৱ গ্ৰহন কৰিব লাগে। মাননীয় সদস্য জয়নাথ শৰ্ম্মাই যি সংশোধনী আনিছে সেইটো বিবেচনা কৰিব লাগে। এই প্ৰস্তাৱ এই সদনত গ্ৰহন কৰাৰ লগে লগে আমি কেন্দ্ৰীয় চৰকাৰক হেচা দিব পাৰিম। কাৰণ বিদেশী নাগৰিকৰ চিনাক্তকৰণৰ বাবে আমাৰ যি খেলি মেলি আৰু অসুবিধা হৈছে তাক দূৰ কৰাৰ বাবে বিহিত ব্যৱস্থা গ্ৰহন কৰিব পাৰিম। ইয়াকে কৈ মই মোৰ বক্তব্য ৰাখিলো।

শ্ৰীচহিদুল ইচলাম চৌধুৰী : উপাধ্যক্ষ মহোদয়, আজিৰ সদনত কমলা কলিতা দেৱে যি প্ৰস্তাৱ উৎথাপন কৰিছে সেই প্ৰস্তাৱৰ বিৰোধিতা কৰি মই কেইআষাৰমান কথা কবলৈ বিচাৰিছো। অসম এনে এখন দেশ যত বিভিন্ন জাতি, জনজাতিৰ মিলনৰ তীৰ্থভূমি। অসমৰ ভাষা সংস্কৃতি, বিভিন্ন জনগোষ্ঠী লৈ অসমৰ কলা কৃষ্টি গঢ়ি উঠিছে। এই কলা কৃষ্টিৰ বিৰোধিতা কৰি ইয়াৰ মাজেদি

বিভেদ সৃষ্টি কৰাৰ বাবে যি আন্দোলন চলাইছিল তাক মষিমুৰ কৰাৰ কাৰণে আৰু বাতিল কৰাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে ১৯৮৩ চনতে বিদেশী নাগৰিক চিনাক্তকৰণ আইন কৰিছিল। ছাত্ৰ সন্থা আৰু আন্দোলনকাৰীক বুজনি দিয়াৰ বাবে। সেই বুজনিত আমাৰ মুখ্যমন্ত্ৰী, গৃহমন্ত্ৰী, আৰু যোগান মন্ত্ৰীয়ে চহী কৰি চুক্তি কৰিছিল। এই চুক্তিৰ বিৰোধিতা কৰাৰ বাবে আমাৰ মৰ্চাৰ জন্ম হৈছে। আজি আমাৰ মিলাপ্ৰীতি চিন্ন বিচিন্ন হৈ যাব। যেতিয়া ঢিঙত ২.৮ হাজাৰ মানুহৰ বিপক্ষে ইলেকচনৰ সময়ত ভোটাৰ তালিকা লৈ অবজেকচন আহিছিল, তেতিয়া বহুতো লোকে দূৰৰ পৰা চাৰ্টিফিকেট আনিবলগীয়া হৈছিল। কোনোৱে ১৯০১ আৰু ১৯৩২ চনৰ ৰেৰ্কড দেখুৱাব লগা হৈছিল। মই চেলেঞ্জ দি কব পাৰো যে তাত এজনো বিদেশী মানুহ নাই। এগৰাকী তিৰোতাই যেতিয়া চাৰ্টিফিকেট আনিব নোৱাৰিলে তেতিয়া সকলোৱে কলে যে, তুমি বাংলা দেশলৈ যাব লাগিব, তেওঁৰ পিতাক লক্ষীমপুৰত আছিল আৰু তাৰ পৰা চাৰ্টিফিকেট আনিবলৈ কমেও দুদিন সময় লাগিব। ৪ জন লৰা ছোৱালী থকা সেই তিৰোতা গৰাকীয়ে পিচত আত্মহত্যা কৰিলে। এই বিলাক কাৰণতে সেই অঞ্চলৰ ৰাইজ চৰকাৰৰ বিৰোদ্ধে বিদ্ৰোহী হৈ উঠাৰ কাৰণেই ৩৫ হাজাৰ ভোটত লিড লৈ নিৰ্ব্বাচিত হৈ আহিছো। গতিকে আজিও যদি চৰকাৰে কিছুমান ভুল বুজা বুজিৰ সৃষ্টি কৰি থাকে আমাৰ মাজত থকা শান্তি সম্প্ৰীতি নষ্ট হৈ যাব। মই ভাবো চৰকাৰে এই মিলা প্ৰীতি আনি দিব। আগৰ চৰকাৰ বিদেশীৰ ভোটত জিকি অহা বুলি কোৱা হৈছিল সেই কাৰণে সেইটো কথা বেলেগ। কিন্তু এই চৰকাৰ স্বদেশীৰ ভোটত জিকি আহিছে যেতিয়া সেইবিলাক ভাব বজাই ৰাখিব লাগে। আপোনালোকৰ হাতত পুলিচ মিলিটাৰি আছে। বিদেশী চিনাক্তকৰণৰ কাৰণে আপোনালোকৰ যি বিলাক মেচিনাৰী আছে সেই বিলাক মেচিনাৰীৰ দ্বাৰা চিনাক্তকৰণ কৰক। কাৰণ আমি বিদেশী ইয়াত থকাতো নিবিচাৰো। যোৱাবাৰ বিধান সভাত এটা বেচৰকাৰী প্ৰস্তাব আহিছিল। সেই প্ৰস্তাবত দিয়া হৈছিল যে জন্ম মৃত্যুৰ পঞ্জীয়ন হব লাগে। যোৱা ৩৮ বছৰে এই বিলাক কাম নকৰি কেৱল খেলা কৰি আহিছে। গাৱলীয়া অশিক্ষিত মানুহৰ হাতত কোনো ৰেকৰ্ড নাই। তেওঁলোক কিবা কাৰণত এখন ঠাইৰ পৰা আন এখন ঠাইলৈ গলেও বিদেশী আখ্যা দিয়ে। অসমক ভাল পোৱা মানুহ, অসমত জন্ম লোৱা

মানুহ আজি বিদেশী হৈছে। আজি মানুহৰ মাজত এনেকুৱা এটা ভাব দিয়া হৈছে যে অসমত লাখ লাখ বিদেশী মানুহ আছে। অসমত যাকে চিনি নাপায় তাকেই বিদেশী বুলি আজি ভাবে। এই বিলাক ভুল বুজা বুজিৰ কাৰণেই অসমত শান্তি সম্প্ৰীতি নাইকীয়া হৈছে। উচ্চন্যালয়ৰ যিটো কথা কৈছে, উচ্চন্যালয়য়েই হওক বা অন্য ন্যায়ালয়য়েই হওক সকলোৱেই সন্মান কৰে। ন্যায়ালয়ক অপমান কৰি কোনো সাৰি যাব নোৱাৰে। এবাৰ ভাৰতৰ প্ৰাক্তন প্ৰধান মন্ত্ৰী 'ইন্দিৰা গান্ধীয়ে ন্যায়ালয়ৰ কথা নমনাৰ বাবেই পৰাজয় হৈছিল। গতিকে দেখা গল যে ন্যায়ালয়ক অৱমাননা কৰি কোনো সাৰি যোৱা নাই। গতিকে ন্যায়ালয় হৈছে এটা বেলেগ বস্তু। তাত হাত দিয়া কাৰোপক্ষে উচিত নহয়। বিদেশী ধৰাৰ যি বিলাক কথা ইয়াত কোৱা হৈছে, সংশোধনৰ যিটো প্ৰস্তাব আনিছে সেইটোৰ আমি বিৰোধীতা কৰিছো এই কাৰণেই যে এই প্ৰস্তাবটো স্পষ্ট ভাবে উত্থাপন কৰা হোৱা নাই। সেই কাৰণে কোনো চিন্তাশীল লোকেই ইয়াত সমৰ্থন দিব নোৱাৰে। গতিকে দেখা গৈছে আজিৰ পবিত্ৰ সদনত যিটো সংকল্প প্ৰস্তাব মাননীয় সদস্য শ্ৰীকমলা কলিতাই আনিছে এইটো উঠাই লোৱাই ভাল হব। এই প্ৰস্তাবটো উঠাই ললেই আমাৰ মাজত থকা শান্তি সম্প্ৰীতি বাচি থাকিব আৰু আমাৰ মানুহ ভাই ভাই ভাবে থাকিব পাৰিব। ইয়াকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীদেবেশ্বৰ বৰা : মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীকমলা কলিতা ডাঙৰীয়াই যিটো সংকল্প প্ৰস্তাৱ আনিছে এইটোৰ মই সমৰ্থন জনাইছো। কাৰণ এই প্ৰস্তাৱটোৰ অসম চুক্তিৰ লগত ঘনিষ্ঠ সম্পৰ্ক আছে। যোৱা বছৰ অসম চুক্তি স্বাক্ষৰিত হোৱাৰে পৰা আৰু মাত্ৰ এক বছৰ হবলৈ ১০ টা দিনহে বাকী আছে। অসম চৰকাৰৰ যি যি দায়িত্ব আছিল সেইখিনি পালন কৰিছে। কিন্তু কেন্দ্ৰীয় চৰকাৰৰ যিখিনি দায়িত্ব আছিল সেইখিনিৰ প্ৰতি আজিও অবহেলা কৰি আহিছে। আজি যিটো প্ৰস্তাৱ শ্ৰীকমলা কলিতাই আনিছে সেইটো সকলোৱেই সমৰ্থন কৰা উচিত, যিহেতুকে অসম চুক্তি সকলোৱেই আদৰণী জনাইছিল।

অসম চুক্তি ৰূপায়িত কৰিবলৈ যাওঁতে কিছু অসুবিধা হৈছে। ১৯৮৩ চনৰ 'ইমিগ্ৰেন্ট মাইগ্ৰেচন এক্ট' পাছ কৰাত অসুবিধাৰ সৃষ্টি হৈছে। সেই কাৰণেই আজি এই প্ৰস্তাৱ আনিবলগীয়া হৈছে। সেইখন আইনত যিখিনি কথা আছে

সেই কথাই বহুতবিলাক খেলিমেলিৰ সৃষ্টি কৰিছে। তাৰ কাৰণেই এই সংশোধনী প্ৰস্তাৱ আনিবলগীয়া হৈছে আশাকৰো সকলোৱেই ইয়াত সমৰ্থন দিব। ১৯৮৩ চনৰ যিখন প্ৰব্ৰজন আইন সেইখন সংশোধন নকৰিলে অসম চুক্তি ৰূপায়ন আৰু পিচ পৰি যাব ! সেই কাৰণেই মই আশা কৰিছো বিৰোধী দলৰ সদস্য সকলেও এই প্ৰস্তাৱ সমৰ্থন কৰিলে কেন্দ্ৰীয় চৰকাৰক জোৰ দি ধৰিবলৈ সুবিধা হব। ইতিমধ্যে অসম চৰকাৰৰ তৰফৰ পৰা এই আইন সংশোধনৰ কাৰণে অনুৰোধ কৰা হৈছে। এই আইন খনৰ বহুত কথা বিশ্লেষণ কৰিবলগীয়া আছে। এজন বক্তাই তেখেতৰ বক্তব্যত এটা কথা কৈছে যে উচ্চ ন্যায়ালয়ক অবমাননা কৰা হৈছে। আমি উচ্চ ন্যায়ালয়হে নালাগে কোনো ন্যায়ালয়কেই অবমাননা কৰিব নোৱাৰো। আমি দেখি আহিছো যে এই আইনত সুৰুঙা থকাৰ কাৰণেই কিছুমান বিদেশী লোক ইয়াত থাকি যোৱাৰ অধিকাৰ লাভ কৰিছে আৰু দিঘলীয়া সময় হোৱাৰ কাৰণে ন্যায়ালয়ে ৰায় দিয়াৰ পিচত বহিস্কাৰ কৰাৰ ক্ষেত্ৰত বহুতো অসুবিধা হৈছে। ন্যায়ালয়ে ৰায় দিয়াৰ পিচত বহুতদিন ধৰি পলাই থাকে ধৰিব নোৱাৰে, তেনে বিলাক ক্ষেত্ৰত অসুবিধা হৈছে। গতিকে এই গোটেই বিলাক সুৰুঙা বন্ধ কৰি, লাগতিয়াল আটাইবিলাক কথা সন্নিবিষ্ট কৰি এইখন আইন অনা হৈছে। ইয়াত ২৫ টকা মাচুল দিবলগীয়া হোৱাৰ কথা কোৱা হৈছে, ৩ কিঃ মিঃ ৰেডিয়াচৰ কথা কোৱা হৈছে, এইবিলাক নাইকীয়া কৰিব লাগে। এই সকলো বিলাক কথা সামৰি এই প্ৰস্তাৱ অনাৰ কাৰণে এইটো প্ৰস্তাৱ সকলোৰে সমৰ্থযোগ্য হব লাগে। সেই কাৰণেই বিৰোধী পক্ষৰ সদস্য সকলক অনুৰোধ কৰিছো এই প্ৰস্তাৱটো সমৰ্থন কৰিব লাগে। তেতিয়া কেন্দ্ৰীয় চৰকাৰক কাৰ্য্যকৰীকৰণৰ কাৰণে জোৰ দি ধৰিবলৈ সুবিধা হব। ইয়াকে কৈ মই মোৰ বক্তব্যৰ সামৰণী মাৰিলো।

শ্ৰীদেৱান জয়নাল আবেদিন : উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীকমলা কলিতা ডাঙৰীয়াই যিটো প্ৰস্তাৱ আগবঢ়াইছে, মই সেই প্ৰস্তাৱৰ বিপক্ষে মোৰ বক্তব্য দাঙি ধৰিবলৈ থিয় হৈছো। এই প্ৰস্তাৱত বিৰোধীতা কৰাৰ কথা এনেকুৱা নহয় যে মই ১৯৮৩ চনৰ বিদেশী প্ৰব্ৰজন আইনখন সমৰ্থন কৰিছো। এই প্ৰস্তাৱটোৰ বিৰোধীতা মই এই কাৰণেই কৰিব খুজিছো যে এই প্ৰস্তাৱৰ দ্বাৰা যি উদ্দেশ্য সাধন কৰিব বিচৰা হৈছে সেইটো আচলতে পূৰণ কৰাটো সম্ভৱপৰ নহব। এইটো এটা চেলফ ডিফিটি ৰিজোলোচন হব। কাৰণ এই প্ৰস্তাৱৰ জৰিয়তে আজি

অসমৰ যি জলন্ত সমস্যা, সেই সমস্যা সমাধান কৰিব বিছাৰিছো, মই কব খুজিছো ইয়াৰ দ্বাৰা কোনো লাভ নহব। ইয়াৰ ফলত এনে এটা পৰিস্থিতিৰ ও স্থষ্টি হব, যি পৰিস্থিতিয়ে অসমত বসবাস কৰা বিভিন্ন ভাষা গোষ্ঠি, সম্প্ৰদায়ৰ মানুহৰ কাৰণে অবাঞ্চিত হব। আমি আজি বাটে পথে এটা শ্লোগান দেখিবলৈ পাওঁ। "ঐক্য, সংহতি, নতুন অসমৰ ভেটী"। এনে শ্লোগান আমি বাটে পথে দেখিবলৈ পাওঁ। এই কথাষাৰত আমাৰ মাননীয় সদস্য সকলে বিশ্বাস কৰেনে নকৰে নাজানো, কিন্তু মই কব খুজিছো যে তেওঁলোকৰ সদ্‌ইচ্ছা থাকিলেও এই প্ৰস্তাৱৰ দ্বাৰা উদ্দেশ্য সাধন নহব। আজি বিধান সভাত ইতিমধে বহুতো কথা আলোচনা হৈ গৈছে। মই প্ৰায় প্ৰস্তাৱৰ শেষতহে কবলৈ উঠিছো। এইখিনিতে মই কবলৈ উঠিছো যে সৰ্ব্বসন্মতি ক্ৰমে গৃহীত প্ৰস্তাৱ হব লাগে। কেন্দ্ৰীয় চৰকাৰলৈ পঠোৱাৰ আগতে ভাবি চাব লাগিব যে সৰ্ব্বসন্মতি ক্ৰমে বিহিত প্ৰস্তাৱ নহলে আচলতে কৃতকাৰ্য্য কৰিব পৰা নাযাব। এইটো এটা লোক সভাৰ ৰুলিংৰ কথা। আচলতে এইটো অৰ্থ নহয়। ইয়াৰ আগতে এই বিধান সভাত বহুতো প্ৰস্তাৱ লোৱা আনকালে বহুতো সৰ্ব্বসন্মতি ক্ৰমে প্ৰস্তাৱ সংগৃহিত কৰা হৈছে। ইয়াত ইতিমধ্যে পৰিস্কাৰ হৈ গৈছে যে, এই প্ৰস্তাৱ টো বিভাজন হৈ গৈছে। ইয়াত একমত হোৱা নাই। গতিকে এইটো কোনো কামত কৃতকাৰ্য্যতা লাভ কৰিব নোৱাৰে আৰু এটা মাৰাত্মক কথা হৈছে। যদিও কথাটো সৰু কথা তথাপিও মই উল্লেখ কৰিব বিচাৰিছো যে, বিদেশী অবৈধ প্ৰব্ৰজক ইয়াৰ ঠাইত অবৈধ বিদেশী হব লাগে। কথা বিলাক অবশ্যে দেখাত বৰ বেচি তাৰা-তম্য নহয়। এই দেশৰ যিকোনো দিশতে থকা যিকোনো লোকে বা সদস্যই নিবিছাৰে যে এই ঠাইত বিদেশী থাকি যাওক। এইটো কোনেও নিবিছাৰে। এতিয়া কথা হ'ল বিদেশী কোন ? অবৈধ বিদেশী কোন ? কোনে নিৰোপন কৰিব ? আমাৰ সকলোৱে এটা সভ্যতাৰ বুৰঞ্জী আছে। যি ঠাইত সভ্যতাৰ ইতিহাস আছে, আমাৰ চৰকাৰৰ বিভাগ আছে প্ৰশাশনীয় গণতান্ত্ৰিক ব্যৱস্থা আছে আৰু নানা ধৰণৰ ব্যৱস্থা আছে। সত্যতা এনে স্তৰত যে আজি সকলো কথা সংশোধন কৰিবৰ কাৰণে প্ৰস্তাৱ লৈ কৰিব পাৰে। তেনে ক্ষেত্ৰত দেশত থকা কোনো লোকক দেশী বা বিদেশী বুলি কৈ দিলে দেশী বা বিদেশী হৈ নাযায়। উপাধ্যক্ষ মহোদয়, নাগৰীকত্ব প্ৰশ্ন এটা অত্যন্ত

গুৰুত্বপূৰ্ণ প্ৰশ্ন। আমি দেশৰ নাগৰীক এজনৰ বিবুদ্ধে নাগৰীক নহয় বুলি অভিযোগ অনাৰ আগতে এশ বাৰ ভাবি চাব লাগিব। আনহাতে তেওঁক নাগৰিক নহয় বুলি অভিযোগ কৰা উচিত নহয়। নাগৰিক নহয় বুলি কলেই নহব তাৰ প্ৰমান কৰিব লাগিব। আমাৰ মাননীয় সদস্য দুই এজনে অভিযোগ কৰিছে আৰু মতামত ব্যক্ত কৰিছে যে আমাৰ অসমত এনে কিছুমান ঠাই আছে য'ত ৪০/৫০ মাইল জুৰি বিদেশী ভৰ্ত্তি হৈ আছে।

মাননীয় উপাধ্যক্ষ মহোদয়, আৰু মাননীয় সদস্য সকল, মই ভাবো তেনে উক্তিৰ দ্বাৰা অন্ততঃ বাহিৰৰ মানুহৰ ধাৰণা কেনে ধৰণৰ হব সেইটো দায়িত্বশীল ব্যক্তি হিচাপে উক্তি কৰাৰ সময়ত ভাবি চোৱা প্ৰয়োজন। আমাৰ সদনৰ এটা গাম্ভীৰ্য্য আছে। তেনে ক্ষেত্ৰত সদনৰ মাননীয় সদস্যাই যদি পঞ্চাশ মাইলৰ ভিতৰত অসম এটুকুৰা ঠাইত গোটেইবোৰ বিদেশী থকা বুলি ব্লেংকেট একুইজিশ্যান কৰা হয় সেইটো বেয়া নহব জানো? অন্ততঃ আমাৰ সদনৰ মাননীয় সদসাই তেনে উক্তি কৰাটো ঠিক নহয়। মই ইয়াৰ দ্বাৰা এইটো কবলৈ বিচৰা নাই যে সেই ঠাইত এজনো বিদেশী লোক নাই। সেইটো নহয়। বিদেশী লোক থাকিব পাৰে কিন্তু সেইটো চিনাক্তকৰণ, বিতাড়ণ, আদি কেনেকৈ হব তাৰ কাৰণে পদ্ধতি আছে। চৰকাৰী বিভাগ আ'ছে, ন্যায়ালয় আছে, বিচাৰ বিভাগ আছে সেই সকলে নিৰ্দ্ধাৰণ কৰিব আৰু তাৰ পিচত তেওঁলোকৰ বিৰুদ্ধে যথাবিহিতি ব্যৱস্থা গ্ৰহণ কৰিব। তাকে নকৰি আমি মধে মধে যদি কওঁ তেতিয়াহলে অবাঞ্চনীয় বাতাবৰণৰ সৃষ্টি হয়। যোৱা নিৰ্ব্বাচনৰ সময়ত দেখিছো দহ লাখটো বেছি মানুহৰ নাম বিভাগীয় ভাবে ভোটাৰ তালিকাৰ পৰা বাদ দিয়া হ'ল। ক্লাব কিছুমানত বহি পাইকাৰী ভাৱে পেট্ৰোমাক্স জলাই লৈ একোজনৰ নামত পাচ ছয় হাজাৰকৈ অভিযোগ আনিলে। গোৱালপাৰাতেই দেখিছো শেষৰ দিনা গাড়ী ভৰ্ত্তি কৰি জাপে জাপে অভিযোগ লৈ আহিছিল। এই অভিযোগ বোৰ যাৰ বিৰুদ্ধে কৰা হল সেই সকলৰ বিৰুদ্ধে যিয়ে কৰিলে তেওঁৱেই বা কিমান জানে তাৰ প্ৰশ্ন নাই। বিশেষ সম্প্ৰদায় বা বিশেষ ভাষিক গোষ্টিৰ মানুহ মাত্ৰেই বিদেশী এইটো ভাব ক্ষতিকাৰক। আমি আমাৰ ৰাজ্যখনৰ আৰু দেশখনৰ ঐক্য সংহতি বিচাৰিছো। এই অঞ্চলটোৰ এই ৰাজ্যখনৰ শান্তি সম্প্ৰীতি অটুট থাকক যদি এইটোৱে আমি বিচাৰো আৰু বিদেশী চিনাক্তকৰণ

কৰি বহিস্কাৰ কৰাটো বিচাৰো। ইয়াৰ কাৰণ ৰাজ্যখনত থকা যিয়েই ভাষা ভাষীৰ লোক হওক কিয় তেওঁলোক যদি আমাৰ দেশৰ নাগৰিক হয় তেওঁলোকৰ মাজত সদভাৱ সম্প্ৰীতি থাকক ৰাজ্যখনৰ স্বাৰ্থত আমি এইটোকে বিচৰা উচিত হব। যিসকলে জানি বা নাজানি ইচ্ছাকৃতভাবে বা অনিচ্ছাকৃত ভাবে এই বিতাড়ণ বা এনেকুৱা মানসিকতা পোষণ কৰি আছে তেওঁলোক প্ৰকাৰান্তৰে যিমানে ভাল নহওক কিয় তেওঁলোক আমাৰ দেশখনৰ ক্ষতিকাৰক।

মাননীয় উপাধ্যক্ষ মহোদয়, সেই কাৰণে মই কব খুজিছো যে এই ধৰণৰ কথা বিলাক ন্যায়িক পদ্ধতিৰে যাতে নিৰ্দ্ধাৰণ কৰিব পাৰো আৰু এজন মানুহ যদি প্ৰকৃত বিদেশী হয় তেওঁক বহিস্কাৰ কৰিবলৈ ব্যৱস্থা কৰিব পাৰো তাৰ ব্যৱস্থা লোৱাৰ আগতে যদি ব্যাপক ভাবে বিভিন্ন সম্প্ৰদায়ৰ বিভিন্ন জনগোষ্ঠীৰ মাজত এনে ধৰণৰ অভিযোগ যাতে দিয়া নহয় সেইটো যাব লাগিব। বিশেষ কোনো ধৰ্ম্ম বা সম্প্ৰদায়ৰ লোক হলেই যে বাংলাদেশী হব সেইটো ধৰি লৈ সেই মতে উক্তি কৰাটো নিতান্তই উচিৎ নহব। আমাৰ ইতিহাসৰ কথা মামনীয় সদস্য সকলে জানে। মাননীয় সদস্য সকলে এইটো ভালকৈ জানে যে কেনেকৈ বিভিন্ন গোষ্ঠীৰ মানুহ আমাৰ ইয়ালৈ আহিছে। আমাৰ অসমখন ভাৰতবৰ্ষৰ এক ক্ষুদ্ৰ সংস্কৰণ। ভাৰতবৰ্ষৰ নিচিনা অসমতো সকলো সম্প্ৰদায়ৰ বিভিন্ন ধৰ্ম্মৰ লোক আছে। আমাৰ এই সকলো সম্প্ৰদায় গোষ্ঠীৰ মাজত ঐক্য আৰু সংহতি ৰক্ষা হব লাগিব।

মাননীয় উপাধ্যক্ষ মহোদয়, আজি কিছুমান দায়িত্বহীন আৰু ভুল কথা এনে ভাবে কোৱাৰ ফলতেই এনে কিছুমান বিচ্ছিন্নতাবাদী শক্তিয়ে গা কৰি উঠিবলৈ সুবিধা পাইছে। এতিয়া কালি শুনিবলৈ পাইছো কাৰ্বি আংলঙৰ পৰা আহিছে অসমৰ লগত নাথাকে। উদয়াচলৰ দাবী উঠিয়েই আছে।
দিয়াৰ কথা কৈয়েই আছে। কাৰোবাৰ দাবী কৰাৰ বাসিন্দা আছে অসমৰ স্বাৰ্থতে অসমৰ ঐক্য সংহতি অটুট ৰখাৰ কথাটো চিন্তা কৰাতো উচিত হব। যদি আমাৰ কিবা ভুল ক্ৰুট্ৰিৰ ফলত অসম খনত অশান্তিৰ স্বষ্টি হয় সেইটো আমাৰ কাৰো কাম্য নহয়। ইতিমধ্যে অসমখন সাতটুকুৰা হৈ গৈছে। এতিয়া অসম বুলি যি ভূমিখণ্ড আছে কাৰোবাৰ স্বাৰ্থৰ কাৰণে আৰু যদি টুকুৰা টুকুৰ কৰি দিয়া হয় তেতিয়াহলে ভৱিষ্যতৰ বংশধৰ সকলে

আমাক জগৰীয়া কৰিব আমাৰ ইতিহাসৰ ওচৰত আমি জগৰীয়া বুলি প্ৰমাণিত হম। আমাৰ নীতি জগৰীয়া হব। আমাৰ তেনেকুৱা ভূল হলে ধৰি ৰখা টান হব। সেই কাৰণে আন্তৰিকতাৰে নীতি গ্ৰহণ কৰিব লাগিব যাতে অসমত বসবাস কৰি থকা বিভিন্ন জাতি-ধৰ্ম্ম-ভাষা আৰু বিভিন্ন সম্প্ৰদায়ৰ লোকে এক ভৌগোলিক সীমাৰ মাজত এক দেশ এক ৰাজ্য বুলি আবদ্ধ হৈ ঐক্যবদ্ধ হৈ থাকিব পাৰো। এনে ক্ষেত্ৰত দুই এক মাননীয় সদস্যই যদি দায়িত্বহীন কথা কয় তেতিয়াহলে বিভিন্ন সম্প্ৰদায়ৰ মাজত সম্প্ৰীতিৰ ভাব ব্যাহত হব। দায়িত্ব শীল ব্যক্তিয়ে চৰকাৰত থাকি যদি এনে মনোভাব এটা বিশেষ সম্প্ৰদায়ৰ কাৰণে বা বিশেষ ভাষিক গোষ্ঠিৰ কাৰণে হোৱাটো উচিত নহয়। সকলোৰে বিচাৰে সকলোৰে সমান দায়িত্ব লৈ চৰকাৰে সমানে কাম কৰক। মাননীয় দায়িত্ব-শীল সদস্য সকলেও তেনেভাৱেই বিচৰা উচিত।

উপাধ্যক্ষ মহোদয়, উচ্চ ন্যায়ালয়ক পৰ্য্যালোচনা কৰা ক্ষেত্ৰত এইটো ঠিক যে জুডিচিয়াৰিক দায়িত্ব দিয়া হৈছে, ক্ষমতা দিয়া হৈছে। সেই ফালৰপৰা পৰীক্ষা নিৰীক্ষা কৰি আজি আমি গণতান্ত্ৰিক ইতিহসৰ এনে এটা স্তৰত আহি পাইছো। এতিয়া আৰু পিচৰ ফালে ঘূৰি যোৱা উচিত নহব। গণতান্ত্ৰিক প্ৰতিষ্ঠান পেলাই আৰু এবাৰ ঘূৰি যোৱা উচিত নহব। সেই কাৰণে এই তিনি-জনীয়া ব্যৱস্থা মই সমৰ্থন কৰো তেতিয়াহলে বিচাৰ নিগূঢ় হোৱাৰ আশা কৰিব পাৰি। তাৰ সলনি এজনীয়া ঠিক নহব। ভুল থাকি যোৱাৰ সম্ভাৱনা থাকি যাব পাৰে। লগতে তিনি কিলোমিটাৰৰ দূৰত্বত থকা লোকে অভিযোগ দিয়াৰ কথা উত্থাপিত হৈছে এইটো সহজ কথা যে যাকে তাকে গোটেই অসমৰ বিৰুদ্ধে নিচিনা নজনা মানুহৰ বিৰুদ্ধে অভিযোগ দিয়া হলেও নহব, তাৰ প্ৰমাণ কৰা নাযাব। কিয়নো গণতান্ত্ৰিক প্ৰক্ৰিয়াৰ নেচাৰেল জাষ্টিচ নিৰৰ্থক হব। লাভৰ ভিতৰত মানুহ আৰু মানুহৰ মাজত সদভাব নষ্ট হব, অবিশ্বাসৰ বাতাবৰণ সৃষ্টি হব। অসমৰ স্বাৰ্থৰ কাৰণেই এই কথা উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য সকলক অলপ হৃদয়ঙ্গম কৰিবলৈ অনুৰোধ জনাইছো আৰু ইয়াৰ লগতে যিহেতু এইটো এটা বিশেষ প্ৰস্তাৱ ইয়াৰ লগত বিশেষ কথা মই কব খোজা নাই। এইখিনি কথা কৈ মাননীয় সদস্য শ্ৰীকমলা কলিতাক যিহেতু এই প্ৰস্তাৱটো সৰ্ব্বসন্মত ভাবে গ্ৰহণ কৰাটো সম্ভৱপৰ নহয় আৰু যিহেতু এই প্ৰস্তাৱটোৰে যি উদ্দেশ্য

সাধন কৰিবলৈ বিচৰা হৈছে সেইটো সন্তুৰপৰ নহয় বৰঞ্চ ভুল বুজাবুজি আৰু অবিশ্বাসৰ বাতাবৰণ সৃষ্টি কৰাহে হব, ৰাজ্যখনৰ অসমীয়া বাসীন্দাখিনিৰ কোনো কামত নাহিব আৰু তাৰ উপৰিও চুক্তি এটা চুক্তিয়েই, আইন এখন আইনেই, ইয়াৰ দ্বাৰা সেই উদ্দেশ্য নহয় সেই কাৰণে মাননীয় সদস্যক অনুৰোধ কৰিছো যাতে প্ৰস্তাৱটো পুনৰ বিবেচনা কৰি উঠাই লয়।

মাননীয় উপাধ্যক্ষ: এতিয়া মাননীয় সদস্য শ্ৰীপ্ৰদীপ হাজৰীকা।

শ্ৰীপ্ৰদীপ হাজৰীকা ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য ডা: কমলা কলিতাই যিটো প্ৰস্তাৱ সদনত দাঙি ধৰিছে সেই প্ৰস্তাৱটোক সমৰ্থন জনায় মোৰ বক্তব্য ৰাখিব বিছাৰিছো। ইতিমধ্যে এই প্ৰস্তাৱৰ ওপৰত বহু-কেইজন বিৰোধী চৰকাৰী পক্ষৰ মাননীয় সদস্যসকলে তেখেতসকলৰ বক্তব্য ৰাখি গৈছে। বিৰোধীপক্ষৰ সদস্যসকলে এই প্ৰস্তাৱৰ ওপৰত যি ধৰণৰ আশংকা ৰাখি গৈছে আমি তেনেধৰণৰ কোনো আশংকা দেখা নাই। এই প্ৰস্তাৱটো অনা হৈছে যাতে অসম একৰ্ড কাৰ্য্যকৰী খৰখেদাকৈ কৰিব পৰা যায় আৰু যাতে অসমখনত শান্তি প্ৰগতিয়ে বিৰাজ কৰিব পাৰে। বুৰঞ্জীৰ পাত মেলিলে দেখিব অসমীয়া জাতিয়ে কাকো কেতিয়াও দিগদাৰী দিবলৈ ওলাই যোৱা নাই। অসমীয়া জাতিয়ে সদায়ে শান্তি শৃঙ্খলাকে বিছাৰি আহিছে। বহুকেইজন সদস্যই কৈছে যে আমাৰ কম বয়স চিন্তা চৰ্চা কম। কিন্তু। যিসকল বয়োজেষ্ঠ অধ্যাপক যাক আমি সন্মান কৰি আহিছো তেওঁলোকে আজি ৩৮ বছৰে গুৰি ধৰি কি কৰিলে? তেওঁলোকে দেশখনক ভাঙিচিঙি চুৰমাৰ কৰি শেষ কৰিছে। বিদেশী নাগৰিকৰ উৎপাতত অসমত অসমীয়া মানুহ থাকিব নোৱাৰা হ'ল। আৰু তাকে সহ্য কৰিব নোৱাৰি আমাৰ যি সকলৰ বয়স কম বুলি কৈছে ৰাজ-নীতিৰ জ্ঞান নাই বুলি কৈছে সেই সৰু সৰু লৰা ছোৱালীয়ে অসমীয়া জাতি-টোক ৰক্ষা কৰিবৰ কাৰণে আমি আন্দোলন কৰিব লগা হলো আমি ৰাজনীতি কৰিব লগা হলো। আৰু সেই কামকে সুচাৰুৰূপে চলাবলৈ বা ক্ষিপ্ৰগতিত আগবঢ়াই নিবলৈ এই প্ৰস্তাৱ আনিবলগীয়া হৈছে। কিন্তু আমি আচৰিত হৈছো এই প্ৰস্তাৱৰ ওপৰত কৈছে it is two late now এই বিলাক কি কথা আমি শুনিছো। এই বিলাক জানো ভাল চিন্তাৰ কথা। দায়িত্বৰ সকলোৰে আছিল

কিন্তু দায়িত্ব থাকিও তেওঁলোক বহি থাকিল। আমি অসমখন ভাঙিব খোজা নাই আমি অসমখনক পাতিব বিছাৰিছো। অসম মেঘালয় নগালেণ্ড তেওঁলোকৰ ৰাজ্য নহয় নেকি ? তেওঁলোকে তেনেহলে কিয় গাওঁৰ মানুহ পঠিয়াইছে ? আমি অসমখন-তহে কিবা এটা কৰিবলৈ গলে গন্দগোল লাগে । আমি তেখেত সকলৰ কথা ভালকৈ শুনি আছো । কৰিমগঞ্জৰ ঘটনায় কি সূচাইছে ? এইটো কি ভাল কাম হৈছে ? অসমখনত আমি কৃষ্টি সংস্কৃতি লৈ জীয়াই থাকিব বিছাৰিছো। তাত ভুল বুজা বুজি হব কিয় ? মই হাজৰীকাৰ ঘৰত জন্ম ? সেই কাৰণে কৈছো এই প্ৰস্তাৱটো গৃহীত কৰিব লাগে ইয়াত আমাৰ কোনো বেলেগ মনোভাব নাই। মোৰ বোধেৰে বিৰোধীপক্ষৰ সকলো সদস্যই এই প্ৰস্তাৱটো হৰ্ষধ্বনীৰে গ্ৰহণ কৰা উচিত। আমি অসমীয়া জাতিটোৰে ব্ৰাদাৰলিহুদ বিছাৰিছো, এই প্ৰস্তাৱৰ দ্বাৰা ভুল বুজা বুজি হব বুলি নাভাবো । আমি প্ৰফেচনেল পলিটিচিয়ান নহয় কিন্তু আমি প্ৰফেচনেল পলিটিচিয়ান বিলাকক দেখি আছো তেওঁলোকে কি কৰি আছে The Professional Political leaders played thus Politics for the last 30 years অসমীয়া জাতিটোৰে আমি ভালভাবে জীয়াই থাকিবলৈ সকলোকে ৱেলকাম কৰো । কিন্তু আগৰ চৰকাৰ বিলাকে যিমান বিলাক বেমাৰ চপাই দি গ'ল সকলো বিলাক বিভাগতেই এন্দদি পিদব্লিউদি ৰেভিনিউ সক-লোতে বেমাৰ এতিয়া এন্টিচেপ্টিক ইঞ্জেকচন দিহে ভাল কৰিব লাগিব । গতিকে এইখিনিকে কৈ সকলো সদস্যকে এই প্ৰস্তাৱটো সমৰ্থন কৰিবলৈ অনুৰোধ জনায় মোৰ বক্তব্যৰ সামৰণি মাৰিলো ।

শ্ৰীঅৰ্দ্ধেন্দু কুমার দে : অধ্যক্ষ মহোদয়, এই পবিত্র সদনে মাননীয় সদস্য ডঃ কমলা কলিতা যে প্রস্তাব গ্রহণ করার জন্য উত্থাপন করেছেন সেটা নিয়ে ইতিমধ্যে অনেক আলোচনার ঝড় বয়ে গেছে। আমার মনে হয় তারপর আমার আর কিছু বলার নেই । তথাপি এই পবিত্র সদনে আমি এই প্রস্তাবের বিরোধীতা করে দুই একটা কথা উত্থাপন করছি। অধ্যক্ষ মহোদয়, আপনি নিশ্চয়ই দেখছেন যে দায়ীত্ব নিয়ে এই সদনে আমাদের কথা বলার উচিতছিল আমার মনে হয় তা থেকে আমরা অনেকটা সরে গিয়েছি। কারণ সরকার পক্ষের এমন কয়েকজন মাননীয় সদস্য এই প্রস্তাৱ সমৰ্থন করতে গিয়ে যে সব দায়ীত্বহীন কথাবার্তা বলেছেন তা কোন ভাবেই মেনে নেওয়া যায় না। সরকার

পক্ষের কোন একজন সদস্য বলেছেন যে আসামে নাকি ৪৫ লক্ষ বিদেশী রয়েছে। তিনি ৮০-৯০ হাজার বা ৩০-৪০ হাজারও বলতে পারেতেন। কিন্তু তিনি তা নাবলে কেমন করে বলছেন যে আসামে ৪৫ লক্ষ বিদেশী রয়েছে। আমার মনে হয় এই সদস্যর সঙ্গে বিদেশীদের একটা সম্পর্ক আছে। তাছাড়া ২১ জুলাই করিমগঞ্জে পুলিশের গুলি চালনার প্রসঙ্গে সরকার পক্ষের কোন সদস্য দায়ীত্বহীন ভাবে বলেছেন যে ওখানকার লোক ঘটনার পর বাংলাদেশে এবং ত্রিপুরায় গিয়ে আশ্রয় নিয়েছে। সতুতরাং তারা বাংলাদেশী। পুলিশের অকথ্য অত্যাচার সহ্য করতে না পেয়ে যদি কেউ বাংলাদেশ বা অন্য কোন স্থানে গিয়ে আশ্রয় নিয়ে থাকেন তাতেই কি তারা বাংলাদেশী হয়ে গেলেন। এমন অদ্ভূত ধারনা তাদের কেমন করে হলো তা আমরা বুঝতে পারছিনা। স্যার আমরা অতীতে দেখেছি যে বৃটিশের অত্যাচার সহ্য করতে না পেরে তখন কার অনেক নামী স্বাধীনতা সংগ্রামীই বিদেশে গিয়ে আশ্রয় নিয়েছিলেন। তাহলে কি তাঁরা সবাই বিদেশী ছিলেন? তা হলে তো বলতে হয় নেতাজী সুভাষ চন্দ্র বোস, শ্রীরাস বিহারী বোস তাঁরা সবাই বিদেশী দিলেন। কারন এইসব সম্মানিত স্বাধীনতা সংগ্রামীরা যে আজাদ হিন্দ ফোর্স তৈরী করেছিলেন ভারতবর্ষ স্বাধীন করার জন্য তা তাঁরা বিদেশেই তৈরী করে ছিলেন। এইজন্য এই ধরনের দায়ীত্বহীন বক্তব্য যাতে কোন মাননীয় সদস্য আরু এই সদনে না রাখেন তার জন্য অনুরোধ করছি।

স্যার, এই প্রস্তাবের উৎথাপক ডঃ কমলা কলিতা যিনি আমার মতই একজন 'এনোটমী ফিজিওলজির স্নাতক। তিনি নিশ্চয়ই এই বোঝেন যে যাদের বিদেশী বলা হচ্ছে তাঁরা অন্য কেউ নয়, তারা এই পৃথিবীরই হিউম্যানবিয়িং। ইংরাজী শব্দ তাছারা তিনি তাঁর প্রস্তাবের সমর্থনে যে সব যুক্তি দেখিয়েছেন তা মেনে নোযা যায় না। কারণ এর আগে ভোটার লিষ্ট সংশোধনের সময় যে সব ঘটনার অবতারনা হয়েছিল সে সব অভিজ্ঞতা আমরা এখনও ভুলে যায় নি। বিদেশীদের নাম ভোটার লিষ্ট থেকে বাদ দেওয়ার নামে তখন হাজার হাজার প্রকৃত ভারতবাসীর নাম ভোটার লিষ্ট থেকে বাদ দেওয়ার জন্য আপত্তি দাখিল করা হয়েছিল। নাগরিকত্ব প্রমাণ করার জন্য এবং ভোটার লিষ্টে না উঠানুর জন্য তখন এস, ডি সি, এস ডি ও এবং বি ডিও অফিসে তখন ঘন্টার

পর ঘণ্টা লাইনে দাড়িয়ে থেকে এইসব জনসাধারন হয়রান হয়েছিলেন। অনেক মহিলা লাইনে দাড়িয়েই সন্তান প্রসব করছেন। এইসব কথা নিশ্চয়ই আমরা জানি। অন্যদিকে কিছু অফিসারের পোয়া-বারো অবস্থা হয়েছিল। তাদের সঙ্গে কিছু দালালেরও দিন খুলেছিল। তারা জেলায় অফিসের সামনে ভোটার লিষ্টের কাগজ নিয়ে বসে বসে তা থেকে সেনগুপ্ত, দাসগুপ্ত ইত্যাদি উপাধী বেছে বেছে তাদের নাম এই লিষ্ট থেকে বাদ দেওয়ার ব্যবস্থা করেছিলেন। এমন কি আসামের প্রাক্তন মুখ্যমন্ত্রী শ্রীমহেন্দ্র মোহন চৌধুরীর নামও তারা বাদ দিয়েছিলেন। ঠিক অনুরূপ অবস্থা আমরা লক্ষ্য করেছিলাম পি আর সি নেবার সময়ও। বহু এস ডি সি অফিসে তখন মণ্ডলের পোয়া-বারো অবস্থা তার থেকে রিপোর্ট না পেলে পি আর সি দেওয়া হতো না এবং এর বাবদ তাকে প্রথমতঃ ২০ টাকা দিলেই হতো। কিন্তু পরে এই রেট, বেড়ে গিয়ে ৩০-৪০ টাকা পর্য্যন্ত হয়েছিল। এই যে দূর্নীতি তার জন্য আমরাই দায়ী। কারন আমরাই বিভিন্ন সময়ে ভুল আইন পাশ করে এই অবস্থার সৃষ্টি করেছি। সুতরাং, এই যে ২৫ টাকা ফিতা আমার মতে থাকতে হবে। কারণ কোর্টে গেলে কোর্ট ফি দিতেই হবে। তাছাড়া, যে ৩ মাইলের সিমানা বেধে দেওয়া হয়েছে সেটাও থাকতে হবে। নইলে সদিয়ায় বসে ধুবড়ীর লোককে ভোটার লিষ্ট দেখে দেখে দাসগুপ্ত, সেনগুপ্ত বেছে বেছে তাদের কে বিদেশী বলে আপত্তি জানানো হবে এটা নিশ্চয়ই আপত্তি জনক। তাছাড়া মানব অধিকার রক্ষার জন্য যে আইন সৃষ্টি হয়েছে তা যদি রদ করা হয় তাহলে আর হাইকোর্ট, সুপ্রীম কোট থেকে লাভ কি? এগুলো বন্ধ করে দেওয়া হোক। সেজন জজ দিয়ে ট্রাইবুনেল করার প্রয়োজনীয়তা এজন্যই হয়েছে যাতে মানবাধিকার ক্ষুন্ন না হয়। যাদেরে বিদেশী বলে চিহ্নিত করা হবে তারা যেন প্রকৃত ও ন্যায্য বিচার পায়। আমি বুঝতে পারিনা, অধ্যক্ষ মহোদয়, যে হাইকোর্টে আপীল করার সুযোগ থেকে এদেরে বঞ্চিত করার চেষ্টা করার মধ্যে কি যুক্তি থাকতে পারে। একজন মাননীয় সদস্য কি করে দায়িত্ব জ্ঞানহীনের মতো এই সদনে বলতে পারেন যে বিনা বিচারে ট্রাকে করে তুলে সন্দেহযুক্ত বাংলাদেশীকে বাংলাদেশে চালান করে দেওয়া হোক এ কথা আমার মগজে ঢুকছে না। মহোদয়, এই প্রস্তাবের ব্যাপারে সদনে ডিভিশন, হবেই। কারণ এমন প্রস্তাবে আমরা সমর্থন

দিতে পারি না। আর ডিভিশন হলে এই বিতর্কিত প্রস্তাবের ভাগ্যে কি আছে সকলেই জানেন। এমতাবস্থায় প্রস্তাবের উদ্যোক্তা ডাঃ কমলা কলিতা মহাশয়কে আমি এই প্রস্তাব তুলে নেওয়ার জন্য অনুরোধ করে আমি আমার বক্তব্য শেষ করছি। কারন এমন প্রস্তাব শুধু সাধারন মানুষকে পর্যদস্ত করার একটা চক্রান্ত মাত্র।

শ্ৰীদীনবন্ধু চৌধুৰী : মাননীয় অধ্যক্ষ মহোদয়, আজিৰ সদনত মাননীয় সদস্য ডঃ কলিতাই উংথাপন কৰা প্ৰস্তাৱটোৰ প্ৰতি মই সমৰ্থন আগবঢ়াইছোঁ। লগতে মই এই বিষয়ে দুষাৰমান কব বিচাৰিছো। এইটো কথা এতিয়া স্পষ্ট আৰু ইয়াত কোনো দ্বিমত নাই যে বিৰোধী পক্ষই ১৯৮২ চনৰ অবৈধ অনুপ্ৰবেশ আইনখনব বিৰোধীতা কৰা নাই। লগতে এইটোও বিৰোধীতা কৰা নাই যে যি সকল বিদেশী আছে সেই সকলক চিনাক্তকৰন কৰি বিতাৰন কৰিব লাগে। গতিকে যি প্ৰসঙ্গত এই প্ৰস্তাৱটো উংথাপন কৰিছে তাত ইয়াৰ বিৰোধীতা কৰাৰ যুক্তি নাই। আৰু আশা ৰাখিছো বিৰোধী পক্ষইও এই প্ৰস্তাৱটো সাদৰেৰে গ্ৰহন কৰিব। এই আইনত যি ৰিলাক আসোৱাহ আদিৰ ক্ষেত্ৰত পৰামৰ্শ আগবঢ়াইছে সেইটো নিশ্চয় গ্ৰহনযোগ্য। প্ৰকৃততে যদি আইনখন ফহিয়াই চোৱা হয় তেনেহলে ইয়াৰ উদ্দেশ্যমুখী কৰাৰ বাস্তৱিক প্ৰয়োজন। এই আইন খন খৰতকীয়াভাৱে কাৰ্য্যকৰী কৰিবলৈ যাওঁতে যি বিলাক বাধা অহাৰ সম্ভাৱনা আছে সেই বিলাক বাধা আতৰাবলৈ কিছু সংশোধনৰ প্ৰয়োজন আছে। উদাহৰন স্বৰূপে এই আইনৰ চেকচন্ ১১ ত প্ৰেচক্ৰাইব অথৰিটীত লিখা আছে যি ৰুল সেই ৰুল মতে এই আইনৰে ২৮ চেকচন্ অনুসৰি অনুসন্ধান কৰিব। এই অথৰিটীয়ে এটা অভিযোগ পোৱাৰ পিচত তদন্ত কৰিব। তদন্ত কিমানদিন কৰিব তাৰ নিশ্চয়তা নাই। গতিকে এইটো অস্পষ্ট আৰু অনিৰ্দ্দিষ্ট। কিমান দিন লাগিব তাৰ কোনো সীমা নাই। এই আইনখনে তাৰ মানে বিদেশীৰ ৰক্ষনা বেক্ষন দিয়াৰ সুৰুঙা ৰাখিছে। গতিকে ইয়াৰ ওপৰত ভিত্তি কৰিয়েই আমাৰ ইয়াত যি বোৰ বিদেশী আছে সেইবোৰে নিৰ্ভয়ে এই আইনখনৰ গণ্ডীৰ ভিতৰত থাকি বাস কৰি থাকিব পাৰিছে।

প্ৰেচক্ৰাইব অথৰিটীয়ে এই ব্যৱস্থা উঠাই দি পোন প্ৰথমে টিবিউ-নেললৈ প্ৰেৰণ কৰিব। ট্ৰিবিউনেলে বিচাৰ কৰি বিদেশী বহিস্কৰণৰ ব্যৱস্থা লব।

ইয়াৰে চেকচন ১৫ (৯) দফাত এটা ব্যৱস্থা আছে এপিলেট ট্ৰিবিউনেলে আপীল গ্ৰহণ কৰিব এমাহৰ ভিতৰত। যদি অভিযোগকাৰীয়ে কিবা কাৰণত বাধা প্ৰাপ্ত হৈছে তেন্তে আপীলেট ট্ৰিবিউনেলে তেওঁৰ আপীল এমাহৰ পিচটো গ্ৰহণ কৰিব পাৰিব। এই এমাহৰ পিচত কিন্তু কিমান দিনলৈ আপীল গ্ৰহণ কৰিব পাৰিব তাৰ কোনো সময় সীমা তাত উল্লেখ নাই। হয়তো এবছৰলৈও হব পাৰে বা ১০ বছৰলৈকো হব পাৰে এইটো এটা সুৰুঙা ৰাখি থোৱা হৈছে আইনখনত। ইয়াৰে সুযোগ গ্ৰহণ কৰি বিদেশীয়ে বছৰ বছৰ ধৰি ইয়াতে বাস কৰি আছে চেকচন ১৬ (১) ত আপীলেট ট্ৰিবিউনেলে যদি প্ৰয়োজনবোধ কৰে কেচটো ৰখাই থব পাৰে। গতিকে এইটো কেচ কেতিয়া চলাব তাৰ কোনো নিশ্চয়তা নাই। আৰু এটা সুৰুঙা আছে যে ইয়াত ৰাজ্য চৰকাৰৰ কৰিবলগা একো নাই। গতিকে সম্পূৰ্ণ কেন্দ্ৰৰ ওপৰত ভৰষা কৰি থাকিব লাগিব। কেন্দ্ৰীয় চৰকাৰে নিজৰ সুবিধামতে ব্যৱস্থা লব। সেয়ে যিটো প্ৰস্তাৱ আজি ইয়াত উত্থাপিত হৈছে সেইটো অতি গুৰুত্বপূৰ্ণ আৰু মই আশা ৰাখিছো যে বিৰোধী পক্ষই এই প্ৰস্তাৱৰ গুৰুত্ব উপলব্ধি কৰি ইয়াত সমৰ্থন আগবঢ়াব আৰু বিদেশী বিতাৰণৰ ক্ষেত্ৰত যি আইন সঙ্গত ব্যৱস্থা ৰখা হৈছে এইবোৰ প্ৰণয়ণ কৰাত সহায়ৰ হাত আগবঢ়াব। ধন্যবাদ।

শ্ৰীস্বৰূপ উপাধ্যায়ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো প্ৰস্তাৱ ইয়াত উত্থাপন কৰিছে ইয়াৰ ওপৰত ইতিমধ্যে যথেষ্ট গুৰুত্বপূৰ্ণ আলোচনা ইতিমধ্যে হৈছে। মই এইটোৱেই কব খুজিছো যে আজি কিয় এই প্ৰস্তাৱটো ইয়াত উত্থাপিত হব লগা হ'ল আৰু প্ৰস্তাৱটো সময় মতে আৰু প্ৰকৃত ফৰা মত আহিছেনে? এই প্ৰস্তাৱৰ সমৰ্থনত শাসকীয় দলৰ বহুতো সদস্যই অতি নিষ্ঠা আৰু সততাৰে তেওঁলোকৰ যুক্তি ডাঙি ধৰিছে। তেওঁলোকৰ সততা আৰু নিষ্ঠাক মই সন্মান জনাইছো। মই এটা কথা লক্ষ্য কৰিছো আজি যেন শাসকীয় নেতৃ-বৃন্দৰ আৰু জনসাধাৰণৰ মাজত ভাব বিনিময়ত এক বিজুতি ঘটিছে। ৰাজনীতিত বিশেভাবে আগ্ৰহী মানুহ হিচাবে মই অসম আন্দোলনক গভীৰ ভাৱে পৰ্য্য-বেক্ষণ কৰিছিলো। ইয়াত কোনো কমিউনিকেচন গেপ আমি দেখা পোৱা নাছিলো। কিন্তু ইয়াত আজি এই প্ৰস্তাৱটো উত্থাপন কৰাত আমি কমিউনি-

কেচন গেপ হোৱা যেন লাগিছে অসম চুক্তি আৰু অসম আন্দোলনৰ লগত এই প্ৰস্তাৱৰ বিশেষ সম্পৰ্ক আছে। অবৈধ প্ৰব্ৰজনকাৰী আইনৰ লগত ইয়াৰ সম্বন্ধ আছে। অসম চুক্তিত এই কথা স্পষ্ট ভাৱে আছে। মই এইকথা পঢ়ি দিছো। The Government will give due consideration to certain difficultis expressed by AASU and AAGSP regarding implementation of the Illegal Migrants (Determination Tribunal Act, 1983. আজি এই সদনৰ আন্দোলনত বিশেষ ভাবে অংশ গ্ৰহণ কৰা সদস্য সকলে এদিন এই আইনখনক ডিফেকটিভ বুলি কৈছিল আৰু সংশোধন কৰিব লাগে বুলিও কৈছিল। আৰু কৈছিল যে আমি এইখন পুৰি পেলাইছো। সেই কাৰণেই মই কব বিচাৰিছো যে অসম আন্দোলনৰ নেতৃবৃন্দই অসম চুক্তি চহী কৰাৰ সময়ত যি ভূল কৰিছিল তাৰেই ফল আজিৰ এই সংশোধনী প্ৰস্তাৱ। এই প্ৰস্তাৱ অবৈধ প্ৰব্ৰজন আইনৰ সংশোধনী নহয়। অসম চুক্তি চহী কৰা সময়ৰ ভুলৰ সংশোধনী মাত্ৰ।

অধ্যক্ষ মহোদয়, এজন মাননীয় সদস্যই চাওলখোৱাত এক লাখ বিদেশী আছে বুলি কৈছে। মই আচৰিত হৈছো সদস্য গৰাকীয়ে আজিহে সদনত এই কথা কিয় কলে, ইতিমধ্যে তেখেতে মুখ্যমন্ত্ৰী বা গৃহমন্ত্ৰীক জনোৱা নাছিলনেকি ? নহলে ইমানদিনে মন্ত্ৰী মহোদয়ে দেখোন ব্যৱস্থা লবই পাৰিলেহেতেন কাৰণ সদস্য গৰাকীয়েতো বিদেশী সকলক চিনি পায়েই। আৰু যদি জনাইছিল তেন্তে এই বিদেশী খেদাৰ ক্ষেত্ৰত তেওঁলোকৰ কিবা দূৰ্ব্বলতা আছে বুলি আমি সন্দেহ কৰিব পাৰো। এই কাৰণেই মই কমিউনিকেচন গেপ আছে বুলি কৈছো।

অধ্যক্ষ মহোদয়, এই প্ৰস্তাৱটোৰ আৱশ্যকতা ইয়াত নাই। কেন্দ্ৰীয় চৰকাৰে দিফিকাল্টিচ চাই মেলি তাৰ কি কি ব্যৱস্থা লব লাগে লম বুলি কৈছে। সেই দিফিকালিটচবোৰ সেই সময়ৰ নেতৃবৃন্দ আৰু এতিয়াৰ চৰকাৰৰ যি সকল অধিস্থিত লোক তেখেতসকলে আগতেই বিবেচনা কৰি চাব পাৰিলেহেতেন। মই এই সংশোধনী প্ৰস্তাৱটোত কি আছে কি নাই সেই বিষয়ে একো নকও। এই প্ৰস্তাৱটোৰ আৱশ্যকতা এই সদনত উৎথাপন কৰিবলগীয়া একো নাই। জনসাধাৰণ আৰু আন্দোলনকাৰী অসমীয়া ৰাইজক আচল কথাৰ পৰা দূৰত ৰাখি-

বৰ কাৰণে এই প্ৰস্তাৱ অনা হৈছে। সেই এই কাৰণে মই প্ৰস্তাবটোৰ বিৰোধীতা কৰো আৰু এই খিনিকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীফণিৰাম টায়েং : মাননীয় অধ্যক্ষ মহোদয়, আজি সদনত ডঃ কমলা কান্ত কলিতাই যিটো প্ৰস্তাব ডাঙি ধৰিছে সেই প্ৰস্তাবটোৰ প্ৰতি মই সম্পূৰ্ণ সমৰ্থন জনাইছো। আমি প্ৰকৃত অসম দেশৰ অসমীয়া জাতিৰ ৰক্ষাৰ্থে আৰু কল্যানাৰ্থে এই প্ৰস্তাবটো আনিবলগীয়া হৈছে। আগতেই আমি কৈ আহিছো যে, এই খন বিধান সভাৰ মজিয়াত অসমৰ স্বাৰ্থ ৰক্ষা কৰাৰ কাৰণে বেচি কথা কোৱাটো ভাল। আজি কিছুমান ৰাজনৈতিক নেতাই বিদেশী বহিস্কাৰ হোৱাটো বিচৰা নাই। আমি এই বিলাক কথা গম পাই আহিছো। বিশেষকৈ অসমৰ আই কংগ্ৰেছৰ কিছুমান লোকে সদৌ অসম ছাত্ৰ সন্থা আৰু গণ সংগ্ৰাম পৰিষদে যেতিয়া বিদেশী নাগৰিকক বহিস্কাৰ কৰাৰ কাৰণে চুক্তি হোৱাটো বিচাৰিছিল যেতিয়া তেওঁলোকে অসমত বিদেশী নাগৰিক নাই বুলি কৈছিল। আজি সেইসকল মানুহেই এই প্ৰস্তাৱটোৰ বিৰোধীতা কৰিছে। সংখ্যালঘু বুলিবলৈ হ'লে আমি আগতেই কৈ আহিছো। সাংবিধানিক ভিত্তিত যিটো হব সেইটোহে চাব লাগে। আমি অসমত ধনী সম্প্ৰদায়ৰ সংখ্যালঘু আৰু নিৰীহ সম্প্ৰদায়ৰ সংখ্যালঘুৰ লোক থকাও দেখিবলৈ পাইছো। সেই কাৰণে অসমত থকা অসমৰ কলা সংস্কৃতিক ভাল পোৱা সকলো মানুহকে সাঙুৰি অসমীয়া আখ্যা দিয়া হৈছে। এই কথা আমি আজি এই ৬ বছৰেই কৈ আহিছো আৰু বিশেষকৈ ইয়াত এজন চি, পি, এম সদস্যই কৈছে আইনৰ কথা, সংবিধানৰ কথা। এই বিলাক কথা আমি নিশ্চিত ভাবে জানো। আইন ৰচনা কৰা হৈছে, সংবিধান ৰচনা কৰা হৈছে দেশ খন ৰক্ষণা-বেক্ষণৰ কাৰণে। আইন মানুহে ৰচনা কৰিব পাৰে আৰু তাৰ সংশোধনও কৰিব পাৰে। সেই কাৰণে মই কৈছো এই প্ৰস্তাৱটো গ্ৰহণযোগ্য আৰু গ্ৰহণ কৰি অসমৰ পৰা অবৈধ্য বিদেশী নাগৰিকক অতি সোনকালে বহিস্কাৰ কৰিব লাগে বুলি এই সদনক অনুৰোধ কৰিছো। আজি ৩৫ টা বছৰেই অসমৰ অস্তিত্ব ভঙ্গ হৈছে। ৰঙা ফিটাৰ মেৰপাক অসমত থাকিব নালাগে। অসমৰ যুৱক সকলে অসমৰ জনগণৰ কাৰণে, অসমৰ স্বাৰ্থ ৰক্ষাৰ কাৰণে সদায় আগৰণুৱা হৈ আহিছে। সেই কাৰণে ৰাজনীতি নকৰি দেশখনক ভাল পাই, জাতিটোক ভাল পাই কেনেকৈ অসম খনক, অসমীয়া জাতিটোক ৰক্ষা কৰিব পাৰি তাৰ

কাৰণেহে চিন্তা কৰিব লাগে। মই আৰু বিশেষ কথা নকও, এই খিনিকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীগণেশ কুটুম ঃ মাননীয় অধ্যক্ষ মহোদয়, অসমীয়াত এষাৰ কথা 'আছে বোলো ামঘৰত কোন সোমাইছে, চোৰে কলে 'মই কল খোৰা নাই'। আজি ১৯৮৩ চনৰ অবৈধ বিদেশী প্ৰবজন আইনমতে আমি অবৈধ বিদেশীক কেনেকৈ খেদি পঠিয়াম এই কথাটোৰ আমি নতুনকৈ এটা প্ৰস্তাৱ আনিছো আৰু আমাৰ এচাম বিদেশীক ভাল পোৱা আৰু ৰক্ষণা বেক্ষণ দিব খোজা এচামে এই বিধান সভাৰ মজিয়াত মই কল খোৰা নাই বুলি কৈছে, অতি আচৰিত কথা কৈছে। মই অসমীয়া কথা কৈছো, অসমীয়া জাতি ৰক্ষণা-বেক্ষণৰ কথা কৈছো আৰু তেওঁলোকে কেৱল বিদেশীৰ কথাটোকেই পাকে প্ৰকাৰে আইনৰ সুৰুঙাৰে, আইনত ফাক এটা কৰি ৰক্ষণা-বেক্ষণ দিব বিচাৰিছে। আন এগৰাকী বিৰোধী পক্ষৰ সদস্যই কৈছে, কাব্যিক সুৰত ভাৰতত নানা জাতি উপজাতি জনজাতি আছে, অসমত নানা জাতি উপজাতি জনজাতি লোক আছে আৰু মই কৈছো অসমত নানা দেশী উপদেশী আৰু বিদেশী আছে নানা জাতি উপজাতি জনজাতিয়েই নহয়, অসমত নানা দেশী উপদেশী বিদেশীৰ ৰম্যভূমি অসম। অসম যাতে বিদেশীৰ ৰম্যভূমি হব নোৱাৰে সেই কাৰণেই প্ৰস্তাৱটো নতুনকৈ অনা হৈছে আৰু আজি সদনত প্ৰস্তাৱটো অনুমোদন জনোৱাৰ কাৰণে অনা হৈছে যাতে ১৯৮৩ চনৰ অবৈধ প্ৰবজন আইন খনৰ সংশোধনী হয়। এই খিনিতে আন এটা কথা মই উল্লেখ কৰিব বিচাৰিছো এই যি ৩ কিলোমিটাৰ দূৰত্ব আছে এইটো ৰদ কৰিব লাগে। যিসকলে এইখন বনাইছে what is the basic Principle of the limits of 3 kM for identrifying a person as a foreigner ? Why it was not made move than that ? ৩ কিলোমিটাৰ হলেহে এজন বিদেশীক চিমাক্ত কৰিব পৰা যায় আৰু ৩'০১ কিলোমিটাৰ হয় তেতিয়াহলে তেওঁলোকক চিনাক্ত কৰিব নোৱাৰে। এই কথাটো কিয় আইনত ফাক ৰাখি দিলে। তাৰ কাৰণে এই অভিযোগকাৰী ৩ কিলোমিটাৰ দূৰত্বৰ হয়নে নহয় অভিযোগকাৰীৰ বিচনাখনৰপৰা ফিটা লৈ জুখিব লাগিব। গতিকে সেই ৩ কিলোমিটাৰ দূৰত্ব কেনেকৈ ফিক্স কৰিলে ? অসমীয়া জাতি, অসমীয়া মানুহক তেওঁলোকে দুৰ অভিসন্ধিমূলক ভাবে প্ৰতাৰণা কৰাৰ কাৰণে আইনত সুৰুঙা

ৰাখি থৈছে। আৰু এই প্ৰস্তাৱৰ দ্বাৰা এই সুৰুঙা বিলাক বন্ধ কৰিব বিচৰা হৈছে। অৰ্থাৎ কমপিলিট প্লাষ্টাৰ কৰিব বিচৰা হৈছে। লগতে সংশোধনী আনিব বিচাৰিছে যে এজন সন্দেহযুক্ত লোকক বিদেশী নাগৰিক বুলি এজন লোকে অভিযোগনামা দাখিল কৰিব পাৰে। যি নহওক কোনোবা বিদেশী মানুহ ভূলতে চিনাক্তকৰণ নহৈ থাকি গল, সেই বুলি তেওঁ ভাৰতবৰ্ষৰ ভাৰতীয় বা অসমৰ অসমীয়া নাগৰিকত্ব লাভ কৰিব নেকি ? গতিকে অভিযোগ নামা দাখিল নকৰি-লেও চৰকাৰী শাসন যন্ত্ৰৰ ফালৰ পৰা এই লোক সকলক বাচি উলিয়াব লাগিব। তাৰ পাচত এই অভিযুক্তকাৰী সকলে তেওঁলোক যে বিদেশী নহয় তাৰ প্ৰমাণ কোনোবা ন্যায়ালয়ৰ জৰিয়তে কৰিব লাগিব। চৰকাৰী শাসনযন্ত্ৰৰ দ্বাৰা দাখিল হলেও ইয়াৰ ব্যবস্থা আইনখনত ৰাখিব লাগে। এই সংশোধনী প্ৰস্তাৱৰ ওপৰত মাননীয় সদস্য জয়নাথ শৰ্ম্মা ডাঙৰীয়াই অন্যান্য শিতান কৰ্ত্তন কৰাৰ কথা কৈছে তাত মই একমত।

মাননীয় অধ্যক্ষ: এতিয়া ৫টা বাজিছে। ইয়াৰ পাচৰ অধিবেশনত বেচৰকাৰী যিটো আলোচনা হব তেতিয়াই তাৰ মন্তব্য ৰাখিব পাৰিব।

## ADJOURNMENT

The House rose at 5 p.m. and stood adjourned till 10 A.M. on 6th August, 1986.

Dr. P. N. Hazarika,
Secretary.
Assam Legislative Assembly,

Dated, Dispur
The 5th August, 1986.